● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

*সামাজিক দায়বদ্ধতাত অবিচল*

## দিগ্‌দৰ্শন

*বিশ্বাসে সকলো সম্ভৱ কৰি তোলে আৰু প্ৰেমে সকলো সহজ কৰি তোলে।*



ড'ৱাইট এল মুডী
*আমেৰিকাৰ ধৰ্ম প্ৰচাৰক*


www.dainikagradoot.in



৫ ৭২ হেজাৰলৈ হঠাৎ সংক্ৰমণ বৃদ্ধি, এদিনতে মৃত ৪৫৯ জন
১৩ আন্তৰ্জাতিক কুংফুত অসমৰ ১৩টা পদক
4 গালি-শপনিৰ স্বৰূপ আধুনিক আৰু প্ৰাচীন কালৰ



RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ১৭৩তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১৯ চ'ত ১৪২৭ ভাস্কৰাব্দ ২ এপ্ৰিল ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 2 April 2021 মূল্য ঃ ৭.০০ টকা


## আত্মঘাতী গণমাধ্যম

**দেশ-কাল-সমাজ**
**ড° দীনেশ বৈশ্য**



**আমেৰিকাৰ** টেলিভিছন কোম্পানী এটা কেৱল আমেৰিকাতেই বিখ্যাত নহয়, সমগ্ৰ পৃথিৱীতে বিখ্যাত। তেনেকুৱা টেলিভিছন কোম্পানী এটাৰ এজন কাৰ্যবাহী সম্পাদকে এদল সাংবাদিকক এটা ৰাজহুৱা আপত্তি আৰু বাতৰি কাকতত প্ৰকাশিত বাতৰিৰ সন্দৰ্ভত এটা ইনভেষ্টিগেটিভ ৰিপ'ৰ্ট প্ৰস্তুত *আঠ পৃষ্ঠাত চাওক*

## হাগ্ৰামাক ভাবুকি দি নিৰ্বাচনী বিধি ভংগ শৰ্মাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ এপ্ৰিল ঃ** আচৰণবিধি ভংগ কৰি নিৰ্বাচন আয়োগৰ ৰোষত পৰিছে মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বিজেপি তথা ইয়াৰ মিত্ৰদলৰ প্ৰচাৰৰ অন্যতম *আঠ পৃষ্ঠাত চাওক*

## বিজেপিক বিশ্বাসহীন আখ্যা কংগ্ৰেছ নেতা তিৱাৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ এপ্ৰিল ঃ** বিজেপিক কোনো কালেই বিশ্বাস নকৰিবলৈ আজি ইয়াত এক সংবাদমেলত অসমৰ ৰাইজক আহ্বান জনায় জ্যেষ্ঠ কংগ্ৰেছ *আঠ পৃষ্ঠাত চাওক*



*দ্বিতীয় পৰ্যায়ৰ ভোটদানৰ পাছত এই পৰ্যায়ৰ কেইজনমান চৰ্চিত প্ৰাৰ্থী ঃ বাওঁফালৰ পৰা ক্ৰমে ৰিহন দৈমাৰী, ৰূপক শৰ্মা, গোবিন্দ বসুমতাৰী, ছুম ৰংহাং, ছিৰাজউদ্দিন আজমল আৰু পীযুষ হাজৰিকা, বৃহস্পতিবাৰে।*

### ■ ৮৫ শতাংশ ভোটদান ঃ দুই-এক বিক্ষিপ্ত ঘটনাৰ বাদে শান্তিপূৰ্ণ নিৰ্বাচন ঃ ৩৯টাৰ কমেও ২৫ টা সমষ্টি দখলৰ দাবী হিমন্ত বিশ্বৰ ঃ মিত্ৰজোঁটে ২৮টা দখলৰ দাবী বৰাৰ

# দ্বিতীয় পৰ্যায়ত অগ্ৰগতি কোন দলৰ ?



*কোকৰাঝাৰত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লোৱাৰ মুহূৰ্তত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বৃহস্পতিবাৰে।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১ এপ্ৰিল ঃ** আজি অনুষ্ঠিত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত কোন দলে অগ্ৰগতি লাভ কৰিব তাক লৈ ৰাজনৈতিক মহলৰ লগতে সাধাৰণ লোকৰ মাজতো ব্যাপক চৰ্চা চলিছে। কাৰণ চৰকাৰ গঠনৰ ক্ষেত্ৰত প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনে মূল ভূমিকা লোৱাটো নিশ্চিত বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। প্ৰতিদ্বন্দ্বী দলসমূহেও সেই ধাৰণাৰেই আগবাঢ়িছে। আজি ভোটগ্ৰহণৰ



পাছত বিজেপি নেতা তথা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দ্বিতীয় পৰ্যায়ত তেওঁলোকে প্ৰাথমিকভাৱে কমেও ২৫ৰ পৰা ২৭ খন আসন হস্তগত কৰাৰ তথ্য লাভ কৰিছে বুলি দাবী কৰে। আনহাতে, প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাই দাবী কৰে যে দ্বিতীয় পৰ্যায়ত মহাজোঁটে কমেও ২৮টা সমষ্টিত জয়লাভ কৰিব। তেনে সমষ্টিৰ ভিতৰত কংগ্ৰেছ, এআইইউডিএফ, চি পি আই আৰু চি পি এমৰ প্ৰাৰ্থীও আছে। সংখ্যাৰ *আঠ পৃষ্ঠাত চাওক*

### প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত অসমবাসীয়ে হিয়া উজাৰি এনডিএক ভোট দিয়াৰ দাবী প্ৰধানমন্ত্ৰীৰ

## মহাঝুথক ৰাইজে নিৰ্বাচনত ৰঙাকাৰ্ড দেখুৱালে

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/কোকৰাঝাৰ, ১ এপ্ৰিল ঃ** 'অসমত হ'ব মহাঝুথৰ মহাহাৰ'-কংগ্ৰেছ মহাজোঁটক মহাঝুথ আখ্যাৰে আজি এনেদৰে কোকৰাঝাৰত মন্তব্য কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে অসমত আজি ইউপিপিএলৰ তিনিগৰাকী প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাবলৈ কোকৰাঝাৰত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে অসমৰ বিকাশৰ বাবে দ্বৈত ইঞ্জিনৰ



চৰকাৰৰ প্ৰয়োজন আছে। অসমৰ ৰাইজেও সেই উপলব্ধি কৰি পুনৰবাৰ বিজেপি আৰু ইয়াৰ মিত্ৰদলক শাসনভাৰ অৰ্পণৰ সিদ্ধান্তৰে ভোটাধিকাৰ সাব্যস্ত কৰিছে। কোকৰাঝাৰ গ্ৰীণ ফিল্ডত আয়োজিত সভাখনত মোদীয়ে কয়, 'প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত এন ডি এক মন উজাৰি ৰাইজে আশীৰ্বাদ দিছে। আজিও মই যিমানদূৰলৈ খবৰ পাইছো এন ডি এৰ প্ৰতি অসমৰ ৰাইজৰ সঁহাৰি হ'ল *আঠ পৃষ্ঠাত চাওক*

### অসমৰ ছিণ্ডিকেটৰ আনন্দ



**হাজোৰ** শনিয়াদীত আজি নিৰ্বাচনী প্ৰচাৰত চত্তিছগড়ৰ কংগ্ৰেছী মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ সিং বাঘেলে কয়, 'অসমৰ ৰাইজৰ এতিয়া নিৰানন্দ, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ যেন ছিণ্ডিকেটৰে আনন্দ। অসমত এতিয়া চৌদিশে বালিৰ ছিণ্ডিকেট, চুপাৰিৰ ছিণ্ডিকেট, কয়লাৰ ছিণ্ডিকেট। ছিণ্ডিকেটৰ অতপালিত অসমৰ ৰাইজৰ জুৰুলা। বিজেপিৰ মন্ত্ৰী-বিধায়ক-দালালে ধনৰ পাহাৰ গঢ়িছে।'

### লুৰীণৰ প্ৰেমৰ ডায়লগ



টিহুৰ নিৰ্বাচনী সভাত মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অজাপৰ সভাপতি প্ৰাক্তন আছু নেতা লুৰীণজ্যোতি গগৈক আক্ৰমণ কৰি কয়, 'আজি যিসকলে ভোট খুজিব আহিছে, ক'ভিডৰ সময়ত গাতত লুকাই আছিল। তৰুণ গগৈৰ ক'ভিড হওতে প্লাজমা দিবলৈ কোনো কংগ্ৰেছী মানুহ অহা নাছিল। আমাৰ বিজেপিৰ কাৰ্যকৰ্তাই প্লাজমাদান দিছিল। তেতিয়া আন দলৰ মানুহ ভয়তে লুকাই আছিল। পবিন্দ্ৰ ডেকা, লুৰীণজ্যোতি ক'ত গৈছিল। আজি বোলে চিৰদিন... সদায়... প্ৰথম। আৰে বাবা এইবিলাক প্ৰেমৰ সময়ত দিয়া ডায়লগ। বিয়াৰ আগতে দিয়া

### ঢাকাৰ মিউজিয়ামত হিমন্ত



চিৰাঙৰ চিদলী সমষ্টিত নিৰ্বাচনী প্ৰচাৰত আজি বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে ৰাজ্য চৰকাৰৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক উদ্দেশ্যি কয়, 'হিমন্তই বিপিএফৰ প্ৰতীক নাঙলক মিউজিয়ামত থ'ব বিচাৰিছে। আমিহে হিমন্তক মিউজিয়ামত থ'ম। হিমন্তক আমি বাংলাদেশৰ ঢাকাৰ মিউজিয়ামত থ'ম। দুই মে'ত বিজেপিৰ শ্ৰাদ্ধ পাতিম।'

## মন্ত্ৰী হৈও নিজ সমষ্টিত এখন স্কুল, কলেজ, হাস্পতাল বনাব নোৱাৰিলে চন্দ্ৰমোহনে

### অসমৰ শান্তি-সংস্কৃতিৰ সুৰক্ষা কংগ্ৰেছৰ হাততহে ঃ নলবাৰীত বাঘেল

**বিশেষ সংবাদদাতা**
**নলবাৰী/হাজো, ১ এপ্ৰিল ঃ** অসমৰ শান্তি-সংস্কৃতি সুৰক্ষিত কৰি ৰাখিব কেৱল কংগ্ৰেছেহে। বিজেপিয়ে অসমৰ শান্তি-সংস্কৃতি, উন্নয়নৰ যি কথা কয়, সেয়া কেৱল প্ৰহসনৰ বাহিৰে একো নহয়— আজি নলবাৰীৰ ধৰ্মপুৰৰ কংগ্ৰেছ মহাজোঁটৰ প্ৰাৰ্থী ৰাতুল পাটোৱাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ গৃহভূমি শিলগোসাঁনীত অনুষ্ঠিত নিৰ্বাচনী সভাত চত্তিছগড়ৰ মুখ্যমন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা ভূপেশ বাঘেলে *ছয় পৃষ্ঠাত চাওক*

### নেতৃত্বৰ বিৰুদ্ধে অভিযোগ ঃ দুৰ্ভাগ্যজনক আখ্যা বিপিএফৰ

## তামুলপুৰত কেন্দ্ৰীয় মন্ত্ৰীৰ উপস্থিতিত বিজেপিলৈ ৰংজা



**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী/তামুলপুৰ, ১ এপ্ৰিল ঃ** দুদিনীয়া আত্মগোপনৰ পাছত সকলো জল্পনা-কল্পনাৰ ওৰ পেলাই আজি ৰাজহুৱা মঞ্চত ভূমুকি মাৰে তামুলপুৰ বিধানসভা সমষ্টিৰ বিপিএফৰ প্ৰাৰ্থী ৰংজা খুংগুৰ বসুমতাৰীয়ে। আজি বসুমতাৰীয়ে তামুলপুৰ হৰিমন্দিৰ প্ৰাংগণত আয়োজিত বিজেপি-ইউপিপিএল মিত্ৰদলৰ এখন নিৰ্বাচনী সভাত *আঠ পৃষ্ঠাত চাওক*

### ■ আমি কেতিয়াও কোনো ধৰ্মৰ লোকক অন্যায় কৰা নাই ঃ মুখ্যমন্ত্ৰী
### ■ প্ৰশাসন যন্ত্ৰটোকে সম্পূৰ্ণৰূপে লেতেৰা কৰি পেলাইছিল ঃ বৰা

## কংগ্ৰেছে ধৰ্মীয় সংখ্যালঘুক নানা ধৰণৰ অন্যায়-উৎপীড়ন কৰিছিল



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**বৰপেটা/মাটিয়া/বকো/পালহাজী/ছয়গাঁও, ১ এপ্ৰিল ঃ** 'কংগ্ৰেছৰ শাসনকালত ধৰ্মৰ নামত, ভাষাৰ নামত, গোষ্ঠীৰ নামত সংঘাতৰ সৃষ্টি কৰি আমাৰ সমাজ জীৱন কলুষিত কৰা হৈছিল। কংগ্ৰেছে নিকৃষ্ট বিভাজন নীতিৰ দ্বাৰা ধৰ্মীয় সংখ্যালঘুকলক নানা ধৰণৰ *ছয় পৃষ্ঠাত চাওক*

## প্ৰয়াত তৰুণ গগৈক বিজেপি কৰ্মীয়ে প্লাজমা দান কৰিছিল

### তৃতীয় পৰ্যায়ৰ বাবে মাৰাথন প্ৰচাৰ মন্ত্ৰী ড° শৰ্মাৰ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**হাজো/নলবাৰী/টিহু/বৰমা/দুধনৈ, ১ এপ্ৰিল ঃ** তৃতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনলৈ মাজত মাথো দুটামান দিন বাকী থকা অৱস্থাত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে *সাত পৃষ্ঠাত চাওক*

### অসমৰ প্ৰথমখন গ্ৰন্থমেলাৰ প্ৰধান উদ্যোক্তা আছিল

## বিশিষ্ট শিক্ষাবিদ-সাংবাদিক ড° আবু হানিফাৰ বিয়োগ



**বিশেষ সংবাদদাতা**
**নগাঁও, ১ এপ্ৰিল ঃ** ৰাজ্যৰ প্ৰথমখন গ্ৰন্থমেলাৰ অন্যতম প্ৰধান উদ্যোক্তা, নগাঁৱৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট সাংবাদিক, লেখক, সমাজকৰ্মী ড° আবু হানিফা (৬৯)ৰ আজি পুৱা প্ৰায় ছয় বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। প্ৰায় এমাহ *আঠ পৃষ্ঠাত চাওক*

## ভোটদানৰ কৰ্তব্যৰ পৰা বিৰত থাকিল মহন্তসহ পৰিয়ালবৰ্গ



**বিশেষ সংবাদদাতা**
**নগাঁও, ১ এপ্ৰিল ঃ** দুই-এটা বিক্ষিপ্ত ঘটনা আৰু কে'বাটাও ইভিএম বিকল হোৱাৰ ঘটনাৰ বাহিৰে আজি নগাঁৱৰ তিনিটা সমষ্টি ক্ৰমে নগাঁও সদৰ, ৰহা আৰু বৰহমপুৰত দ্বিতীয় পৰ্যায়ৰ *আঠ পৃষ্ঠাত চাওক*

### অস্বাভাৱিক পৰিস্থিতিত পূজা-পাতল, বিভিন্ন স্থানত তেজৰ চেকুৰা

## নৰবলিৰ প্ৰস্তুতি! সোণাৰিত ৰহস্যজনক অৱস্থাত তান্ত্ৰিকসহ গ্ৰেপ্তাৰ সাতজন

**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ১ এপ্ৰিল ঃ** অন্ধবিশ্বাসৰ বলি হৈ গুপ্তধনৰ আশাত বিভিন্ন জীৱ-জন্তু বলি দিয়া কাৰ্যত সোণাৰিৰ এক তান্ত্ৰিক দম্পতীসহ মুঠ সাতজনক আৰক্ষীয়ে আটক কৰিছে। স্থানীয় লোকৰ সহযোগত



আটকাধীন লোককেইজনে নৰবলিৰ প্ৰস্তুতি চলোৱাৰো অভিযোগ উঠিছে। যোৱা নিশা এক ৰহস্যজনক অৱস্থাত স্থানীয় লোকে তান্ত্ৰিক দম্পতীক প্ৰত্যক্ষ কৰাৰ পাছতে আৰক্ষীক খবৰ দিয়ে। স্থানীয় লোকে *ছয় পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ১৮° |
| ডিব্ৰুগড় | ২৯° | ১৭° |
| দিল্লী | ৩৬° | ১৮° |
| কলকাতা | ৩৮° | ২৮° |
| মুম্বাই | ৩৩° | ২৬° |
| চেন্নাই | ৩৭° | ২৬° |
| বাংগালুৰু | ৩৩° | ২১° |
| শ্বিলং | ২০° | ১৩° |

*১ এপ্ৰিল, ২০২১*

### ■ সোনাই সমষ্টিত বিজেপি প্ৰাৰ্থীক আক্ৰমণ এআইইউডিএফৰ ঃ আহত তিনি দেহৰক্ষী

## বিভিন্ন ভোটকেন্দ্ৰত ই ভি এম বিকল, শূন্যলৈ গুলিচালনাৰে উত্তপ্ত পৰিস্থিতি

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**কৰিমগঞ্জ/ডিব্ৰুগড়/মঙলদৈ/ওদালগুৰি/ডিফু/মৰিগাঁও/হোজাই/কচুৱা/বাইহাটা চাৰিআলি/কাজলগাঁও, ১ এপ্ৰিল ঃ** ৰাজ্যত আজি সমাপ্ত হোৱা দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ। দুই-এক স্থানত অপ্ৰীতিকৰ পৰিস্থিতিৰ উদ্ভৱ ঘটিলেও সামগ্ৰিকভাৱে শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ সমাপ্ত হয়। অৱশ্যে কৰিমগঞ্জ জিলাৰ সোনাই সমষ্টিত নিৰ্বাচনী হিংসাৰ ফলত উত্তেজনাৰ উদ্ভৱ হয়। আন কিছুমান ভোটকেন্দ্ৰতো কিছু পৰিমাণে উত্তপ্ত পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ বাতৰি আহিছে। সেইদৰে বিভিন্ন ভোটকেন্দ্ৰত ইভিএম যন্ত্ৰৰ বিসংগতি বা বিকল হোৱাৰ বাবে ভোটাৰৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। একাধিক স্থানত নিৰ্বাচনী বিষয়া *সাত পৃষ্ঠাত চাওক*




## শ্ৰদ্ধাঞ্জলি

জন্ম ঃ ১৯৩৫ ইং চন



মৃত্যু ঃ ২০২০ ইং চন

**স্বৰ্গীয় অনুপমা দেৱ্যা**

সৰবৰহী মোৰ মৰমৰ আইতা প্ৰয়াত অনুপমা দেৱ্যাৰ প্ৰথম মৃত্যু বাৰ্ষিকীত স্মৰণ।

মই আইতাক যেতিয়াৰ পৰাই লগ পাইছো তেতিয়াৰ পৰাই আইতাক দেখিছো এগৰাকী ধৰ্মপৰায়ণা আৰু সমাজসেৱিকাৰ ৰূপত। আইতাৰ মুখেৰে শুনিছিলো, তেওঁ ১২ বছৰ বয়সত ১৯৪৭ত বাক্সা জিলাৰ তামুলপুৰ মহকুমাৰ ঘোগাপাৰ নিবাসী মোৰ ককা প্ৰয়াত নৰেন্দ্ৰ নাথ শৰ্মা (লাট গাওঁবুঢ়া)ৰ লগত বিবাহপাশত আৱদ্ধ হয়। পিছলৈ আইতাই ঘোগাপাৰ গাঁৱৰ মহিলা সমিতি প্ৰতিষ্ঠা কৰাৰ লগতে প্ৰায় সাত বছৰ ধৰি তামুলপুৰ আঞ্চলিক মহিলা সমিতিৰ পদ অলংকৃত কৰিছিল। আইতাই সৰু ল'ৰা-ছোৱালীৰ বসন্ত ৰোগ হ'লে আইনাম, ধাইনাম, পানী জৰা আদি দি সহায় কৰিছিল। আইতাই প্ৰায়েই এযাৰ কথা কৈছিল— 'কৰ্মই মূল ধৰ্ম।' মানুহে কৰ্ম কৰি যাব লাগে।

আইতা খুবেই মৰমিয়াল আছিল। আজি আইতাৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে পৰিয়ালবৰ্গৰ লগতে মই আইতাক আন্তৰিক শ্ৰদ্ধাৰে সোঁৱৰিছো, যাতে তেওঁ য'তে আছে কুশলে থাকক।

ইতি—
প্ৰিয়ংকা দেৱী (নাতিনী)
যুগশ্ৰীনগৰ

# বিজেপিয়ে ধৰ্মৰ নামত ৰাজনীতি কৰে ঃ সাংসদ গৌৰৱ গগৈ

## চেঙা-বহৰি-বাঘবৰ-সৰুক্ষেত্ৰীত নিৰ্বাচনী সভা

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা বৰপেটা/আলোপতি/মন্দিয়া/কয়াকুছি, ১ এপ্ৰিল ঃ** তৃতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে আজি বৰপেটা জিলাৰ চেঙা, বাঘবৰ আৰু সৰুক্ষেত্ৰী সমষ্টিৰ নিৰ্বাচনী প্ৰচাৰ চলায় কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে। কলিয়াবৰ লোকসভা সমষ্টিৰ সাংসদ গগৈয়ে আজি চেঙা সমষ্টিৰ কাছুমাৰাত দলীয় প্ৰাৰ্থী শুকুৰ আলী আহমেদৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। পাছত পুনৰ সমষ্টিটোৰ বহৰিত আন এক নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি বিজেপিৰ বিৰুদ্ধে সৰৱ হৈ পৰা যুৱনেতাজনে কয় যে বিজেপিয়ে ধৰ্মৰ নামত ৰাজনীতি কৰে। মন্দিৰৰ নামত ভোট বিচাৰে। হিমন্ত বিশ্ব শৰ্মাই ৰাজকৰ্মী পাহৰিছে। গৰুক লৈ ৰাজনীতি কৰা বিজেপি নেতৃত্বাধীন চৰকাৰে কিয় আজি পৰ্যন্ত ৰাজ্যত গৰুৰ ছিণ্ডিকেট বন্ধ কৰিব পৰা নাই বুলিও প্ৰশ্ন কৰে। মহাজোঁটৰ চৰকাৰ হ'লে প্ৰতিখন জিলাতে এটাকৈ গোশালা স্থাপনৰ প্ৰতিশ্ৰুতি দিয়ে সাংসদজনে। আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ বিৰুদ্ধে সৰৱ হৈ তেওঁ কয়, 'কৰ'না কালত যেতিয়া কৰ'নাৰ নামত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এটা বিশেষ সম্প্ৰদায়ৰ লোকক হাৰাশাস্তি কৰিছিল আৰু দলগাঁৱৰ খেতিয়কক অপমানসূচক মন্তব্য কৰিছিল, তেতিয়া মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ক'ত আছিল।' কংগ্ৰেছৰ পাঁচটা গেৰাণ্টীৰ কথা উল্লেখ কৰি তেওঁ ৰাইজক শান্তিৰক্ষা, সংস্থাপনৰ সুৰক্ষা, অসম আন্দোলন সুৰক্ষিত ৰখাৰ বাবে কংগ্ৰেছক ভোট দিবলৈ ৰাইজক আহ্বান জনাই গগৈয়ে কয় যে বৰ্তমানৰ চৰকাৰ অহংকাৰী। বিজেপি চৰকাৰৰ বেছি আয়ুস নাই। বিজেপিৰ ভৰিৰ তলৰ মাটি নোহোৱা হৈছে। আনহাতে, সৰভোগৰ পৰা আহি পাটাছাৰকুছিত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত দাসক পলৰীয়া আখ্যা দিয়ে। সমষ্টিটোত চিপিএমৰ ভয়ত তেওঁ পলাই যাবলগীয়া হোৱা বুলি দাবী কৰে। আনহাতে, এআইইউডিএফৰ মুৰব্বী আজমলে মঞ্চত গামোচা দলিওৱা সন্দৰ্ভত তেওঁ কয় যে আজমলে এই সন্দৰ্ভত স্পষ্টীকৰণ দিব লাগে।

আনহাতে, বাঘবৰ বিধানসভা সমষ্টিতো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে কংগ্ৰেছৰ যুৱ সাংসদজনে। সমষ্টিটোৰ সত্ৰকণৰা চাচৰা উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত সভাত দলীয় প্ৰাৰ্থী শ্বেৰমান আলী আহমেদৰ হৈ প্ৰচাৰ চলাই কয় যে চৰ চাপৰিত উন্নত আৰু আধুনিক শিক্ষাৰ প্ৰতিষ্ঠান গঢ়া হ'ব। তদুপৰি চৰ অঞ্চলৰ লোকক ভূমিপট্টা প্ৰদানৰ লগতে এন আৰ চিৰ নামত বিজেপি চৰকাৰে কৰা হাৰাশাস্তি বন্ধ কৰা হ'ব। আনহাতে, সমষ্টিটোৰ সুখঝৰতো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে সাংসদ গগৈয়ে। মন্দিয়া ব্লক কংগ্ৰেছৰ উদ্যোগত আয়োজিত সভাত সমষ্টিটোৰ দলীয় প্ৰাৰ্থী শ্বেৰমান আলী আহমেদেও বক্তব্য ৰাখে।

আনহাতে, সৰুক্ষেত্ৰী সমষ্টিৰ দলীয় প্ৰাৰ্থী জাকিৰ হুছেইন শিকদাৰৰ হৈ সমষ্টিটোত বৰবালাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে গগৈয়ে। সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে এটা সন্মানজনক স্থান পাব বুলি উল্লেখ কৰি কয় যে তেওঁক ভাল পায় বাবে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে প্ৰচাৰ চলাবলৈ আহিব। আনহাতে, সৰুক্ষেত্ৰী কংগ্ৰেছ প্ৰাৰ্থী জাকিৰ হুছেইন শিকদাৰে মিত্ৰদল এআইইউডিএফৰ বিৰুদ্ধে সৰৱ হৈ পৰে। আজমলে তেওঁৰ বিৰুদ্ধে কৰা মন্তব্যৰো বিৰোধিতা কৰে।

ইফালে, আজি সাংসদদ্বয় প্ৰদ্যুৎ বৰদলৈ আৰু আব্দুল খালেকে বকো, চেঙা আদিত নিৰ্বাচনী প্ৰচাৰ চলায়।

**জ্যোতিষ**

১০০% Guarantee সহ আপোনাৰ সমস্যা যিমানে কঠিন নহওক কিয় বা যিমানে জটিল নহওক সমাধান পাবই। মায়ং প্ৰশিক্ষিত জ্যোতিষী। D. Sarmah, (M) 80993-36044

**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

Format C-1

**Declaration about criminal cases**

*(As per the judgement dated 25th September, 2018, of Hon'ble Supreme Court in WP (Civil) No.-536 of 2011 (Public Interest Foundation & Ors. Vs. Union of India & Anr.)*

Name and address of candidate : **DIPAK KUMAR RABHA**
**S/O- LATE TARUN CHANDRA RABHA**
**RESIDENT OF VILL-MAJUBORGUM**
**P.O: & P.S.-DUDHNOI**
**DIST.: GOALPARA, ASSAM**

Name of Political party : **INDEPENDENT CANDIDATE**
Name of Election : **ASSAM LEGISLATIVE ASSEMBLY**
Name of Constituency : **36 DUDHNOI (ST) CONSTITUENCY.**

I, **DIPAK KUMAR RABHA**, a candidate for the above mentioned election, declare for public information the following details about my criminal antecedents :

(A) Pending criminal cases

| SL NO | Name of Court | Case No. And dated | Status of case(s) | Section(s) of Acts concerned and brief description of offence(s) |
|---|---|---|---|---|
| 1. | CHIEF JUDICIAL MAGISTRATE | G.R. NO- 1984/ 14 DATED: 2014 | UNDER TRIAL | U/S- 143/ 323/ 427/506 IPC. DESCRIPTION: ALLEGATION OF ASSAULT & MISCHIEF |
| | NIL | NIL | NIL | NIL |
| | NIL | NIL | NIL | NIL |

(B) Details about cases of conviction for criminal offences

| SL NO | Name of Court | Name of court & date(s) of order(s) | Description of offence(s) & Punishment imposed | Maximum Punishment Imposed |
|---|---|---|---|---|
| | NIL | NIL | NIL | NIL |
| | NIL | NIL | NIL | NIL |
| | NIL | NIL | NIL | NIL |

DIPAK KUMAR RABHA

**Self Declaration about Criminal cases**

**(As per the judgment dated 25th September, 2018, of Hon'ble Supreme Court in WP (Civil) No. 536 of 2011 (Public Interest Foundation & Ors. Vs. Union of India & Anr)**

Name and address of candidate : Dulu Ahmed
Resident of Sarudampur No. 2, PS : Hajo,
Sub-Division : Kamrup,
District : Kamrup, Pin : 781102, Assam

Name of Political Party : Assam Jatiya Parishad
Name of Election : Assam Legislative Assembly Election, 2021
* Name of Constituency : 55 Hajo Legislative Assembly Constituency

I, Dulu Ahmed, a candidate for the above mentioned election, declare for public information the following details about my criminal antecedent.

(A) Pending criminal cases

| Sl. No. | Name of Court | Case No. and dated | Status of case(s) | Section(s) of Acts concerned and brief description of offence(s) |
|---|---|---|---|---|
| 1 | Garchuk Police Station | Garchuk P.S. Case No. 11/2020 | Under investigation | Under section 143/294/427/506 IPC Description – Falsely alleging of defaming in public with obsence words and criminal intimidation. |
| 2 | Hajo Police Station | Hajo P.S. Case No. 36/2020 | Under investigation | Under section 143/294/447/427/507 IPC R/w sec. 67 of I.T. Act. Description– Falsely alleging of defaming in public with obscene words. |
| 3 | Hajo Police Station | Hajo P.S. Case No. 40/2020 | Under investigation | Under section 120(B)/420/468/471/506 IPC R/w sec. 67 of I.T. Act Description – Falsely alleging of cheating and defaming. |
| 4 | Hajo Police Station | Hajo P.S. Case No. 46/2020 | Under investigation | Under section 120(B)/506 IPC Description – Falsely alleging of cheating. |
| 5 | Bharalumukh Police Station | Bharalumukh P.S. Case No. 456/2020 | Under investigation | Under section 406/420/34 IPC Description – Falsely alleging of criminal intimidation |
| 6 | Dispur Police Station | Dispur P.S. Case No. 1791/2020 | Under investigation | Under section 294/500/507 IPC R/w section 67 of I.T. Act Description – Falsely alleging of defaming in public |
| 7 | Hatigaon Police Station | Hatigaon P.S. Case No. 436/2020 | Under investigation | Under section 509/500 IPC R/w section 67 of I.T. Act Description – Falsely alleging of defaming in public |
| 8 | Sualkuchi Police Station | Sualkuchi P.S. Case No. 129/2020 | Under investigation | Under section 500 IPC R/w sec. 67 of I.T. Act Description – Falsely alleging of defaming in public |
| 9 | Bhangagarh Police Station | Bhangagarh P.S. Case No. 362/2020 | Under investigation | Under section 294/500 IPC Description – Falsely alleging of defaming in public |
| 10 | Bhangagarh Police Station | Bhangagarh P.S. Case No. 35/2021 | Under investigation | Under section 509/500 IPC Description – Falsely alleging of defaming in public |

(B) Details about cases of conviction for criminal offences

| Sl. No. | Name of Court & dete(s) of order(s) | Description of offences(s) & punishment imposed | Maximum Punishment Imposed |
|---|---|---|---|
| 1 | Nil | Nil | Nil |

I, hereby declare that the information furnished above is true to the best of my knowledge and that I have disclosed all material information relevant to the above mentioned order of the Hon'ble Supreme Court of India.

Sd/-
**Dulu Ahmed**

**ANNEXURE 51**
(CHAPTER 5, PARA 5.16.5)
**FORMAT C-1**

Declaration about Criminal Cases

(As per the judgment dated 25th September, 2018, of Hon'ble Supreme Court in WP (Civil) No. 536 of 2011 (Public Interest Foundation & **Ors. Vs. Union of India & Anr.)**

Name and address of candidate : **ATUL BORA**
Hatigarh Hill Side, Karbi Path, P.O: Bamunimaidam P.S. : Geetanagar, Guwahati-21, Dist: Kamrup (M)

Name of political party : **BHARATIA JANATA PARTY (BJP)**
*(Independent candidates should write "Independent" here)*
Name of Election : **ASSAM LEGISLATIVE ASSEMBLY ELECTION 2021**
* Name of Constituency : **NO. 52, DISPUR**

I **Atul Bora** (Name of candidate), a candidate for the above mentioned election, declare for public information the following details about my criminal antecedents :

| Sl. No. | Pending criminal cases | | | Details about cases on conviction for criminal offences | |
|---|---|---|---|---|---|
| | **Name of Court** | **Case No. and status of case** | **Section(s) of Acts concerned and brief description of offences(s)** | **Name of Court & date(s) of order(s)** | **Description of offences(s) & punishment imposed** |
| 1 | **JMFC Cum Munsiff No. 4** | **C.R. No. 1397/2017 Pending** | **U/S 500 IPC /Criminal Defamation** | **Nil** | **Nil** |

* In the case of election to Council of States or election to Legislative Council by MLAs, mention the election concerned in place of name of constituency.

## আজিৰ দিনটো



কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

**১৯ চ'ত শুকুৰবাৰ ২ এপ্ৰিল**

**সূৰ্যোদয় ঃ** ঘঃ ৫।১৯।৩৮ **সূৰ্যাস্ত ঃ** ঘঃ ৫।৩৪।১৮। **তিথি ঃ** কৃষ্ণা পঞ্চমী দং ১৯।৪৫।৩৫ ঘঃ ১।১৩।৫২। **নক্ষত্ৰ ঃ** অনুৰাগ, দং ৭।৫৯।৫৩ ঘ ৮।৩১।৩৫। **যোগ**-অসৃক দঃ ৪।৫৪।৩০ ঘঃ ৭।১৭।২৬, ব্যতীপাত, দং ৫৭।২৯।১৭ ৰাঘ ৪।৫।২১ **কৰণ ঃ** তৈতিল। **জন্মত ঃ** বৃশ্চিকৰাশি, বিপ্ৰবৰ্ণ, দেৱগণ, হৰিণৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী আৰু বিংশোত্তৰী বুধৰ দশা। ঘঃ ৭।১৭।২৬ যোৱাত দেৱাৰিগণ বুধৰ দশা। **আদ্যঋতু হ'লে ঃ**। তিনিদিনীয়া পতিহীনা যোগ। **মৰণত দোষ ঃ** নাই। **যোগিনী**- দক্ষিণত, ঘ ১।১৩।৫২ যোৱাত পশ্চিমত। **যাত্ৰা ঃ** শুভ দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষ্যাভক্ষ্য ঃ** বেল, ঘ ১।১৩। ৫২ যোৱাত নিমতিতা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** মনত কিছু অহেতুক চিন্তাই ঠাই ল'লেও আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। সাহস আৰু দক্ষতা সমভাৱে লাভ কৰিব উপকৃত হ'ল। কৰ্মস্থানত আনন্দ। প্ৰেমত আনন্দ।

**বৃষ ঃ** বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ ইংগিত পাব। বিয়া-বাৰু বা উৎসৱ আদিত যোগদান কৰক। মাতৃৰ শৰীৰ চিন্তা। আৰ্থিকত ব্যয় বৃদ্ধি পাব। ব্যৱসায়ত মধ্যম।

**মিথুন ঃ** মধ্যম দিন হ'লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ'ব। দায়িত্বপূৰ্ণ কামত মাংগিলক কৃতকাৰ্য হোৱাৰ সম্ভাৱনা। বিদ্যাত শুভ ফল। শৰীৰ মধ্যম।

**কৰ্কট ঃ** সহযোগীৰ সহায়ত উৎসাহ পাব। প্ৰতাৰকৰ বাবে দুশ্চিন্তা থাকিব। কৰ্মস্থানত আয় বৃদ্ধি কাৰক। নতুন কোনো উদ্দেশ্যেত সফল হ'ব। প্ৰেমত নিৰাশা।

**সিংহ ঃ** আচৰিত কথাৰ সম্ভেদ পাব। আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ'ব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক। ঘৰুৱা শুভ।

**কন্যা ঃ** মজলীয়াভাৱে দিনটো পাৰ হ'ব। কৰ্মক্ষেত্ৰত সহকৰ্মীৰ অলপ সতৰ্ক থকাটো উচিত হ'ব। প্ৰেমপ্ৰীতিত উদাস চিন্তা। পঢ়াত মধ্যম। দাম্পত্য জীৱন পূৰ্বনুৰূপ।

**তুলা ঃ** শৰীৰ পূৰ্বৰ তুলনাত আশাপ্ৰদ। আগতে ভবা কথা আৰু কামৰ লগত আনৰ বিভেদ থাকিব। উচ্চ বিদ্যাত সাফল্য লাভ। আৰ্থিখ, আয়ু বৃদ্ধি পাব। কোনো প্ৰিয় লোকৰ যোগাযোগত আনন্দ।

**বৃশ্চিক ঃ** ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কিছু উচ্চ চিন্তা থাকিব আৰু সফলতাও পাব। কৰ্মস্থানত উন্নত আশা নকৰাই ভাল। পঢ়াত মনোনিবেশ কৰিব। ভ্ৰমণত সাৱধান।

**ধনু ঃ** দিনটোত পাৰিপাৰ্শ্বিক বাধা-বিঘিনিৰ কাৰণে মনটো গধুৰ হৈ থাকিব। শৰীৰৰ প্ৰতি আওকাণ নকৰিব। কৰ্মত খ্যাতি বুদ্ধিৰ যোগ। পিতৃৰ পৰা সহানুভূতি লাভ কৰিব।

**মকৰ ঃ** কৰ্মত মজলীয়া প্ৰভাৱ পৰিব। নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ'ব। বিদ্যাত ধৈৰ্য ধৰক। পাৰিবাৰিক সামান্য উৎকণ্ঠা দেখা যায়। ভ্ৰমণত দ্ৰব্য লাভ কৰিব। ব্যৱসায়ত আশাপ্ৰদ উন্নতিৰ যোগ।

**কুম্ভ ঃ** নিজৰ উদ্দেশ্য সাধনত ব্ৰতী হওক। কৰ্মত দক্ষতা থাকিব। ব্যৱসায়-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়। পঢ়া-শুনাত শুভ। পিতৃ-মাতৃৰ চিন্তা।

**মীন ঃ** যত্নৰ দ্বাৰা বিদ্যাত সাফল্য লাভ। আৰ্থিকত ব্যয় বৃদ্ধি পাব। কোনো দূৰ বাৰ্তাত আনন্দ লাভ, বেংক কৰ্মচাৰীৰ শুভ। কোনো কাৰণত মন চঞ্চল থাকিব। প্ৰেমত শুভ।

## শব্দ-বেহু ঃ ২ এপ্ৰিল২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**

১। অপকৰ্মৰ পৰা হোৱা বেয়া নাম, বদনাম (৪)
৪। মেখেলা,আঁৰ কাপোৰ আদিৰ তলফালে মোকোটাই সী দিয়া অংশ (৩)
৬। বস্তু বেচা-কিনাৰ বাবে বহু মানুহৰ সমাগম হোৱা ঠাই , বজাৰ (২)
৭। গলগ্ৰহ, এৰিবও নোৱৰা ধৰিবও নোৱৰা আপদ (৪)
৯। ছয় ৰতিৰ ওজন, এটকাৰ ষোল্ল ভাগৰ এভাগ (২)
১১। মাটি অংশ, ভূমি, বাম ঠাই (২)
১২। ডাঙৰ চিঞৰ, গৰ্জন, উচ্চ শব্দ (৩)
১৩। মতা গৰু পোৱালি (৩)
১৬। শিৰ, ভগ্নাংশৰ এটা ৰাশি (২)
১৭। ওজন জুখিবৰ বাবে তৰ্জুৰ এফালে দি লোৱা ধাতুৰ খণ্ড (২)
১৮। বহনকাৰী, দীঘলীয়া পাতেৰে ঢাপত হোৱা এবিধ ঔষধি গছ (৩)
২০। বীণৰ দৰে বজোৱা এবিধ তাঁৰৰ বাদ্য, হুকুমা টেঙা (৩)
২১। উদক, সলিল (২)
২৪। কাম,সকাম, কৰ্ম (২)
২৫। মেকুৰীৰ দৰে দেখিবলৈ এবিধ বনৰীয়া জন্তু (৪)
২৬। সপ্তাহৰ সপ্তমটো বাৰ, হিন্দুসকলৰ এজন দেৱতা (২)
২৮। গুটি নপচোৱাকৈ নিজে নিজে গজা (৩)
২৯। মনৰ অভিপ্ৰায়, উদ্দেশ্য (৪)

**থিয়কৈ ঃ**

২। আঙুলিৰ পাব উখহি বেদনা হোৱা ৰোগ, গগলা (২)
৩। অযোধ্যাৰ এজন সূৰ্য্যবংশীয় ৰজা আৰু ৰামৰ পিতৃ (৪)
৪। মিহলোৱা বস্তুটো পৰিমাণত কম হোৱা, গাম্ভীৰ্য্য নথকা (৩)
৫। অৱহেলা, আদৰ-যত্নৰ অভাৱ, আওকাণ (৪)
৬। হস্ত, মণিবন্ধৰ পৰা আঙুলিৰ মূৰলৈকে অংশটো (২)
৮। বস্তু-বাহানি, মল্লবীৰ (২)
৯। অকাৰণ, কোনো হক বা গৰজ নোহোৱাকৈ (৪)
১০। শ্বাস-প্ৰশ্বাস, ভীতি প্ৰদৰ্শনেৰে দিয়া ডাবি-ধমকি (২)
১৩। আনক ঠগি ফুৰা, বৰ দুষ্ট (৪)
১৪। কপিৰথ, কৌশল্যানন্দন, জানকীনাথ (২)
১৫। কথা কব নোৱাৰা (২)
১৭। প্ৰয়োজন, আৱশ্যক, গৰজ (৪)
১৯। উচিত, যুক্তি থকা, অধিকাৰ (২)
২১। এবিধ সুগন্ধী ধান আৰু তাৰ চাউল (২)
২২। থোপা-থোপে ওলমি থকা (৪)
২৩। আকৰ,মাটিৰ তলত ধাতু, তৰল পদাৰ্থ আদি সঞ্চিত হৈ থকা ঠাই (২)
২৫। পিতৃ পৰিচয়হীন সন্তান (৩)
২৭। বস্তুৰ অধোভাগ, আনৰ অধীন অৱস্থা (২)

**উত্তৰ অহা সংখ্যাত**

**০১ এপ্ৰিল২০২১ সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ১। বদনাম ৩। বকচিচ ৫। হৰতাল ৬। শাৰী ৭। ৰাগ ৯। দীঘল ১১। পদানত ১৩। লাদ ১৪। ৰাইজ ১৬। নকল ১৮। মাত্ৰ ১৯। গৰমিল ২১। খেতৰ ২৩। ৰগ ২৫। গতি ২৬। মাতব্বৰ ২৭। খানদান২৮। মহাজন
**থিয়কৈ ঃ** ১ । বহুপদী ২। মহৰী ৩। বলৰান ৪। চিকৰা ৬। শাল ৮। গৰজ ১০। ঘনক ১১। পদ ১২। তৰা ১৫। ইজ্জত ১৬। নগৰ ১৭। লগ ১৮। মাল২০। ৰহমান ২১। খেতি ২২। ৰমজান ২৪। গমন ২৫। গৰম

# যমুনামুখ সমষ্টিত ভোটদান শান্তিপূৰ্ণ

## তিনিটাকৈ ভোটকেন্দ্ৰত ইভিএমৰ বিসংগতি

অগ্ৰদূত বাৰ্তা

**যমুনামুখ/হোজাই/লংকা, ১ এপ্ৰিল ঃ** ৰাজ্যত প্ৰথম পৰ্যায়ৰ ৪৭ টা সমষ্টিত নিৰ্বাচন সম্পন্ন হোৱাৰ পাছতে আজি ৰাজ্যৰ ৩৯ সমষ্টিৰ ৩৪৫ গৰাকী প্ৰাৰ্থীৰ ভাগ্য বন্দী হ'ল ইভিএমত। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ ৩৯ টা সমষ্টিৰ ভিতৰত হোজাই জিলাৰ তিনিটা সমষ্টি ক্ৰমে ৯০ নম্বৰ যমুনামুখ বিধানসভা সমষ্টি, ৯১ নম্বৰ হোজাই আৰু ৯২ নম্বৰ লামডিং বিধানসভা সমষ্টিত আজি পুৱাৰে পৰা শান্তি-শৃংখলভাৱে অনুষ্ঠিত হয় দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ। হোজাই জিলাৰ তিনিওটা সমষ্টিৰ মুঠ ৯৯২ টা ভোটকেন্দ্ৰত জিলাখনৰ পুৰুষ মহিলাসহ ছয় পৃষ্ঠাত চাওক




# বাগ্‌সাত ৫,৩৩,৫৯৪ ভোটাৰে নিৰ্ণয় কৰিব ২২গৰাকী প্ৰাৰ্থীৰ ভাগ্য

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ অন্তৰ্গত তিনিটা বিধানসভা সমষ্টিত অহা ছয় এপ্ৰিলত অনুষ্ঠিত হ'ব ভোটগ্ৰহণ। ইয়াৰ বাবে সম্পূৰ্ণ সাজু হৈছে জিলা প্ৰশাসন। জিলাখনৰ তিনিটা সমষ্টি ক্ৰমে তামুলপুৰ, বৰমা আৰু ছাপাগুৰি সমষ্টিত অনুষ্ঠিত হ'ব ভোট। জিলাখনত মুঠ ভোটগ্ৰহণ কেন্দ্ৰ হ'ল ৭৮৮টা। ভোটাৰৰ সংখ্যা মুঠ ৫,৩৩,৫৯৪। তাৰে পুৰুষ ভোটাৰ ২,৭০,৯৫৩ আৰু মহিলা ভোটাৰ হ'ল ২,৬২,৬৪১। সমষ্টি অনুসৰি তামুলপুৰ বিধানসভা সমষ্টিত মুঠ ভোটাৰ ২,১০,৩৭৯। ইয়াৰে পুৰুষ ভোটাৰ ১,০৭,২৫৭জন আৰু মহিলা ভোটাৰ ১,০৩,১২২গৰাকী। সমষ্টিটোত ভোটগ্ৰহণ কেন্দ্ৰ আছে ৩০৮টা। বৰমা বিধানসভা সমষ্টিত মুঠ ভোটাৰ আছে ১,৬৫,৮৪৭।

বিধানসভা নিৰ্বাচন ২০২১

ইয়াৰে পুৰুষ ভোটাৰ ৮৪,৮১৮ আৰু মহিলা ভোটাৰ ৮১,০২৯গৰাকী। ভোটগ্ৰহণ কেন্দ্ৰ ২৪৪টা। একেদৰে ছাপাগুৰি বিধানসভা সমষ্টিত মুঠ ভোটাৰ ১,৫৭,৩৬৮গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ ৭৮,৮৭৮ আৰু মহিলা ভোটাৰ ৭৮,৪৯০গৰাকী। ভোটগ্ৰহণ কেন্দ্ৰ আছে ২৩৬টা। জিলা প্ৰশাসনে ভোটগ্ৰহণৰ সুবিধাৰ্থে চাই সমগ্ৰ জিলাখনক ১৯টা জ'ন আৰু ৭৬টা ছেক্টৰত ভাগ কৰিছে। জিলাখনত মুঠ ৩,৭৮২গৰাকী ছয় পৃষ্ঠাত চাওক

# বোকাজান বিধানসভা সমষ্টিত ভোটগ্ৰহণ শান্তিপূৰ্ণ



অগ্ৰদূত বাৰ্তা

**বোকাজান, ১ এপ্ৰিল ঃ** ৰাজ্যখনৰ দ্বিতীয় পৰ্যায়ৰ নিবাচনত কাৰ্বি আংলঙৰ অন্যতম বোকাজান বিধানসভা সমষ্টিৰ ভোটদান শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। বাতৰি লিখাৰ সময়লৈকে সমষ্টিটোত ভোটদানৰ হাৰ প্ৰায় ৭৭ শতাংশ বুলি জানিব পৰা গৈছে যদিও দুৰ্গম অঞ্চলৰ সঠিক তথ্য আহি নোপোৱাত ভোটদানৰ হাৰ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। এইবাৰ বোকাজান সমষ্টিত মুঠ ভোটাৰ আছিল ১,৪৯,৯২৯গৰাকী। ইয়াৰে ৭৬,২০৭জন পুৰুষ আৰু ৭৩,৯২২গৰাকী মহিলা ভোটাৰ। সমষ্টিটোত মুঠ ২২৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ ১৭টা মহিলাৰ দ্বাৰা পৰিচালিত আৰু চাৰিটা আদৰ্শ ভোটকেন্দ্ৰ আছিল। বোকাজান বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা সাতগৰাকী প্ৰাৰ্থীৰ সমৰ্থনত পুৱাৰ পৰাই প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটাৰৰ দীঘলীয়া শাৰী পৰিলক্ষিত হৈছিল। ২০১৬ত বিজেপিৰ হৈ ডাঃ নোমল মমিন সমষ্টিটোৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। এইবাৰো তেওঁ সমষ্টিটোৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছে। এইবাৰ ছয় পৃষ্ঠাত চাওক

# তিনি পাৰ্বত্য জিলাৰ ৩৬গৰাকী প্ৰাৰ্থীৰ ভাগ্য বন্দী হ'ল ই ভি এমত

# ডিফুত ৭১.৩৮, হাফলঙত ৬৯ শতাংশ ভোটদান



নলবাৰীৰ এটা ভোটকেন্দ্ৰত ভোটাৰৰ দীঘলীয়া শাৰী, বৃহস্পতিবাৰে।

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ১ এপ্ৰিল ঃ** তিনি পাৰ্বত্য জিলাৰ দুই স্বায়ত্ত পৰিষদৰ অধীনস্থ অসম বিধানসভাৰ পাঁচখনকৈ আসনৰ ভোটদান পৰ্ব বিয়লি ছয় বজাত শান্তিপূৰ্ণভাৱে সামৰণি পৰে। জিলাখনৰ পাঁচখনকৈ আসনৰ বাবে ৩৬গৰাকীকৈ প্ৰাৰ্থীয়ে নিৰ্বাচনৰ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। আজি কিছু কিছু ভোটগ্ৰহণ কেন্দ্ৰত ম'ক প'লৰ সময়ত কিছু ই ভি এম বিকল হয় যদিও ভোটদান পৰ্ব পুনৰ ধাৰাবাহিকভাৱে সফলতাৰে সম্পন্ন হয়। ইপিনে, জিলাখনত পুৱা সাত বজাৰ পৰা বিয়লি ছয় বজালৈ হোৱা ভোটদানৰ হাৰ হাফলঙত ৬৯ শতাংশ, ডিফুত ৭১.৩৮ শতাংশ, বোকাজানত ৭০.৫৬ শতাংশ, বৈঠালাংছ'ত ৬৮.৪৮ শতাংশ আৰু হাওৰাঘাটত ৬৮.৪০ শতাংশ ভোটদানেৰে জিলাবাসীয়ে ভোটাধিকাৰ সাব্যস্ত কৰে। পাৰ্বত্য জিলাখনত ভোটগ্ৰহণৰ পৰ্ব চলি থকাৰ মাজত হিংসা-প্ৰতিহিংসাৰে ডিমা হাছাও জিলাৰ দেহাংগি ভোটগ্ৰহণ কেন্দ্ৰত কংগ্ৰেছ-বিজেপিৰ সমৰ্থকৰ মাজত কিছু বিতৰ্কৰ সূত্ৰপাত হয় যদিও কোনো ধৰণৰ হিংসাত্মক ঘটনা পৰিলক্ষিত হোৱা নাই। ইফালে, ছয় পৃষ্ঠাত চাওক

# দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত নগাঁৱৰ তিনি সমষ্টিত ভোটদানৰ হাৰ ৭৯.৩৪ শতাংশ

বিশেষ সংবাদদাতা

**নগাঁও, ১ এপ্ৰিল ঃ** আজি দ্বিতীয় পৰ্যায়ত অনুষ্ঠিত নিৰ্বাচনত নগাঁও জিলাৰ তিনিটা সমষ্টিত ব্যাপক হাৰত ভোটাৰে ভোটদান কৰে। আজি সন্ধিয়া সাত বজা পৰ্যন্ত জিলাখনৰ ৮২ নম্বৰ সমষ্টিত ৭৮ শতাংশ, ৮৬ নম্বৰ নগাঁও সমষ্টিত ৮৩.১ শতাংশ আৰু ৮৭ নম্বৰ বঢ়মপুৰ সমষ্টিত ৭৭ শতাংশ ভোটাৰে নিজা ভোটাধিকাৰ সাব্যস্ত কৰে। সেই মৰ্মে জিলাখনৰ চাৰিটা সমষ্টিত ভোটদানৰ হাৰ ৭৯.৩৪ শতাংশ।

# নলবাৰীত ভোটদান শান্তিপূৰ্ণ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১ এপ্ৰিল ঃ** ৰাজ্যখনৰ ভিতৰতে অন্যতম সন্মানীয় আৰু গুৰুত্বপূৰ্ণ সমষ্টি হিচাপে পৰিচিত নলবাৰী বিধানসভা সমষ্টিত আজি অনুষ্ঠিত হয় বহু প্ৰত্যাশিত ভোটগ্ৰহণ পৰ্ব। সমষ্টিটোৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত ইভিএম বিকল হৈ কিছুসময় ভোটগ্ৰহণত ব্যাঘাত ঘটাৰ বাহিৰে সামগ্ৰিকভাৱে ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সমাপ্ত হয়। সমষ্টিটোৰ মুঠ ২৯৫টা ভোটগ্ৰহণ কেন্দ্ৰত ভোট গ্ৰহণ কৰা হয়। সন্ধিয়ালৈ ভোটদানৰ হাৰ ৮১.৫৩ শতাংশ। পুৱাৰে পৰা ভোটাৰসকলে ব্যাপক উৎসাহেৰে শাৰী পাতি তেওঁলোকৰ ভোটাধিকাৰ সাব্যস্ত কৰে। নিৰ্বাচনত অৱতীৰ্ণ হোৱা নলবাৰী সমষ্টিৰ প্ৰাৰ্থসকল হ'ল বিজেপিৰ জয়ন্তমল্ল বৰুৱা, কংগ্ৰেছৰ প্ৰদ্যুৎ কুমাৰ ভূঞা, অজাপৰ নগেন ডেকা, নিৰ্দলীয় কেশৱ বৰ্মন, এছইউচিআইৰ কেনেডী পেগু, তৃণমূল কংগ্ৰেছৰ গোপী বৰুৱা আৰু নিৰ্দলীয় অপূৰ্ব পাঠক। তেওঁলোকৰ ভিতৰত মূলতঃ বিজেপিৰ জয়ন্তমল্ল বৰুৱা, কংগ্ৰেছৰ প্ৰদ্যুৎ ছয় পৃষ্ঠাত চাওক

# কলিয়াবৰত ৩২,৩৫০ শিক্ষাৰ্থীয়ে লাভ কৰিব বিনামূলীয়া পাঠ্যপুথি

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১ এপ্ৰিল ঃ** 'এখন বিদ্যালয় এটা জাতিৰ চাবিৰেৰ। অসমীয়া জাতিৰ এক ক্ষুদ্ৰ সংস্কৰণ একো একোখন বিদ্যালয়। সমাজৰ ভৱিষ্যৎ ইয়াতে গঢ় লয়। কিন্তু আজিৰ দিনত চৰকাৰী বিদ্যালয়ৰ গৰিমাক ম্লান কৰাত এচাম উঠি পৰি লাগিছে। ইয়াত সকলোৱেই অৰিহণা যোগাইছে। আনকি চৰকাৰী বিদ্যালয়ত শিক্ষকতা কৰা শিক্ষকেও নিজৰ কৰ্মদক্ষতাৰ ওপৰতে ভৰসা নকৰি নিজ সন্তানক ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানত ভৰ্তি কৰোৱাইছে। মোৰ এক সমীক্ষা মতে চৰকাৰী বিদ্যালয়ৰ একাংশ শিক্ষকে নিজ কৰ্মকে অৱহেলা কৰি আহিছে আৰু এনে অৱহেলাৰ ফলত প্ৰতি ঘণ্টাত তেওঁ লাভ কৰা দৰমহাৰ ১৪ শতাংশ ধনৰো অপচয় হৈ আছে। এই সকলো দেখি-শুনি ক'ব পাৰি যে বৰ্তমান চৰকাৰী বিদ্যালয়ত শিক্ষাৰ্থীতকৈ শিক্ষকক নিয়ন্ত্ৰণ কৰা অতি জটিল কাৰ্য। যি সমাজৰ বাবে ক্ষতিকাৰক।' আজি কলিয়াবৰ শিক্ষা খণ্ডৰ পাঠ্যপুথি বিতৰণৰ আৰম্ভণি অনুষ্ঠানত এই মন্তব্য কৰে বিশিষ্ট শিক্ষাবিদ তথা কলিয়াবৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, সমালোচক ভূপেন শৰ্মাই। কলিয়াবৰ শিক্ষাখণ্ডৰ আন আন বিদ্যালয়ৰ লগতে চাহ বাগিচাৰ বিদ্যালয়সমূহকো সামৰি মুঠ ২৬৪খন বিদ্যালয়ৰ কে'বা সহস্ৰাধিক শিক্ষাৰ্থীক সামৰি পাঠ্যপুথি বিতৰণ অনুষ্ঠানৰ মুকলি কৰে কলিয়াবৰৰ মহকুমাধিপতি পংকজ কুমাৰ দাসে। অনুষ্ঠান মুকলি কৰি শিক্ষকসকলক উদ্দেশ্যি মহকুমাধিপতিয়ে সকলোকে নিৰ্দিষ্ট ছয় পৃষ্ঠাত চাওক

# এন আৰ এলৰ ম'বাইল ডিছপেন্সিং ভেহিকল, ফটঞ্জ'ৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১ এপ্ৰিল ঃ** প্ৰথমে গ্ৰাহকক অগ্ৰাধিকাৰ দিয়াৰ নীতিত বিশ্বাসী এন আৰ এলে এতিয়া পদূলিয়ে পদূলিয়ে ডিজেল যোগান ধৰাৰ কাৰ্যক্ৰমত নামি পৰিছে। এই ক্ষেত্ৰত উত্তৰ-পূব ভাৰতত তেনে সেৱা আগবঢ়োৱা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰূপে প্ৰথমটো তেল কোম্পানীৰ গৌৰৱ কঢ়িয়াই আনিছে এন আৰ এলে। আজি গুৱাহাটীত অনুষ্ঠিত এক উদ্বোধনী অনুষ্ঠানত এন আৰ এলৰ পৰিচালন সঞ্চালক এছ কে বৰুৱাই এন আৰ এলৰ ম'বাইল ডিছপেন্সিং ভেহিকল (এম ডি ভি)ৰ ফ্লিট 'ফটঞ্জ'ৰ মুকলি কৰে। লগতে এম ডি ভিৰ বাবে গ্ৰাহকৰ পঞ্জীয়নো চলাই নিয়া হয় আৰু পঞ্জীয়ন প্ৰমাণপত্ৰসমূহ এন আৰ এলৰ মহাপ্ৰবন্ধক (মাৰ্কেটিং) সুব্ৰত দাসৰ দ্বাৰা হস্তান্তৰ কৰা হয়। অনুষ্ঠানত পৰিচালন সঞ্চালক এছ কে বৰুৱাই কয় যে এন আৰ এলৰ কাৰণে গ্ৰাহকৰ সন্তুষ্টিয়েই হৈছে সৰ্বাধিক গুৰুত্বপূৰ্ণ বিষয় আৰু এম ডি ভি আৰম্ভণি হৈছে সেই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। লগতে তেওঁ কয় যে এম ডি ভিৰ আৰম্ভণিয়ে ছয় পৃষ্ঠাত চাওক

**এখন নৈৰ পাৰত বগা সাজ পৰিধান কৰি এখন গাঁৱৰ ৰাইজৰ প্ৰতিবাদ**

# কয়াকুছিত এখন দলঙৰ বাবে হাহাকাৰ গঞাৰ পূজা-অৰ্চনা



অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ১ এপ্ৰিল ঃ** দেশে স্বাধীনতা লাভৰ ৭৪ বছৰ অতিক্ৰম কৰাৰ পাছতো আজিও অনগ্ৰসৰ হৈ আছে এটি বৃহত্তৰ অঞ্চলৰ ৰাইজ। বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত হৈ আহিছে ৰাইজ। উল্লেখ্য যে বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ অতিকৈ অনগ্ৰসৰ ঠাই হিচাপে পৰিচিত বালাপাৰা বামুনকুছি গাঁৱৰ ৰাইজে এখন দলঙৰ বাবে হাহাকাৰ কৰিও চৰকাৰৰ গড়কাপ্টানী বিভাগৰ পৰা আজিও কোনো ধৰণৰ সুফল লাভ কৰিব পৰা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰজাঘৰীয়াৰ ছয় পৃষ্ঠাত চাওক

# হাজোত অজাপৰ নিৰ্বাচনী ইস্তাহাৰ মুকলি শতাধিকৰ যোগদান

অগ্ৰদূত বাৰ্তা

**হাজো, ১ এপ্ৰিল ঃ** বহু প্ৰতীক্ষাৰ অন্তত আজি হাজো অজাপই মুকলি কৰিলে নিৰ্বাচনী ইস্তাহাৰ। এই উপলক্ষে হাজো অজাপৰ বৰুৱাবাৰীস্থিত কেন্দ্ৰীয় কাৰ্যালয়ত অনুষ্ঠিত এক সভাত এই ইস্তাহাৰ মুকলি কৰে। অজাপ নেতা ৰমনী মালাকাৰৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰি অজাপৰ দলীয় প্ৰাৰ্থী দুলু আহমেদৰ পত্নী ৰজী আহমেদে কয় যে বৰ্তমান সময়ত হাজো-পটনিত নিৰ্মীয়মান পঞ্চতীৰ্থ শ্পিং কমপ্লেক্স ছয়শতকৈ অধিক নিৱনুৱা শিক্ষিত যুৱক-যুৱতীক কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি শৰীৰ চৰ্চা কেন্দ্ৰ স্থাপন, যোগাসন কেন্দ্ৰ স্থাপন, ক্ৰীড়াৰ অগ্ৰগতি, মহিলা সবলীকৰণ, শিক্ষা, স্বাস্থ্য আৰু সংস্থাপন, কৃষি, উদ্যোগ আৰু ব্যৱসায়ত মনোনিৱেশ, অৱসৰী আৰু বয়োজ্যেষ্ঠসকলৰ বাবে জাতীয় মিলন কেন্দ্ৰ স্থাপন, জিৰণি কেন্দ্ৰ, পুথিভঁৰাল, ইণ্ডোৰ গেমৰ ব্যৱস্থাকৰণ, প্ৰতিখন পঞ্চায়তত স্পোকেন ইংলিছ চেণ্টাৰ স্থাপন, পঞ্চতীৰ্থ তথা পোৱামক্কা দৰ্গাহক সামৰি সমষ্টিটোক টুৰিজিম হাবলৈ উন্নীতকৰণ, দমদমা মহাবিদ্যালয়ত বিজ্ঞান শাখা স্থাপন, গাঁওৰক্ষী ছয় পৃষ্ঠাত চাওক

# কঠিয়াতলিত ভোটদানৰ হাৰ ৭৭ শতাংশ

অগ্ৰদূত বাৰ্তা

**কঠিয়াতলি, ১ এপ্ৰিল ঃ** দ্বিতীয় পৰ্যায়ত আজি অনুষ্ঠিত নিৰ্বাচনত বঢ়মপুৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত কঠিয়াতলি অঞ্চলত ভোটগ্ৰহণ পৰ্ব শান্তিপূৰ্ণভাৱে সমাপ্ত হয়। অঞ্চলটোৰ নিজ কঠিয়াতলি পঞ্চায়ত আৰু নামবৰ লালুং গাঁও পঞ্চায়তৰ বিভিন্ন ভোটগ্ৰহণ কেন্দ্ৰৰ পৰা পোৱা তথ্য অনুসৰি পুৱাৰ ভাগত ভোট কেন্দ্ৰসমূহত দীঘলীয়া শাৰী পাতে ভোটাৰসকলে। আনহাতে, নিজ কঠিয়াতলি পঞ্চায়তৰ নিজ কঠিয়াতলি বালিকা প্ৰাথমিক বিদ্যালয়ৰ ১৪৮ নম্বৰ ভোটকেন্দ্ৰ আৰু নামবৰ লালুং গাঁও পঞ্চায়তৰ কঠিয়াতলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৫৩ নম্বৰ ভোট কেন্দ্ৰ এই দুয়োটা ভোটকেন্দ্ৰ জিলা প্ৰশাসনে আদৰ্শ ভোট কেন্দ্ৰৰূপে সজাই-পৰাই তোলে। প্ৰতিটো ছয় পৃষ্ঠাত চাওক

# অসম কৃষি বিশ্ববিদ্যালয়ৰ ৫৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহট, ১ এপ্ৰিল ঃ** 'উৎপাদন, বিপণন, উদ্ভাৱন আৰু গৱেষণা এই কেউটা পৰ্যায়তে সঠিক পৰিকল্পনা গ্ৰহণ কৰিব পাৰিলেহে কৃষিক্ষেত্ৰৰ সামগ্ৰিক উন্নয়ন সাধন হ'ব। পৰম্পৰাগত কৃষিৰ বিকাশ সাধনৰ জৰিয়তে সমগ্ৰিকভাৱে কৃষি ক্ষেত্ৰক আগুৱাই নিয়াৰ বাবে পৰিকল্পনা গ্ৰহণৰ প্ৰয়োজন আহি পৰিছে। ব্যক্তিগত পৰ্যায়ত বাগিচাভিত্তিত হোৱা কৃষিকাৰ্যক এই দিশত সংযুক্ত কৰি নিৰ্দিষ্ট ক্ষেত্ৰৰ বিকাশ সাধন কৰিব লাগিব।' অসম কৃষি বিশ্ববিদ্যালয়ৰ ৫৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত এইদৰে কয় টোকোলাই চাহ গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° অনুপ কুমাৰ বৰুৱাই। বিশ্ববিদ্যালয়ৰ মাধৱ চন্দ্ৰ দাস সোঁৱৰণী প্ৰেক্ষাগৃহত আয়োজিত মূল অনুষ্ঠানটোত ভাষণ প্ৰসংগত টোকোলাই চাহ গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° বৰুৱাই কয় যে দূৰৱৰ্তী আৰু ভিতৰুৱা অঞ্চলৰ কৃষিক এই দিশত অধিক গুৰুত্ব ছয় পৃষ্ঠাত চাওক

# মদ্যপানৰ পৰিণতিতে হৈছিল হত্যাকাণ্ড ঃ অভিযুক্তক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ১ এপ্ৰিল ঃ** দেবেৰাপাৰ আৰক্ষী চকীৰ অন্তৰ্গত ভেলাগুৰি চাহ বাগিচাৰ ৰজাবাৰী গাঁৱত ফাকুৱাৰ নিশা সংঘটিত নৃশংস হত্যাকাণ্ডৰ লগত জড়িত মূল অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ৰজাবাৰীৰ উদয় কালান্দী ওৰফে বোধৰামক ফাকুৱাৰ আনন্দ উল্লাসৰ মাজতে দুৰ্বৃত্তই ঘপিয়াই হত্যা কৰিছিল। দেবেৰাপাৰ আৰক্ষীয়ে অভিযুক্ত একেখন বাগিচাৰে হাস্পতাল লাইনৰ নিবাসী নিকাম ভূঞাৰ পুত্ৰ প্ৰবীণ ভূঞাক গ্ৰেপ্তাৰ কৰে। ইতিমধ্যে হত্যাকাণ্ডৰ ঘটনা স্বীকাৰ কৰিছে অভিযুক্ত প্ৰবীণে। এই সন্দৰ্ভত আৰক্ষীৰ সূত্ৰই উল্লেখ কৰা মতে, ঘটনাৰ দিনা উদয় আৰু প্ৰবীণ দুয়ো একেলগে মদ্যপান কৰিছিল। ইয়াৰ পাছত কোনো বিষয় লৈ দুয়োৰে মাজত তৰ্কবিতৰ্ক হোৱাত পৰিস্থিতি এনে হয় যে প্ৰবীণে ঘৰৰ পৰা অনা চোকা দাৰে উদয়ক উপৰ্যুপৰি ঘপিওৱাত উদয়ৰ থিতাতে মৃত্যু হয়। ঘটনা সংঘটিত কৰিয়েই হত্যাকাৰী প্ৰবীণে দাসহ পলায়ন কৰিছিল। পিছদিনা দিহিঙীয়াৰ চাহ বাগিচাৰ কোনো বন্ধুৰ ঘৰত ছয় পৃষ্ঠাত চাওক

# গোৱালপাৰাত মাদক দ্ৰব্য নিষিদ্ধ ঘোষণা

অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ১ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ত অহা ছয় এপ্ৰিলত গোৱালপাৰা জিলাত হ'বলগীয়া ভোটগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলাৰ দণ্ডাধীশ বৰ্ণালী ডেকাই অহা চাৰি এপ্ৰিলৰ সন্ধিয়া ছয় বজাৰ পৰা ছয় এপ্ৰিলৰ সন্ধিয়া ছয় বজালৈ ৪৮ ঘণ্টাৰ বাবে জিলাখনত মাদক দ্ৰব্যৰ প্ৰচলন সম্পূৰ্ণভাৱে বন্ধ ঘোষণা কৰিছে। অসম চৰকাৰৰ ১০ মাৰ্চৰ ২০২১ৰ ইএক্স.২৬৫/৯৭/পিটি/৫০৪ নম্বৰ নিৰ্দেশ অনুসৰি গোৱালপাৰাৰ জিলা দণ্ডাধীশে এই নিষেধাজ্ঞা জাৰি কৰিছে। উক্ত সময়ছোৱাত ছয় পৃষ্ঠাত চাওক

# গোৱালপাৰা পশ্চিম সমষ্টিত ১৪ প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব ১,৭৪,৮৪১ ভোটাৰে

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১ এপ্ৰিল ঃ** অহা ছয় এপ্ৰিলত অনুষ্ঠিতব্য নিৰ্বাচনৰ বাবে ক্ৰমাৎ তীব্ৰতৰ হৈছে ৩৮ নম্বৰ গোৱালপাৰা পশ্চিম সমষ্টিৰ নিৰ্বাচনী বতাহ। এইবেলি সমষ্টিটোত ১৪গৰাকী প্ৰাৰ্থীয়ে ভোটযুদ্ধত অৱতীৰ্ণ হৈছে যদিও মূল যুঁজখন মহাজোঁটৰ প্ৰাৰ্থী তথা বৰ্তমানৰ বিধায়ক আব্দুৰ ৰছিদ মণ্ডল আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা প্ৰাক্তন বিধায়ক শ্বেখ শ্বাহ আলমৰ মাজতে সীমাবদ্ধ থাকিব। প্ৰাৰ্থী দুজনৰ উপৰি সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰা আন প্ৰাৰ্থীসকল হ'ল অসম জাতীয় পৰিষদৰ ছফিয়ৰ ৰহমান, এন পি পিৰ আব্দুল বাতেন শিকদাৰ, ৰাইজৰ দলৰ জহিৰুল ইছলাম, ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেচনেলৰ পুষ্পধৰ নাথ, জনতা দল ইউনাইটেডৰ আফতাবুল আম্বিয়া মোল্লা, এছ ইউ চি আইৰ মহিবুল ইছলাম, এ আই টি এম চিৰ নিজাম উদ্দিন আৰু নিৰ্দলীয় ক্ৰমে চান আলী মিঞা, দেলোৱাৰ হুছেইন, নৰজ্যোতি ৰাভা, পৱিত্ৰ কুমাৰ নাথ আৰু জাহাংগীৰ আলম। প্ৰতিজন প্ৰাৰ্থীয়ে নিজৰ

বিধানসভা নিৰ্বাচন ২০২১

নিজৰ সপক্ষে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। কিন্তু মহাজোঁটৰ কংগ্ৰেছ প্ৰাৰ্থী আব্দুৰ ৰছিদ মণ্ডল আৰু মিত্ৰজোঁটৰ অগপৰ প্ৰাৰ্থী শ্বেখ শ্বাহ আলমে অন্যান্য প্ৰাৰ্থীৰ তুলনাত শক্তিশালী ভেটি গঢ়িবলৈ সক্ষম হৈছে। উল্লেখ্য যে আৰম্ভণিতে কংগ্ৰেছৰ প্ৰাৰ্থী মণ্ডলৰ বিৰুদ্ধে প্ৰতিষ্ঠানবিৰোধী ঢৌ চলাৰ উপৰি কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলে মণ্ডলক সংগ দিয়া নাছিল। ইপিনে, নিৰ্দলীয় প্ৰাৰ্থী চান আলী মিঞাৱো কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ ভোটবেংকত আঘাত হানিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। কিন্তু নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে অভিজ্ঞ ৰাজনীতিবিদ আব্দুৰ ৰছিদ মণ্ডলে প্ৰতিজন বিসম্বাদী নেতাক নিজৰ সপক্ষে আনিবলৈ সক্ষম হোৱাৰ লগতে তেওঁলোকক সংগী কৰি লৈ প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। ইপিনে, প্ৰাক্তন বিধায়ক শ্বেখ শ্বাহ আলমেও বিজেপি আৰু অগপৰ ভোটবেংকৰ জৰিয়তে জয়ী হোৱাৰ সপোন দেখিছে। উল্লেখ্য যে শ্বেখ শ্বাহ আলমে ২০০১ত এন চি পিৰ প্ৰাৰ্থী হিচাপে আৰু ২০১১ত এ আই ইউ ডি এফৰ প্ৰাৰ্থী হিচাপে বিধায়ক নিৰ্বাচিত হৈছিল। ইপিনে, তেওঁৰ জ্যেষ্ঠ ভ্ৰাতৃ প্ৰয়াত শ্বেখ ছামান আলীয়েও সমষ্টিটোৰ বিধায়ক আছিল। সেয়েহে সমষ্টিটোত শ্বেখ শ্বাহ আলমৰ কিছু নিজস্ব ভোটবেংক নথকা নহয়।

# ৰঙাপৰা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ১ এপ্ৰিল ঃ** শোণিতপুৰ জিলাৰ উচ্চ শিক্ষানুষ্ঠান ৰঙাপৰা মহাবিদ্যালয়ত অসমৰ সামাজিক সমন্বয় সাধনত শংকৰদেৱৰ ভাৱাদৰ্শৰ ওপৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত কৰা হ'ব। মহাপুৰুষ শংকৰদেৱ নামধৰ্ম সমাজ, অসমৰ সহযোগত তথা আভ্যন্তৰীণ মান নিৰূপণ কোষ আৰু ৰঙাপৰা মহাবিদ্যালয়ৰ বড়ো বিভাগৰ উদ্যোগত অনুষ্ঠিত আলোচনাচক্ৰখন অহা তিনি এপ্ৰিলত অনুষ্ঠিত কৰা হ'ব। অনুষ্ঠানৰ আৰম্ভণি ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা শংকৰী সংস্কৃতিৰ প্ৰদৰ্শনীৰে হ'ব। নামধৰ্ম সমাজ, অসমৰ সভাপতি দীনেশ মহন্তই প্ৰতীকী গুৰু আসন ছয় পৃষ্ঠাত চাওক



বাঘবৰ সমষ্টিত মহাজোঁটৰ প্ৰাৰ্থীৰ প্ৰচাৰ সভা, বৃহস্পতিবাৰে।

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ১৯ চ'ত ১৪২৭ ভাস্কৰাব্দ ২ এপ্ৰিল ২০২১

# সম্পদৰ সুৰক্ষা

প্ৰতিটো শিশুৱেই হ'ল এক অমূল্য মানৱ সম্পদ। সেয়ে প্ৰতিটো শিশুৱে অনেক সম্ভাৱনা কঢ়িয়াই লৈ ফুৰে। ভৱিষ্যতৰ নাগৰিক হিচাপে শিশুৰ স্বাস্থ্য আৰু শিক্ষাৰ ওপৰত দেশৰ স্থিতি নিৰ্ভৰ কৰে; কিন্তু ভাৰতৰ বৃহৎ সংখ্যক শিশুৱে আজিও চৰম দৰিদ্ৰতাৰ মাজত বাস কৰিছে। বিশ্বৰ চৰম দৰিদ্ৰতাৰ মাজত বাস কৰা শিশুৰ ৩০ শতাংশ ভাৰতৰ। এই কথা বিশ্ব বেংক আৰু ইউনিচেফৰ তথ্যত প্ৰকাশ পাইছে। উল্লেখ্য যে বিশ্বৰ সৰ্বাধিক ৫০ শতাংশ দৰিদ্ৰ শিশুৱে বাস কৰে আফ্ৰিকাৰ মৰুভূমি অঞ্চলত। দেশৰ মুঠ জনসংখ্যাৰ এক তৃতীয়াংশই শিশু আৰু ইয়াৰ ৫০ শতাংশ শিশুৱে চৰম দৰিদ্ৰতাৰ মাজত বাস কৰিছে। বিশ্বৰ ভিতৰত সৰ্বাধিক সংখ্যক শিশু চৰম দৰিদ্ৰতাৰ মাজত ভাৰতত থকাৰ এটা ভয়ংকৰ পৰিণতি হ'ল ভাৰতত শিশুৰ মৃত্যুৰ হাৰ সৰ্বাধিক। বিশ্বত যিমান শিশুৰ মৃত্যু হয়, তাৰ ২০ শতাংশই ভাৰতৰ। ভাৰতত প্ৰতি বছৰে এক কোটি ৮৩ লাখ শিশুৰ মৃত্যু হয় পাঁচ বছৰ বয়স সম্পূৰ্ণ হোৱাৰ আগেয়ে। অৰ্থাৎ ভাৰতৰ এই শিশুসকলে পঞ্চমটো জন্মদিন পালন কৰিবলৈ নাপায়। এই ক্ষেত্ৰত অতি দুৰ্ভাগ্যজনক বিষয় হ'ল— যিসকল শিশু পাঁচ বছৰ বয়সৰ পূৰ্বেই মৃত্যু হয়, তেওঁলোকে মৃত্যুবৰণ কৰিবলগীয়া হৈছে কিছুমান সাধাৰণ ৰোগত, যিবিলাক ৰোগ জটিল নহয় আৰু উপযুক্ত চিকিৎসা লাভ কৰা হ'লে সেই শিশুসকল কেতিয়াও মৃত্যুমুখত নপৰিলহেঁতেন।

ৰক্তহীনতা, ওজন কম হোৱা আৰু বয়স অনুপাতে শৰীৰৰ উচ্চতা কম হোৱা, মৃত্যুৰ হাৰ আদি দেশৰ ভিতৰতে অসমত সৰ্বাধিক বুলি ক'ব পৰা যায়। কেঁচুৱাৰ মৃত্যুৰ ৰাষ্ট্ৰীয় হাৰ ৪০ শতাংশৰ বিপৰীতে অসমত ৪৮ শতাংশ। পাঁচ বছৰৰ তলৰ শিশুৰ মৃত্যুৰ হাৰ অসমত ৫৬ শতাংশ বুলি প্ৰকাশ পাইছে। কেৱল কেঁচুৱা বা শিশুৱেই নহয়, প্ৰসূতি মাতৃৰ মৃত্যুৰ হাৰো অসমত বেছি। প্ৰতি এক লাখ জীৱিত কেঁচুৱাৰ জন্ম হ'লে তিনিশগৰাকী প্ৰসূতি মাতৃৰ অসমত মৃত্যু হয়। ইয়াৰ বিপৰীতে প্ৰসূতি মাতৃৰ মৃত্যুৰ ৰাষ্ট্ৰীয় হাৰ ১৬৭ গৰাকী। দৰিদ্ৰতাৰ মাজত থকা বাবেই দেশৰ শিশুসকল পুষ্টিহীনতাত ভুগিবলগীয়া হৈছে। পুষ্টিহীনতাত ভোগা শিশুৰ সংখ্যাও অসমত বেছি। শিশুৰ মৃত্যুৰ হাৰ বৃদ্ধি পোৱাৰ অন্যতম কাৰণো হ'ল পুষ্টিহীনতা। ওজন কম হোৱা আৰু বয়স অনুপাতে শৰীৰৰ উচ্চতা কম হোৱাৰ কাৰণো পুষ্টিহীনতাই বুলি ক'ব পাৰি; কিন্তু দৰিদ্ৰতা দূৰ কৰিব নোৱাৰিলে পুষ্টিহীনতাও দূৰ কৰাটো সম্ভৱ নহ'ব। চৰকাৰে অৱশ্যে চৰকাৰী বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া মধ্যাহ্ন আহাৰ যোগান ধৰি পুষ্টিৰ অভাৱ দূৰ কৰিব বিচাৰিছে। দেশৰ বহু শিশু এই আঁচনিৰ যোগেদি উপকৃত হৈছে যদিও মধ্যাহ্ন আহাৰ শিশুৰ পুষ্টিহীনতা দূৰ কৰাৰ বাবে যথেষ্ট নহয়।

ভাৰতৰ তথা অসমৰ শিশুসকল যি দৰিদ্ৰতাৰ চিকাৰ হৈছে তাৰ বাবে কিন্তু শিশুসকল দায়ী নহয়। এই চৰম দৰিদ্ৰতাৰ বাবে যদি দায়ী, তেন্তে সেয়া হ'ল দেশৰ শাসক শ্ৰেণী, চৰকাৰসমূহ, আইন প্ৰণেতা আৰু আঁচনি প্ৰস্তুতকৰ্তাসকল। অৱশ্যে আজিৰ ভাৰতৰ শিশুসকলে কেৱল দৰিদ্ৰতাৰ কৰুণ পৰিণতিয়েই ভুগিবলগীয়া হৈছে তেনে নহয়। দৰিদ্ৰ আৰু দৰিদ্ৰমুক্ত আৰু সম্পদশালী— সকলো শ্ৰেণীৰ শিশুৱে ভুগিবলগীয়া হৈছে নিৰ্মমতাৰ, হেৰুৱাবলগীয়া হৈছে শিশুৰ অধিকাৰসমূহ। ভাৰত চৰকাৰে ২০০৯তেই শিক্ষাৰ অধিকাৰ আইন প্ৰণয়ন কৰি শিশুৰ মৌলিক অধিকাৰসমূহৰ সুৰক্ষাৰো ব্যৱস্থা কৰিছিল। শিশুসকলৰ শাৰীৰিক তথা মানসিক শাস্তি নিষিদ্ধ কৰি এই আইন উলংঘা কৰাসকলৰ শাস্তিৰ ব্যৱস্থা কৰা হৈছিল। এই আইনে শিশুৰ ওপৰত চলোৱা অত্যাচাৰত বাধা আৰোপ কৰিছিল। উল্লেখ্য যে শিশুৰ অধিকাৰসমূহৰ ভিতৰত অন্যতম হ'ল অত্যাচাৰৰ পৰা মুক্তিৰ অধিকাৰ। ইয়াৰ লগতে শিশুৰ আন এক প্ৰধান অধিকাৰ হ'ল নিৰ্মম, অমানৱীয় আচৰণ তথা শাস্তিৰ পৰা মুক্তিৰ অধিকাৰ। জীয়াই থকাৰ অধিকাৰ আদি মৌলিক মানৱ অধিকাৰৰো গৰাকী হ'ল শিশুসকল; কিন্তু এইসমূহ অধিকাৰৰ পৰা দেশৰ শিশুসকল বঞ্চিত হ'বলগীয়া হৈছে। বৃহৎ সংখ্যক শিশু আজিও শ্ৰমিক হিচাপে নিয়োজিত হৈ আছে। গ্ৰামাঞ্চল আৰু চহৰ-নগৰসমূহত বন্দী জীৱন কটাবলগীয়া হৈছে বহুতো শিশু শ্ৰমিকে।

## খোলা মঞ্চ

# আপুনি এইবাৰ কেনেধৰণৰ চৰকাৰ বিচাৰে?



**সামাজিক** কাম কৰিব লগা হ'লে নিজ স্বাৰ্থ ত্যাগ কৰি সামাজিক দায়িত্ববোধ পালন কৰিবলগীয়া হয়। আত্মকেন্দ্ৰিক হ'লে সমাজ সেৱা সম্পূৰ্ণ নহয়। কিছু ক্ষেত্ৰত আত্মকেন্দ্ৰিক হ'বই লাগিব, অন্যথা তেওঁ কৰিব নোৱাৰে; কিন্তু পৰিস্থিতি, পৰিৱেশক আধাৰ কৰি ৰাজনীতিক এক ব্যৱসায়ী ৰূপত উপস্থাপন কৰাটো পৰিতাপৰ বিষয়। সৰ্বসাধাৰণ জনতাই নিজৰ মৌলিক অধিকাৰ তথা গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰি, ভোট দি কোনো প্ৰতিনিধিক দেশ সেৱাৰ বাবে আগবঢ়াই দিয়ে, সেইজন প্ৰতিনিধিয়ে সৰ্বসাধাৰণৰ হৃদয়ৰ কথাবোৰ যদি উপলব্ধি কৰিব নোৱাৰে, তেন্তে সেই প্ৰতিনিধিয়ে দেশৰ তথা জনগণৰ কিমানদূৰ মংগল চিন্তা কৰিব কোৱাটো এক সাঁথৰ হৈ পৰিছে।

**অনিল দাস**, লেখক

বৰ্তমানৰ পৰিপ্ৰেক্ষিতত কেনেকুৱা এখন চৰকাৰে সাধাৰণ জনসাধাৰণৰ প্ৰয়োজনীয়খিনি পূৰণ কৰিব পাৰিব তাক বিশ্লেষণ কৰিবলৈ যোৱাৰ আগতে আমি বৰ্তমান আৰু অতীতৰ কিছু ৰেখাপাত নকৰিলে অসুবিধা হ'ব।

অগপ তথা কংগ্ৰেছৰ শাসনৰ মাজতে কিছু নিষ্ঠাৱান ব্যক্তিৰ অহোপুৰুষাৰ্থৰ বাবে দেশৰ অন্য ৰাজ্যৰ দৰে অসমতো বিজেপিয়ে খোপনি পুতিবলৈ আৰম্ভ কৰিছিল। বিজেপিক কিছু নেপথ্য শক্তিয়েও ইয়াৰ অভ্যুত্থানৰ বাবে চেষ্টা কৰি আছিল। ইয়াৰ সুবাদতে ২০১৬ৰ অসমৰ সাধাৰণ বিধানসভাৰ নিৰ্বাচনৰ জৰিয়তে আকৌ এক নতুন জাগৰণৰ সৃষ্টি হ'ল। সৰ্বসাধাৰণে অসমত এক নতুন সপোন ৰচনা কৰিলে, যাৰ বাবে ভাৰতীয় জনতা পাৰ্টি তথা মিত্ৰজোঁটৰ এখন চৰকাৰ হ'ল। সেই চৰকাৰখনৰ বলিষ্ঠ পদক্ষেপ তথা কেইজনমান নেতাৰ নিৰৱচ্ছিন্ন চেষ্টাৰ বাবে অসমত এক নতুন যুগৰ সূচনা কৰিলে। বহু ক্ষেত্ৰত দেখা যায় বিজেপি নেতৃত্বাধীন চৰকাৰখনে সাধাৰণ জনতাৰ বহুকথা আওকাণ কৰি কিছু কিছু সিদ্ধান্ত গ্ৰহণ কৰিছে। যিবোৰে কিছু ক্ষেত্ৰত স্বকীয়তা হেৰুৱাই পেলাইছে; কিন্তু বহুক্ষেত্ৰত অনুমান হয় সৰ্বসাধাৰণ জনতাৰ হিতৰ বাবে অশেষ কাম কৰিছে। যাৰ বাবে জনসাধাৰণ এই চৰকাৰখনৰ প্ৰতি আস্থাভাজন হ'ব পাৰিছে।

***কৰ্মসংস্কৃতি জাতি এটা উন্নতিৰ মাপকাঠি, ইয়াক সুনিপুণ কৰিব পৰা চৰকাৰ এখনৰ প্ৰয়োজন***

আগৰ চৰকাৰবোৰৰ দিনত কেন্দ্ৰ বা ৰাজ্যৰ যিবোৰ ৰাজহ সংগৃহীত হৈছিল, সেইবোৰ সোঁৱে-বাঁৱে দুৰ্নীতিৰে নিমজ্জিত হৈছিল; কিন্তু বৰ্তমান চৰকাৰৰ শাসনত ইমান দুৰ্নীতিত লিপ্ত হ'ব পৰা নাই বাবে উন্নতিৰ জখলাডাল আগৰ চৰকাৰতকৈ উৰ্ধ্বগামী; কিন্তু বৰ্তমানৰ চৰকাৰখন ধোঁৱাপাতৰ তুলসী নহয়। সৰ্বসাধাৰণৰ লক্ষ্য কি? আমাৰ সম্পদবোৰ সু-পৰিকল্পিতভাৱে আহৰণ কৰি সৰ্বসাধাৰণৰ উন্নতিকল্পে চিন্তা কৰা এখন চৰকাৰৰ অতিকৈ প্ৰয়োজন। অসমখন বানপানীৰে গৰকা এখন ৰাজ্য। কোনো এখন চৰকাৰে ইয়াৰ স্থায়ী সমাধানৰ বাবে চেষ্টা নকৰিলে, এইবাৰ যি চৰকাৰ হ'ব, যেন ইয়াৰ এক যোগাত্মক সিদ্ধান্ত লয়। কৃষিপ্ৰধান ৰাজ্য অসমত এতিয়াও নতুনত্ব আৰম্ভ হোৱা নাই, ইয়াৰ বাবে এই বিভাগটো আগবঢ়োৱা এখন চৰকাৰৰ নিতান্তই প্ৰয়োজন। কৰ্মসংস্কৃতি জাতি এটা উন্নতিৰ মাপকাঠি, ইয়াক সুনিপুণ কৰিব পৰা চৰকাৰ এখনৰ প্ৰয়োজন। সুস্বাস্থ্য, সুশিক্ষা অবিহনে কোনো সুস্থ চিন্তাধাৰা অসম্ভৱ, যিখন চৰকাৰে ইয়াক প্ৰাধান্য দিব পাৰে, সেই চৰকাৰৰ সহযোগী হওক। সুপৰিকল্পিত, নিকা ভাৱমূৰ্তি, সুস্থিৰ যিয়ে চৰকাৰ এখন গঠন কৰি অসমক যাউতিযুগীয়া কৰি ভৱিষ্যতৰ বাটকটীয়া হ'ব পাৰে, তেনেকুৱা এখন চৰকাৰ সকলোৱে কাম্য।

*ফোন ঃ ৯৪৩৫০১৫৯৪৫*

# গালি-শপনিৰ স্বৰূপ আধুনিক আৰু প্ৰাচীন কালৰ

## গালি-শপনিবোৰ কেৱল গাঁৱলীয়া আৰু তলখাপৰ মানুহৰ লগতে স্ত্ৰীলোকৰেই 'সম্পদ' নহয়, তথাকথিত ওপৰ খাপৰ সকলৰো 'ভূষণ'



**পৰ্যালোচনা**

**ড° খৰ্গেশ্বৰ ভূঞা**

পৰস্পৰৰ মাজত কাজিয়া আৰু ইয়াৰে আঁত ধৰি গালি পৰাটো হেনো মানৱ সমাজৰ প্ৰাচীন দান। কাজিয়াবোৰ বেছি প্ৰবল হ'লে গালি পৰাতে সমাপ্ত নহৈ হতাহতি, মৰামৰিও হ'ব পাৰে পৰস্পৰৰ মাজত; তাতোকৈ কন্দল বাঢ়িলে সৰু-সুৰা যুদ্ধৰ পৰা একেবাৰে কুৰুক্ষেত্ৰ যুদ্ধৰ দৰে বা আধুনিক কালৰ দুখন বিশ্ব যুদ্ধৰ দৰে মহাৰণৰ পৰ্যায়লৈও যাব পাৰে। সৰুৰে পৰা আঢ়ৈ কুৰিমান বছৰ বয়স হোৱালৈকে আমাৰ ধাৰণা আছিল যে গালি-শপনি পাৰি পৰস্পৰৰ মাজত কাজিয়া কৰাটো কেৱল গাঁৱলীয়া মানুহৰ, বিশেষকৈ নাৰীসকলৰহে স্বভাৱ। পিছে আজি-কালি ধাৰণাটো সলনি হ'ল, এইবোৰ কৰ্ম নগৰীয়া, সভ্য-ভব্য, শিক্ষিত নাৰী-পুৰুষেও কৰে। আগৰ দিনত আৰু আজিৰ দিনতো এনে গালিবোৰ কেতিয়াবা দুয়োপক্ষীয় আৰু কেতিয়াবা একপক্ষীয় হয়। একেবাৰে কাষৰে দুঘৰৰ মাজত বিভিন্ন সৰু-সুৰা কাৰণে, যেনে— এঘৰৰ জাবৰ আনঘৰৰ মাটিত পেলোৱা, বাৰীৰ লাউ-বেঙেনা নাইকিয়া হোৱা, জেওৰাখন দিওঁতে সীমা ঠেলা ধৰণৰ ঘটনাত এঘৰে আনঘৰক গালি দিয়ে, আনঘৰেও মুখ বন্ধ কৰি নাথাকে—গালিৰ যুঁজ সমানে সমানে হয়। ইয়াৰ বিপৰীতে অঘাইতং পুতেকক মাকে দিয়া বেয়া বেয়া গালি, যেনে— 'মাউৰত মৰা', 'জহনীত যোৱা', 'জহৰা' আদি শব্দৰে দিয়া গালিবোৰ একপক্ষীয়। পুতেকক মাকে বেমাৰ হৈ মৰিবলৈ মুখেৰে গালি দিলেও লগে লগে চাগৈ মনতে কয়— 'হে প্ৰভু! দায়-দোষ নধৰিবা, অঘাইতং হ'লেও ল'ৰাটোক কুশলে ৰাখা' ইত্যাদি।

গালি-শপনিবোৰ যে কেৱল গাঁৱলীয়া আৰু তলখাপৰ মানুহৰ লগতে স্ত্ৰীলোকৰেই 'সম্পদ' নহয়, তথাকথিত ওপৰ খাপৰ সকলৰো 'ভূষণ', সেয়া আজি-কালি সকলোৱে দেখিছে টি ভি টক শ্ব'বোৰত, লগতে মহা সন্মানীয় বিধানসভা, লোকসভা আদিত চলা বিতৰ্কৰ সময়ত। ব্যতিক্ৰমী ক্ষেত্ৰত এনেবোৰ বিতৰ্কত মাৰ-পিটৰ ঘটনাও ঘটিছে। এইবোৰত বিৰোধী ধাৰণাৰ লোকসকল পৰস্পৰৰ মুখামুখি হৈ থাকে বাবে গালিবোৰ উভয়পক্ষীয় হয়। ইয়াৰ বিপৰীতে আজি-কালি নিৰ্বাচনী সভাবোৰত নেতাসকলে বিপক্ষক গালি পাৰে একপক্ষীয়ভাৱে, কাৰণ তেনে সভাত এটা দল বা ব্যক্তিৰ সমৰ্থকসকলহে থাকে। এইবোৰৰ প্ৰত্যুত্তৰ হিচাপে অৱশ্যে অন্য সভাত বিপৰীত দলে একে ধৰণৰেই গালি পাৰে। দিন বাগৰাৰ লগে লগে গালিবোৰত ব্যৱহাৰ কৰা শব্দৰ মান বৰকৈ তললৈ নমাৰ বাবে শালীনতা বজাই ৰাখিব খোজাসকল বাৰুকৈয়ে চিন্তিত হৈ পৰিছে।

গালি-গালাজৰ প্ৰক্ৰিয়াবোৰ সোঁচৰা বেমাৰ যেন লগা হৈছে। হিমন্ত, হাগ্ৰামা, প্ৰশান্ত, ৰিপুণ আদি মহাশয়সকলৰ মুখত অন্যৰ প্ৰতি দিয়া গালিবোৰ স্বাভাৱিক যেনেই লগা হৈছে যদিও মোদী, ৰাহুল, অমিত, প্ৰিয়ংকা, ৰাজনাথ আদি বৰ বৰ নেতাসকলেও বিৰোধীৰ প্ৰতি অৱমাননাসূচক মন্তব্য কৰিবলৈ লোৱা দেখি সামাজিক কাঠামোটোৱেই ৰাজনীতিয়ে ধ্বংস কৰি পেলাব যেন লগা হৈছে। সকলোতকৈ দুখৰ কথাটো হ'ল— মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক অতি ভদ্ৰলোক বুলি থকা ধাৰণাও সলনি কৰিবলগীয়া হৈছে তেওঁ বিপক্ষৰ প্ৰতি পৰা গালি-শপনিবোৰ শুনি। এনেবোৰ কথাই তেওঁৰ মুখৰ বেদবাক্য'— 'পাহাৰ-ভৈয়াম-বৰাক-ব্ৰহ্মপুত্ৰ-জাতি-জনগোষ্ঠী'ৰ মাজৰ ঐক্যৰ ধাৰণাক ধূলিসাৎ কৰি পেলাব, কাৰণ বিৰোধী দলৰ প্ৰতি কৰা উক্তিবোৰ কেৱল নেতাসকলৰ বাবেই প্ৰযোজ্য নহয়, দলৰ অনুগামীৰ ক্ষেত্ৰতো খাটে। আনসকল নেতাৰ মুখেৰে মিঞা, মোগল আদিৰ প্ৰতি গালি বৰ্ষণে একোটা জাতি বা ধৰ্মৰ সকলোকেই দুখ দিব পাৰে। অৰ্ধশতিকামানৰ আগলৈকে এটা বিশেষ জনগোষ্ঠীৰ নাৰীসকলে বৰকৈ কাজিয়া কৰে বুলি বদনাম আছিল। তেনে দুগৰাকীৰ মাজত গালি-বৰ্ষণ চলিলে গোটেইদিন জুৰি অব্যাহত থাকে, তাৰ পাছত গধূলি হ'লে এটা শিলখদাৰে জাপি থৈ দিয়ে। ইয়াৰ অৰ্থ হ'ল সাময়িক যুদ্ধ-বিৰতি, তাৰ পাছত পাছদিনা পুৱা খদাটো দাঙি পুনৰ কাজিয়া আৰম্ভ কৰে। এই কথা সঁচা বুলি প্ৰমাণো পোৱা গৈছে।

এজন প্ৰথিতযশা অসমীয়া গল্পকাৰে লিখিছিল— 'এহাল যুৱক-যুৱতীয়ে নতুনকৈ চিনাকি হোৱাৰ পাছত বেছিভাগ সময় নীৰৱতাৰে আৰু কমকৈ মিহি, সৰু মাতেৰে কথা পাতে—এজনে কয়, আনজনে শুনে, আনজনে কয়, প্ৰথমজনে শুনে। বিয়াৰ পাছতো কিছুদিন তেনেদৰেই চলে, অৱশ্যে মাত ডাঙৰ হয়। লাহে লাহে দুয়োজনে ওপৰা ওপৰিকৈ ক'বলৈ লয়— পাছলৈ ইজনে আনজনৰ কথা নুশুনা হয়, কেৱল দুয়ো বক্তাহে হয়। এই বাক-বিতণ্ডা কোঠাৰ ভিতৰতে হয় বাবে অইনে নুশুনে। শেহত গালি-গালাজবোৰ, এনে হয়গৈ যে স্বামী-স্ত্ৰীয়ে সেইবোৰ নুশুনে— বাহিৰৰ সকলোৱে শুনে।'

আন এটা ৰগৰৰ মতে— স্বামী-স্ত্ৰীৰ মাজত বহুসময় ধৰি তীব্ৰ বাক-বিতণ্ডা চলি আছে। অসহ্য হৈ ওচৰৰে এজনে আহি স্বামীক সুধিলে—'কি কথাতনো ইমান কাজিয়া কৰি আছা?' পুৰুষজনে ক'লে— 'মই কি জানো, তেওঁক (অৰ্থাৎ স্ত্ৰীক) সোধা।' স্ত্ৰীৰো উত্তৰ একেই— কি কথা লৈনো কাজিয়া হৈছিল দুয়ো বিষয় বস্তুটোৱেই পাহৰিলে। কাজিয়া কিন্তু চলি থাকিল।

শাস্ত্ৰৰ মতে এতিয়া কলিকাল চলিছে আৰু 'কলি' শব্দৰ এটা অৰ্থ হ'ল কলহ বা কাজিয়া। সেয়েহে বৰ্তমান যুগ কাজিয়াৰেই ভৰা। পিছে অলপকৈ শাস্ত্ৰ পঢ়াসকলেও জানে সৰু-সুৰা কাজিয়া, গালি-গালাজৰ পৰা সৰু-ডাঙৰ যুদ্ধলৈকে অনুষ্ঠিত হৈছিল সত্য, ত্ৰেতা আৰু দ্বাপৰ যুগতো। বিষ্ণুৰ দ্বাৰা হিৰণ্যাক্ষ-হিৰণ্যকশিপু বধ, পৰশুৰামৰ ক্ষত্ৰিয় নিধন আদি বৃহৎ পৰিসৰৰ যুদ্ধ হৈছিল সত্য যুগত, ত্ৰেতাত ৰাম-ৰাৱণৰ যুদ্ধ, দ্বাপৰত কুৰুক্ষেত্ৰ যুদ্ধ— এইবোৰ বৃহৎ যুদ্ধৰ বাবেও সৰু-সুৰা কাজিয়া-পেছালৰ অন্ত নাছিল সকলো যুগতে। সাধাৰণীকৰণ কৰি ক'ব পাৰি যে যুদ্ধ-বিগ্ৰহ, কাজিয়া-পেছাল, গালি-শপনিবোৰ মানুহে নিজৰ সৃষ্টিৰ সময়ৰ পৰাই লগত লৈ আহিছে। এজন বাংলা লিখকে ব্যংগ কৰি কৈছিল যে 'কলিকতা' মানে হৈছে কলিৰ নিৱাস ভূমি, অৰ্থাৎ কলিকতা চহৰখন যত মানে কন্দলৰ উৰ্বৰ ভূমি। 'কলিকতা'ৰ পৰা 'কলকাতা'লৈ সলনি কৰাৰ আঁৰত 'কলি'ৰ বদনাম আঁতৰোৱাৰ মানসিকতা থাকিবও পাৰে।

সকলো কৰ্মৰে অধিষ্ঠাতা দেৱ-দেৱী আছে। কাজিয়া-পেছালৰো আছে। দেৱীগৰাকীৰ নাম বাগ্‌দেৱী, এইগৰাকী বিদ্যা-শিক্ষাৰো দেৱী, যি গৰাকীৰ পূজা শিক্ষাৰ্থী আৰু শিক্ষাৰ লগত সম্বন্ধ থকাসকলে প্ৰতি বছৰেই পাতে। শাস্ত্ৰৰ মতে এইগৰাকী বাক্যৰ অধিষ্ঠাত্ৰী দেৱী নিজেই অতি কলহপ্ৰিয়া। কন্দলৰ দেৱীগৰাকী স্ত্ৰী বাবেই প্ৰাচীন কালৰ পৰাই সাধাৰণ লোকেও ভাৱে যে নাৰীসকল কলহপ্ৰিয়া। এই ধাৰণাৰ সপক্ষে অৱশ্যে বৰকৈ সমৰ্থন পাবলৈ নাই প্ৰাচীন শাস্ত্ৰবোৰতো। ইয়াৰ বিপৰীতে পুৰুষে নাৰীক অতি বেয়াকৈ গালি-গালাজ কৰাৰ উদাহৰণেৰে শাস্ত্ৰবোৰ ভৰি আছে। আধুনিক কালৰ নিৰ্বাচনী সভাবোৰত পুৰুষসকলে যেনেধৰণে গালি-বৰ্ষণ কৰিবলৈ লৈছে তালৈ চালে শাস্ত্ৰই নাৰীক দিয়া বদনামৰো ভিত্তি নাই যেন লাগে। বিধানসভা, লোকসভাত ব্যতিক্ৰমীভাৱে, দুই এগৰাকী নাৰীয়ে 'কলহপ্ৰিয়া'ৰ ৰূপ ল'লেও বেছি সংখ্যকেই 'কলহপ্ৰিয়' পুৰুষেহে মুখৰ হৈ থাকে।



প্ৰাচীন কালৰ পুৰুষ তান্ত্ৰিক সমাজত কাজিয়া কৰাৰ ক্ষেত্ৰতো বাধা আৰোপ কৰা হৈছিল। মানুহে নিয়ম কৰি থৈছিল যে স্ত্ৰী যদি কলহকাৰিণী বা দন্দুৰী হয়, তেন্তে স্বামীয়ে সেই স্ত্ৰীক ত্যাগ কৰি অন্য নাৰীক বিয়া কৰাব পাৰিব। ইয়াৰ বিপৰীতে একাধিক পত্নীৰ পাণিগ্ৰহণত বাধা নাথাকিলেও সাৱধান কৰি থোৱা হৈছিল যে সতিনীৰ মাজত লগা কাজিয়াবোৰৰ সুসমাধান কৰিব নোৱাৰাসকলে একপত্নীক হৈ থকাই ভাল। অৱশ্যে দুগৰাকীতকৈ তিনিগৰাকী পত্নী হেনো উত্তম। মোৰ এজন বন্ধুৱে তৃতীয় এগৰাকীক যেতিয়া পত্নীৰূপে পলুৱাই আনিছিল, তেতিয়া যুক্তি হিচাপে কৈছিল— 'পূৰ্বৰ দুগৰাকীৰ মাজত সদায় খুটখাটকৈ কিবা কিবি লাগি থাকি প্ৰায়েই ৰন্ধা কাৰ্য বন্ধ হৈ থাকে, মই লঘোনে থাকিব লগা হয়। এতিয়া কাজিয়া লাগিলেও দুজনীৰ মাজতহে লাগিব, বাকী থকাজনীয়ে ৰন্ধা-বঢ়াবোৰ কৰিব।' বন্ধুৰ সমাধানে কাম দিছিল নে নাই, খবৰ অৱশ্যে কৰা নাছিলো। বন্ধুৱে শাস্ত্ৰৰ কথাবোৰ বোধহয় নাজানিছিল, তৃতীয় পত্নীৰ 'ফৰ্মূলা' হয়তো নিজেই আৱিষ্কাৰ কৰিছিল।

সুবিধা পালে গালি দিয়াৰ ক্ষেত্ৰত ব্যতিক্ৰম বোধহয় কমেই আছে। অৱশ্যে স্থান, কাল, পাত্ৰ ভেদে এইবোৰৰ আও-ভাও বেলেগ। ৰামায়ণৰ লক্ষ্মণ সহজেই খং উঠা মানুহ। ৰামক দশৰথে বনলৈ পঠাওঁতে লক্ষ্মণে দশৰথ আৰু কৈকেয়ীক যিমান বেয়া শব্দৰে গালি দিছিল সেইবোৰৰ উদ্ধৃতি দিলে গাঁৱলীয়া গালি-গালাজবোৰো সাধাৰণ যেন লাগিব। সেইদৰে ৰামে সমুখত গালি নাপাৰিলেও বনৰ প্ৰথম দিনাও লক্ষ্মণৰ আগত দশৰথ-কৈকেয়ীক গুৱাল গালি দিছিল। যুধিষ্ঠিৰে দুৰ্যোধনক দ্বৈপায়ন হ্ৰদৰ পৰা উলিয়াবলৈ বৰ বেয়াকৈ গালি পাৰিছিল, যিবোৰ গালি ভদ্ৰ মানুহৰ মুখত নুশুৱায়। সেইদৰে ভীমে ধৃতৰাষ্ট্ৰৰ অন্ধত্বক লৈ আৰু কৰ্ণৰ সুত জাতক লৈ অশ্ৰাব্য গালি-শপনি পৰাৰ খতিয়ান মহাভাৰতত আছে।

ভাৰতীয় দৰ্শন-শাস্ত্ৰৰ সংখ্যা বহুত। দ্বৈতবাদী, অদ্বৈতবাদী, ন্যায়, মীমাংসা-বৈশেষিক ধৰণৰ বিভিন্ন মতবাদৰ দৰ্শন আছে। ইয়াৰ এটা মতৰ দাৰ্শনিকে আন এটা মতাৱলম্বী দাৰ্শনিকৰ লগত যুক্তিতৰ্কত প্ৰবৃত্ত হৈ শেষত 'কুকুৰ', 'গৰু' ধৰণৰ অভিধাৰে বিৰোধী পক্ষক সম্বোধন কৰি বিতৰ্ক সামৰে। অদ্বৈতবাদী শংকৰাচাৰ্যই নৈয়ায়িকসকলক বিভিন্ন অশ্ৰাব্য গালি দি কয়— 'নৈয়ায়িকবোৰ হ'ল শিং আৰু নেজ নথকা বলদ।' ৰামানুজেও একেই ভাষাৰে শংকৰাচাৰ্যক কয়— 'অলাংগুল শৃংগা বলীবৰ্দাঃ।' সেইদৰে অদ্বৈতবাদী মধুসূদনে দ্বৈতবাদী মধ্বাচাৰ্যক কয়— 'মূৰ্খ, ল'ৰা মতীয়া আৰু নীতিভ্ৰষ্ট। এইবোৰ মূৰ্খই প্ৰলাপ বকিলে বিদ্বান মানুহে উত্তৰ দিব জানো? গাঁৱৰ কুকুৰে ভুকভুকালে, অদ্বৈতবাসী সিংহই গুজৰি নুঠে।' বুঢ়া ষাঁড়, ধূৰ্ত শিয়াল, গাধ, জধামূৰ্খ এনেধৰণৰ অভিধা পৰস্পৰক দি গালি-শপনি পাৰে, অথচ এইসকল দাৰ্শনিকক অতি উচ্চখাপৰ পণ্ডিত বুলি সৰ্বসাধাৰণে ভাৱে। গালি খোৱাৰ সফলতা বিচাৰ কৰিলে বৌদ্ধসকললৈ পুতৌ ওপজাটো খাটাং।

জাতি-বৰ্ণক লৈ গালি-গালাজৰ উদাহৰণো প্ৰাচীন শাস্ত্ৰত ঢেৰ পোৱা যায়। এইবোৰৰ আধিক্য বেছি বাবেই হয়তো মানুহে আইন প্ৰস্তুত কৰিলে 'কোনোবাই যদি কাৰোবাৰ দেশ, জাতি বা কৰ্মক লৈ নিন্দাবাক্য প্ৰয়োগ কৰে, তেওঁক দুশ পণ দণ্ড দিয়া হ'ব।' দুশ পণ মুদ্ৰাৰ মূল্য সেই কালত যথেষ্ট বেছি আছিল। দণ্ডৰ পৰিমাণ বেছি হোৱাৰ কাৰণটো হ'ল— জাত-পাত, বৰ্ণক লৈ গালি দিয়াৰ প্ৰৱণতা মানুহৰ অধিক। তথাকথিত নীচ কৰ্ম কৰা মাছমৰীয়া, চণ্ডাল আদিয়ে উচ্চ বৰ্ণৰ গালি খোৱাটো তেনেই স্বাভাৱিক আছিল, ইয়াৰ বিপৰীতে উচ্চজাত বুলি ভবা ব্ৰাহ্মণ, ক্ষত্ৰিয়, কায়স্থ আদিকো জাতৰ নাম লৈ আনে গালি পাৰিছিল।

ক্ষত্ৰিয়ক ব্ৰাহ্মণ বুলি ক'লে সেয়া গালি বুলি ধৰা হয়। যুদ্ধ নিবিচৰা যুধিষ্ঠিৰক দ্ৰৌপদীয়ে গালি পাৰিছিল— 'শান্তিবৃত্তি ব্ৰাহ্মণকহে শুৱায়; যদি শান্তিয়েই লাগে তেন্তে কৌপীন পিন্ধি বনলৈ যোৱা, মুনিৰ দৰে যজ্ঞত আহুতি দিয়াগৈ।' বীৰ্যসম্পন্ন ক্ষত্ৰিয়ক ব্ৰত পালন কৰা শান্ত ব্ৰাহ্মণ হ'বলৈ দিয়াটো হৈছে গালি। কুৰুক্ষেত্ৰ যুদ্ধত দ্ৰোণাচাৰ্যক অন্যায়ভাৱে বধ কৰাৰ পাছত নিশা শিবিৰত গৰম বিতৰ্ক চলিল। কৰ্ণই সুবিধা পাই দ্ৰোণপুত্ৰ অশ্বত্থামাক বৰকৈ ভ্ৰূকুটি কৰাত তেওঁ কৰ্ণক ক'লে— 'এয়া তোৰ মূৰত মই ভৰি থ'লো, তই মোক কি কৰিব পাৰিবি!' আচলতে মাটিত গোৰ মাৰি কাৰোবাৰ মূৰত পদাঘাত কৰা বুলি ক'লে সেয়া পদাঘাত পোৱাজনৰ বাবে চৰম অপমান। অশ্বত্থামায়ো মাটিত গোৰ মাৰিয়েই কৰ্ণক পদাঘাত কৰা বুলিছিল। কৰ্ণই ক'লে—'তোৰ মূৰটো এই মুহূৰ্ততে মই কাটি ধৰাশায়ী কৰিব পাৰো; কিন্তু তই হ'লি বামুণ আৰু বামুণক মই অস্ত্ৰাঘাত নকৰো।' অশ্বত্থামাই খঙতে নিজৰ লগুণ ছিঙি কৰ্ণক ক'লে—'চা, মই এতিয়া বামুণ নহয়, কৰচোন কি কৰ সাহ আছে যদি।' দুৰ্যোধন আৰু কৃপাচাৰ্যই দুয়োকে আঁতৰাই নিদিয়াহেঁতেন হয়তো কৌৰৱ শিবিৰতে দুই বীৰ ধৰাশায়ী হ'লহেঁতেন। মুঠতে ব্ৰাহ্মণক ব্ৰাহ্মণ বুলিলেও গালি যেনেই লাগে।

কায়স্থসকল ভাল লিপিকাৰ; কিন্তু তেওঁলোকক হেয় কৰিবলৈ লিখনিবোৰক কাউৰীৰ ঠেংকে ধৰি বিভিন্ন বেয়া বিশেষণ দিয়া হৈছিল। কায়স্থৰ কলমৰ পৰা ওলোৱা ক'লা চিঞাহীক তুলনা কৰা হৈছিল ৰাজলক্ষ্মীৰ কাজল ক'লা চকুৰ পানীৰ লগত, অৰ্থাৎ কায়স্থই ৰাজলক্ষ্মীক কন্দুৱায়। সূতসকল গুণ আৰু কৰ্মৰ লগতে জন্মৰ আধাৰতো উচ্চ বৰ্ণৰ। পিছে মহাভাৰতত কৰ্ণই সূতপুত্ৰ বুলি কিমান লাঞ্ছনা পাইছিল সেয়া জনাই জানে।

জাত-পাতৰ আধাৰৰ গালি-গালাজৰ বহু উদাহৰণ দিব পাৰি। প্ৰতিটো জাতিয়েই হয়তো নিজকে উচ্চ আৰু আনবোৰক নীচ বুলি ভবাৰ প্ৰৱণতা আছে। আনটো কথা হ'ল—একোটা জাতিৰ দুই-এজনে কৰা বেয়া কামবোৰ সমগ্ৰ জাতিটোৰ ওপৰতে জাপি দিয়া হয়। অৰ্থৰ বিকৃতকৰণেও এইবোৰত অৰিহণা যোগায়। মিঞা শব্দটোৱে অভিজাত মুছলমানক বুজায় যদিও এতিয়া গালি পাৰিবলৈহে যেন ইয়াৰ ব্যৱহাৰ হয়। 'মিঞা ভোট নালাগে' বুলি বিজেপি নেতাই দিয়া ভাষ্য গালিৰূপেই প্ৰতিভাত হৈছে।

বিভিন্ন কাৰণে কাৰোবাৰ ওপৰত খং উঠিলে আৰু খংবোৰ সামৰি-সুতৰি ৰাখিলে এসময়ত বিস্ফোৰণ হোৱাৰ আশংকা থাকে। গালি পাৰিলে খঙৰ প্ৰকোপ কমে, বিস্ফোৰণৰ সম্ভাৱনাও কমে। সেই হিচাপত গালি হয়তো ভালেই।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*

# ইছলামৰ দৃষ্টিত জেহাদ



**অভিমত**

**সঞ্জীৱ সভাপণ্ডিত**

**২৫** মাৰ্চৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত এম হাছিম আলীৰ 'ইছলামৰ দৃষ্টিত জেহাদ' শীৰ্ষক লেখাটোৰ কিছু কথাত সহমত প্ৰকাশ কৰিব নোৱাৰি এই লেখা লিখিলো।

ক) শক্তি প্ৰয়োগ কৰি ন্যায় প্ৰতিষ্ঠা কৰাটো জেহাদৰ অন্য নাম— কোনটো ন্যায়, কোনটো অন্যায়, সেইটো কোৰান শ্বৰীফ বা আল্লাহৰ মতে নিৰূপণ কৰিবলৈ গৈ আৰু সেই 'অন্যায় ধ্বংস' কৰিবলৈ শক্তি প্ৰয়োগ কৰাৰ নামত পৃথিৱীত বহুত হিংসা তথা যুদ্ধৰ সৃষ্টি হৈছে। বহুত ৰক্তাক্ত সংঘৰ্ষ হৈছে। কেৱল ইছলাম ধৰ্ম মতে ন্যায়ৰ সংজ্ঞা নিৰূপণ কৰিবলৈ যোৱাৰ ফলত অন্য ধৰ্মাৱলম্বী মানুহক আঘাত কৰা হৈছে। ভাৰতীয় হিন্দু আৰু বৌদ্ধধৰ্মত হিংসাক অগ্ৰাহ্য কৰা হৈছে। সেয়ে হিন্দু আৰু বৌদ্ধধৰ্মৰ লগত ইছলাম ধৰ্মৰ মাজত এক 'জন্মগত সংঘাত' থাকি গ'ল।

খ) সুদৰ প্ৰথা বা সুদৰ কাৰবাৰ কৰাটো ইছলাম ধৰ্মবিৰুদ্ধ কথা, কাৰণ ইয়াৰ মাধ্যমেৰে গৰিবক শোষণ কৰা হয়— মধ্যযুগৰ মহাজনী কাৰবাৰবিলাক সামন্তযুগীয় আছিল; কিন্তু আধুনিক অৰ্থনৈতিক ব্যৱস্থাত বেংক এটা অপৰিহাৰ্য অনুষ্ঠান। সুদ নল'লে বেংক চলিব নোৱাৰে। বেংক নচলিলে অৰ্থনীতি জীয়াই থাকিব নোৱাৰে। গতিকে সপ্তম শতিকাৰ কোৰানৰ কথাৰে একবিংশ শতিকাৰ পৃথিৱী চলিব নোৱাৰে। মধ্যপ্ৰাচ্যৰ বেংকবিলাক তেলৰ পইচাৰে চলে। তাত খাৰুৱা তেল নথকা হ'লে সেইবোৰ দেশত পানীত হাঁহ নচৰা অৱস্থা হ'লহেঁতেন। ইছলাম ধৰ্মৰো ইমান প্ৰসাৰ নহ'লহেঁতেন। আমাৰ কাশ্মীৰতো দুটামান ইছলামিক বেংক আছে, যিবিলাক চৰকাৰে আৰু কেইজনমান ধনী মানুহে আৰু ধনী সংগঠনে ঢোকা দি চলাই আছে। সেইবিলাকে এপইচা-দুপইচা ঋণ দিব পাৰে, এশ-দুশ টকা দিব নোৱাৰে।

গ) মাদক দ্ৰব্য আৰু মদৰ ব্যৱসায়ে সমাজৰ অপকাৰ কৰে, সংসাৰত অশান্তি আৰু অন্যায় সৃষ্টি কৰে। গতিকে ইয়াক নিৰ্মূল কৰিব লাগে— মদ মানৱ সভ্যতাৰ এটা অংগাংগী উপাদান। মানুহে পৃথিৱীত প্ৰথম খেতি কৰিবলৈ লোৱাৰ পৰাই মদ তৈয়াৰ আৰু সেৱন কৰি আহিছে। ঠাণ্ডা দেশবিলাকততো মদ নিতান্তই এটা প্ৰয়োজনীয় খাদ্য। পৃথিৱীৰ এনে কোনো দেশ নাই, য'ত মানুহে মদ নাখায়। আনকি ইছলামিক দেশতো খায়। মদৰ লগত মানুহৰ সাহিত্য-কলা আদিৰ সৃষ্টিশীলতাও জড়িত হৈ আছে। ইছলামধৰ্মী ওমৰ খায়াম, মিৰ্জা গালিব আদি সৃষ্টিশীল মানুহৰ নাম লৈ শেষ কৰিব নোৱাৰি। মদ খাব নজনা মানুহেহে সমস্যাৰ সৃষ্টি কৰে। স্বাস্থ্যবিধিৰ ভিতৰত থাকি ভাল মদ সেৱন কৰাটো একো আপত্তিজনক কথা হ'ব নোৱাৰে। ধঁপাত আৰু ড্ৰাগছ অৱশ্যে স্বাস্থ্যৰ কাৰণে ক্ষতিকৰ।

ঘ) অবৈধ যৌন সম্পৰ্ক দূৰ কৰাৰ কাৰণে নগ্নতাৰ বিৰুদ্ধে আন্দোলন কৰাটো জেহাদ। ল'ৰা-ছোৱালী সকলোৱে গাত লিপিট খোৱা চুটি কাপোৰ পিন্ধিব নালাগে, বিশেষকৈ ছোৱালীয়ে মুখমণ্ডল আৰু সৰ্বশৰীৰ ঢাক খোৱা কাপোৰহে পিন্ধিব লাগে। বয়ফ্ৰেণ্ড-গাৰ্লফ্ৰেণ্ড বাছনি কৰিব নালাগে। বিবাহৰ পূৰ্বে হলি-গলি-ডেটিঙৰ বিৰুদ্ধে সংগ্ৰাম কৰাটো জৰুৰী। ছোৱালীৰ বিয়া মাক-দেউতাকেহে ঠিক কৰিব লাগে। ইছলাম ধৰ্মই যদি এইবোৰ কথা কৈছে তেন্তে এইবোৰ আধুনিকতাৰ পৰিপন্থী, মধ্যযুগীয়, পুৰুষ-নাৰীৰ সাম্যতাৰ বিৰোধী আৰু নিতান্তই গৰ্হিত আৰু অগ্ৰহণীয় কথা কৈছে। যৌন সম্পৰ্ক কোনটো বৈধ— কোনটো অবৈধ, কোনে কাক বিয়া কৰাব, কোনে কাৰ লগত মিলা-মিছা কৰিব, সেইবোৰ নিৰ্ধাৰণ কৰিবলৈ আমি কোন? ব্যক্তি স্বাধীনতা বুলি একো কথা ইছলাম ধৰ্মই স্বীকাৰ নকৰে নেকি? মতা মানুহবোৰ ইমানেই কামুক নেকি যে ছোৱালী এজনীৰ মুখ-চকু দেখিলেই যৌন উত্তেজনাত জঁপিয়াই পৰিব। ছোৱালী এজনীয়ে কি কাপোৰ পিন্ধিব, তাত মাত মাতিবলৈ মই কোন? সৰ্বত্ৰ গা-ঢকা ছোৱালীক মুছলমান পুৰুষেই ধৰ্ষণ কৰাৰ উদাহৰণ নাই নে? বুকুৰ স্তন নাৰীৰ গৌৰৱ-সৌন্দৰ্য-মাতৃত্বৰ বাবে সম্পদ আৰু প্ৰাকৃতিক ঐশ্বৰ্য। বুকুখন অলপ ওলালেই নগ্নতা নুবুজায়। এনে মান্ধাতাকলীয়া পুৰুষ থকা বাবেই মুছলমান সমাজ বহুতৰ লগত মিলিব নোৱাৰে। সমগ্ৰ পৃথিৱীয়ে আজি পুৰুষ-পুৰুষ, মহিলা-মহিলাৰ বিবাহকো সহনশীলতাৰ দৃষ্টিৰে চাইছে। একক পিতৃত্ব আৰু একক মাতৃত্বকো মানি লৈছে। তেনেস্থলত এনে ধৰণৰ পুৰণা কথা ৰাজহুৱা মাধ্যমত প্ৰকাশ কৰি গ্ৰহণ কৰিবলৈ যুক্তি দিয়াটো একেবাৰে গ্ৰহণযোগ্য কথা নহয়। জেহাদ কৰিবলৈ কোৱাটো যে একেবাৰে নহয়।

ঙ) আল্লাহৰ বাহিৰে কোনো নাই। ইয়াৰ বাহিৰে আন কাৰোবাক প্ৰভু মনা বা পূজা কৰাটো কুসংস্কাৰ। শ্ৰীৰাম, যীশু, মহম্মদ, মেৰী, যোচেফ, বুদ্ধ, শংকৰদেৱ বা কোনো পীৰ-সাধুক পূজা বা উপাসনা কৰাটোও নিষেধ। আল্লাইহে একমাত্ৰ সৃষ্টিকৰ্তা আৰু প্ৰতিপালক। তাৰ বাহিৰে অন্য কাৰোবাক মনাটো কুসংস্কাৰ আৰু এই কুসংস্কাৰৰ বিৰুদ্ধে জেহাদ কৰিব লাগে। ইয়াৰ অৰ্থ হ'ল ইছলামৰ বাহিৰে অন্য সকলোবিলাক ধৰ্ম বা মত বা বিশ্বাস ভুল বা বেয়া। সেইবিলাক মানিব নালাগে আৰু ইছলামধৰ্মীসকলে বাকী সকলোৰে বিৰুদ্ধে জেহাদ কৰিব লাগে অৰ্থাৎ শক্তি প্ৰয়োগ কৰি হ'লেও সিবিলাকক 'ঠিক' কৰিব লাগে। এইবিলাক কথা সভ্যতাৰ পৰিপন্থী। একবিংশ শতিকাত এইবিলাক কথাই শোভা নাপায়। সমগ্ৰ বিশ্বৰ ইছলামধৰ্মীয় সমাজত কি ঘটি আছে সকলোৱে দেখি আছে। আনৰ বিশ্বাস আৰু ধৰ্মক সন্মান কৰিব নজনাজনক অসভ্য বুলি কয়।

আমাৰ অসমত এইবোৰ কথা আমাৰ অসমীয়া মুছলমান বন্ধু-বান্ধৱৰ মাজত বা আমি আহ-যাহ কৰা মুছলমানৰ ঘৰত কেতিয়াও শুনা নাছিলো। এতিয়া অসমলৈ ধুমুহাৰ গতিত বোৰ্খা প্ৰচলন আহিছে, জাকে জাকে তবলিগি দল আহিছে, শ্বৰিয়তৰ নিয়ম মতে অসমৰ বহু ঠাইত সমাজ চলিবলৈ লৈছে, ভাৰতীয় আইন-কানুন আঁতৰাই গান গোৱা মানুহক পিটা হৈছে, পুৰুষ লগ নোহোৱাকৈ নাৰীক ঘৰৰ পৰা ওলাবলৈ নিদিয়া হৈছে। বহু বাংলাদেশী মুছলমান আৰু মৌলবাদীৰ দ্বাৰা আজি অসম এনে ধ্যান-ধাৰণাৰে আক্ৰান্ত।

মুছলমানৰ কথা ক'লেই অসমত আজি-কালি হিন্দু সাম্প্ৰদায়িক বুলি কোৱা হয়। এই লেখাৰ বাবে কোনোবাই মোক তেনে অভিধা দিলেও দিয়ক; কিন্তু আলীৰ সেই লেখাৰ বিষয়ে মই প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি নোৱাৰিলো। ধৰ্মগ্ৰন্থত লিখা আছে বুলিয়েই আধুনিক মানুহে বহুত পুৰণা কথাকে মান্যতা দিয়া উচিত নহয়। নহ'লে আমাৰ শিক্ষা-দীক্ষাৰ কি অৰ্থ আছে? পুৰণা পৰিৱেশ-পৰিস্থিতিত কিছুমান কথা কিছুমান মানুহে কৈছিল। সেই সকলোবোৰ কথা পৰিৱৰ্তিত পৰিস্থিতিত প্ৰযোজ্য নহয়। নাৰীৰ ক্ষেত্ৰতো একেবাৰে নহয়। নাৰী পুৰুষতকৈ একোতে কম নহয়; বৰঞ্চ মানৱ সমাজ-সভ্যতাত নাৰীৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ। পুৰুষে নাৰীৰ ওপৰত বাধ্যবাধকতা আৰোপ কৰাটো এক প্ৰকাৰ কুসংস্কাৰহে।

আনহাতে, আধুনিক মানুহৰ ধৰ্ম-বিজ্ঞান-প্ৰযুক্তি আৰু আধ্যাত্মিকতাহে হোৱা উচিত। মানৱ সভ্যতাই তেনে গতিকেহে লৈছে। পুৰণা ধৰ্মীয় কথাবিলাকে তীব্ৰগতিত প্ৰাসংগিকতা হেৰুৱাই পেলাইছে।

আমি শিক্ষিত সমাজে সঠিক পথত চলিব লাগে।

*ফোন ঃ ৯৮৬৪০৪৪৪৭০*

# প্ৰযুক্তিৰ সুফল, প্ৰযুক্তিৰ কুফল

**অভিমত**

**বৰ্তমান** যুগটো হ'ল বিজ্ঞান প্ৰযুক্তিৰ যুগ। প্ৰযুক্তিৰ ন ন আৱিষ্কাৰৰ ফলত মানুহে আজিকালি শাৰীৰিক পৰিশ্ৰম কৰিবলৈ প্ৰায় এৰিছে। প্ৰযুক্তিয়ে মানুহক নানা ধৰণৰ বস্তু অথবা যন্ত্ৰপাতি উপহাৰ দি মানুহক কৰ্মবিমুখ আৰু আৰামপ্ৰিয় কৰি তুলিছে। তাৰ ফলস্বৰূপে মানুহ মধুমেহ, উচ্চ ৰক্তচাপ আদি নানা বেমাৰৰ চিকাৰ হৈ পৰিছে।

এদিন আজৰি সময়ত ইউটিউবত ইটো-সিটো চাই থাকোতে এটা আগেয়ে নেদেখা ভিডিঅ' দেখি খুলি চাবলৈ ল'লো। তাত দেখিলো ষ্টিলৰ কাঁহী-বাটি, কেৰাহি, কুকাৰ, কাপ-গিলাচ, গাখীৰ গৰম কৰা চচ্‌পেনকে আদি কৰি প্ৰায় সকলো বাচন এটা মেচিনৰ ৰেকত তলমুৰাকৈ সজাই থ'লে। তাত বাচন ধোৱা চাবোন এডোখৰ দি সেইখন বন্ধ কৰি মেচিনটো চলাই দিয়ে। অলপ পাছত মেচিনটো খুলি পৰিষ্কাৰ শুকান বাচনবোৰ এখন এখনকৈ উলিয়াই দেখুৱালে। মনতে ভাবিলো ইমান কম সময়ত ঘৰখনৰ ব্যৱহৃত সকলো বাচন ধোৱা আৰু শুকোৱা কাম সমাধা হ'ল, তাকে দেখি মনত ভাবিলো আজিৰ প্ৰযুক্তিয়ে কি যে কৰা নাই!

মেচিনত বাচন ধোৱা দেখি মোৰ ৫০ বছৰমান আগৰ আমি সৰু থাকোতে দেখা কথাবোৰ চকুৰ আগত ভাহি উঠিল। সেই সময়ত আজিকালিৰ নিচিনা একক পৰিয়াল নাছিল। সেই সময়ত যৌথ পৰিয়ালৰ প্ৰচলন অধিক আছিল। তিনি চাৰিটা ভাই-ককাইৰ পৰিয়াল একেলগে থাকি ঘৰৰ সকলো কাম নিজে কৰি লৈছিল। প্ৰায় ৪০-৫০জন মান মানুহৰ ৰন্ধা-বঢ়া, কানি-কাপোৰ ধোৱা, বাচন-বৰ্তন ধোৱা আদি ঘৰৰ যাৱতীয় কাম সকলোৱে নিজে নিজৰ দায়িত্বৰূপে কৰি গৈছিল। সেই সময়ত আজিকালিৰ নিচিনা পাতল পাতল ষ্টিল-প্লাষ্টিক আদিৰ বাচন-বৰ্তন নাছিল। সকলোৱে কাঁহ-পিতলৰ বাচন-বৰ্তন ব্যৱহাৰ কৰিছিল। সেই বাচন-বৰ্তনবোৰ অতি গধুৰ আৰু চাফ-চিকুণকৈ ৰাখিবলৈও ছাই বালি আদিৰে কষ্ট কৰি ঘঁহি মাজি ধুই ল'ব লাগিছিল। বৰ্তমানৰ নিচিনা সেই সময়ত পাকঘৰৰ ভিতৰতে বেচিনত বাচন ধোৱাৰ ব্যৱস্থা বা নিয়মো নাছিল। তেতিয়া ঘৰত মহিলাসকলে সেই পৰিয়ালৰ ইমানবোৰ মানুহে খোৱা গধুৰ বাচনবোৰ বৰ কষ্টেৰে দাঙি নি ঘৰৰ পৰা আঁতৰত ধুই-পখালি আনিব লাগিছিল। আজিকালিৰ নিচিনা তেতিয়া মছলা গুড়ি, পিঠা গুড়ি, সান্দহ গুড়ি আদি কিনিবলৈ নাপাইছিল। সকলো বস্তু ঢেঁকীত খুন্দি নিজে যোগাৰ কৰি ল'বলগীয়া হৈছিল। ঢেঁকীত ধান-চাউল বনা, সান্দহ খুন্দা, পিঠাগুড়ি খুন্দা, হালধি গুড়ি খুন্দা, পিঠা পনা ভজা আদি সকলো কাম নিজ হাতে কৰি পৰিয়ালৰ মানুহক খুওৱা, আলহী-অতিথিক সোধপোছ কৰা, ওচৰ চুবুৰীয়াক ভগাই দিয়া আদি কাম কৰি মনত আনন্দ লাভ কৰিছিল।

কাঁহ-পিতলৰ বাচন-বৰ্তনসমূহ আঁতৰলৈ ধুবলৈ অনা নিয়া কৰোতে মহিলাসকলৰ কঁকাল বেঁকা হৈ গৈছিল। সেইবিলাকৰ ফলতে প্ৰায়ভাগ মহিলাৰ কঁকালৰ বিষ হৈ কঁকাল পৰিছিল (অৰ্থাৎ পোন হৈ থিয় হ'ব নোৱাৰিছিল অথবা কঁকাল হালি গৈছিল)। প্ৰায়ভাগ মহিলাই কঁকালৰ বিষত তত্ নাপাই গৰম তেলৰ মালিচ লৈছিল। কিন্তু ওজন দাঙি-দাঙি হোৱা কঁকালৰ বিষ অথবা কঁকাল পৰা ভাল নহৈছিল। জীয়াই থকা কালছোৱা সেই বিষেৰেই চলিব লাগিছিল আৰু তাৰ বাহিৰে অন্য উপায় নাছিল।

সেয়ে মানুহে নিজৰ যাৱতীয় কাম নিজে কৰি ল'ব লাগে। অকল প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰ কৰি আৰামপ্ৰিয় জীৱন কটালে প্ৰযুক্তিৰ সুফল ভোগ কৰাৰ বিপৰীতে প্ৰযুক্তিৰ কুফল অৰ্থাৎ নানা ধৰণৰ বেমাৰ-আজাৰেহে মানুহক হেঁচা মাৰি ধৰিব।

**কিৰণ গোস্বামী**, ফোন ঃ ৮৪৭২৮৪৫১৪৭

## মে’ত পুনৰ প্ৰতিবাদী কৃষকৰ সংসদ অভিযান



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ এপ্ৰিল ঃ** কেন্দ্ৰীয় চৰকাৰৰ তিনিখন কৃষি আইনৰ বিৰুদ্ধে প্ৰতিবাদী আন্দোলন অব্যাহত ৰখা কৃষকসকলে অহা মে’ত পুনৰ সংসদ অভিযান চলাব। সংযুক্ত কিষাণ মৰ্চাৰ নেতাই এই কথা ঘোষণা কৰি জনোৱা মতে, কেন্দ্ৰীয় চৰকাৰে ‘মাণ্ডি’ৰ বাহিৰতো শস্য বিক্ৰী কৰিব পাৰিব বুলি ঘোষণা কৰিছিল আৰু সেয়েহে কৃষকসকলে সংসদলৈ গৈ তাত উৎপাদিত শস্য বিক্ৰী কৰিব। যোৱা বছৰৰ ২৬ নৱেম্বৰৰ পৰা পঞ্জাৱ, হাৰিয়ানাৰ কৃষকসকলে দিল্লীৰ সীমান্তত সমবেত হৈ কেন্দ্ৰীয় চৰকাৰৰ কৃষি নীতিৰ বিৰুদ্ধে প্ৰতিবাদ অব্যাহত ৰাখিছে। মে’ মাহৰ প্ৰথম ভাগতে কৃষকসকলে ‘সংসদ যাত্ৰা’ অভিযান গ্ৰহণ কৰিব বুলি আজি কৃষক সংগঠনটোৱে জানিবলৈ দিয়ে।

## মঙল গ্ৰহত মৃত্যুবৰণ কৰিব বিচাৰে এলন মাস্কৰ প্ৰেমিকাই



**নিউজ ব্যুৰ’, ৱাশ্বিংটন, ১ এপ্ৰিল ঃ** বিশ্বৰ অন্যতম ধনাঢ্য ব্যক্তি এলন মাস্কৰ প্ৰেমিকা গ্ৰিমছে এলনৰ দৰে মঙল গ্ৰহত বসবাস কৰিব বিচাৰে। ইনষ্টাগ্ৰামত নিজৰ এই আকাংক্ষাৰ কথা ব্যক্ত কৰি গ্ৰিমছে কয়, ‘মঙল গ্ৰহত মৃত্যুবৰণ কৰিবলৈ মই সাজু আছো।’ গ্ৰিমছে সামাজিক মাধ্যমত এনে মন্তব্য সেই সময়ত প্ৰকাশ কৰিলে যি সময়ত তেওঁৰ প্ৰেমিক তথা স্পেচ এক্স আৰু টেছলাৰ স্বত্বাধিকাৰী এলনে মঙল গ্ৰহলৈ যাবলৈ নিজৰ প্ৰতিষ্ঠানে তৈয়াৰ কৰা ৰকেটৰ পৰীক্ষণত অহৰহ ব্যস্ত হৈ আছিছে। উল্লেখ্য যে এলনৰ স’তে মুক্ত সহবাস কৰা গ্ৰিমছৰ এটি পুত্ৰ সন্তান আছে। গ্ৰিমছ এগৰাকী জনপ্ৰিয় সংগীত শিল্পী। ইনষ্টাগ্ৰামত অলপতে গ্ৰিমছে মন্তব্য কৰি কৈছিল যে মঙল গ্ৰহৰ ৰঙা ধূলিত তেওঁ মৃত্যুবৰণ কৰিবলৈ সাজু আছে। মাস্কে অলপতে কৈছিল যে তৃতীয় বিশ্বযুদ্ধৰ পূৰ্বে তেওঁ মঙল গ্ৰহত মানুহৰ বসবাসৰ সকলো বন্দোবস্ত কৰি দিব। ষ্টাৰশ্বিপ এছ এন ১১ ৰকেটৰ জৰিয়তে মাস্কে মঙললৈ মানৱক প্ৰেৰণ কৰিবলৈ প্ৰস্তুতি অব্যাহত ৰাখিছে।

## ক্ষুদ্ৰ সঞ্চয়ত সুদৰ হাৰ হ্ৰাস নাপায় ঃ ঘোষণা সীতাৰমনৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ এপ্ৰিল ঃ** ক্ষুদ্ৰ সঞ্চয়ৰ সুদৰ হাৰ হ্ৰাসৰ কথা বুধবাৰে নিশা কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে এক বিজ্ঞপ্তিৰ জৰিয়তে ঘোষণা কৰিছিল। চৰকাৰৰ এই সিদ্ধান্তক লৈ দেশজুৰি ব্যাপক প্ৰতিক্ৰিয়া সৃষ্টি হোৱাৰ প্ৰতি লক্ষ্য ৰাখি ক্ষুদ্ৰ সঞ্চয়ত সুদ হ্ৰাসৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰাৰ থকা আজি ঘোষণা কৰিলে কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে। বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে, ২০২০-২১ বিত্তীয় বৰ্ষৰ অন্তিম ত্ৰিমাহেকত সুদৰ যি হাৰ আছিল, ক্ষুদ্ৰ সঞ্চয়ৰ ক্ষেত্ৰত সেয়া বাহাল থাকিব। সীতাৰমনে এইদৰে ঘোষণা কৰি লগতে কয় যে ভুলবশতহে সুদৰ হাৰ হ্ৰাস কৰাৰ নিৰ্দেশ জাৰি কৰা হৈছিল। বুধবাৰে নিশা কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ে জাৰি কৰা বিজ্ঞপ্তিত কৈছিল যে ২০২১-২২ বিত্তীয় বৰ্ষত পি পি এফৰ সঞ্চয়ত সুদৰ হাৰ ৪.৬ শতাংশ আৰু ক্ষুদ্ৰ সঞ্চয়ত সুদৰ হাৰ ৩.৫ শতাংশ হ’ব। উল্লেখ্য যে পূৰ্বে এই হাৰ আছিল ক্ৰমে ৭.১ শতাংশ আৰু চাৰি শতাংশ। অৱশ্যে ক্ষুদ্ৰ সঞ্চয়ৰ সুদৰ হাৰ হ্ৰাসৰ এই সিদ্ধান্ত চৰকাৰে প্ৰত্যাহাৰ কৰে।

## ৰক্ত কৰ্কটত আক্ৰান্ত অভিনেত্ৰী-সাংসদ কিৰণ খেৰ



**নিউজ ব্যুৰ’, মুম্বাই, ১ এপ্ৰিল ঃ** বলিউডৰ প্ৰবীণ অভিনেত্ৰী তথা বিজেপিৰ সাংসদ কিৰণ খেৰ শাৰীৰিকভাৱে অসুস্থ। অভিনেত্ৰী-সাংসদগৰাকী কৰ্কট ৰোগত আক্ৰান্ত হৈছে। আজি এই দুঃসংবাদ টুইট কৰি প্ৰকাশ কৰিলে কিৰণৰ স্বামী অভিনেতা অনুপম খেৰে। যোৱা বছৰৰ নৱেম্বৰতে কিৰণৰ শৰীৰত ৰক্ত কৰ্কটৰ লক্ষণ চিনাক্ত হৈছিল আৰু লগে লগে তেওঁ মুম্বাইৰ ককিলাবেন হাস্পতালত চিকিৎসা গ্ৰহণ কৰিছিল। বিগত চাৰিমাহজোৰা চিকিৎসাৰ পাছত সম্প্ৰতি সাংসদ-অভিনেত্ৰীগৰাকীৰ স্বাস্থ্যৰ কিছু উন্নতি হোৱা বুলি অনুপমে জানিবলৈ দিয়ে।

## কেলিফ’ৰ্ণিয়াত বন্দুকধাৰীৰ আক্ৰমণত শিশুসহ নিহত চাৰিজন

**নিউজ ব্যুৰ’ কেলিফ’ৰ্ণিয়া, ১ এপ্ৰিল ঃ** আমেৰিকাৰ কেলিফ’ৰ্ণিয়াত বন্দুকধাৰী দুৰ্বৃত্তই সংঘটিত কৰিলে ভয়াৱহ আক্ৰমণ। বন্দুকধাৰীৰ গুলিবৰ্ষণত চাৰিজন লোকৰ মৃত্যু হোৱাৰ লগতে আন কে’বাজনো লোক গুলিবিদ্ধ হয়। যোৱা নিশা লছ এঞ্জেলছত অৰেঞ্জ অঞ্চলত এটা দুমহলীয়া বাসগৃহত গুলীয়াগুলিৰ শব্দ শুনা গৈছিল। স্থানীয় বাসিন্দাই প্ৰকাশ কৰা মতে, এজন বন্দুকধাৰীয়ে বাসগৃহত প্ৰৱেশ কৰি জধে-মধে গুলিবৰ্ষণ কৰে। ফলত এটি শিশুসহ চাৰিজন লোকৰ মৃত্যু হোৱাৰ লগতে আন সাতজন লোক গুৰুতৰভাৱে আহত হয়। ঘটনাৰ খবৰ লাভ কৰিয়ে আৰক্ষীয়ে অঞ্চলটোত উপস্থিত হৈ আক্ৰমণকাৰীক আত্মসমৰ্পণৰ আহ্বান জনায় যদিও বন্দুকধাৰীয়ে প্ৰস্তাৱ অস্বীকাৰ কৰাত আৰক্ষীয়ে গুলিবৰ্ষণ কৰে। ফলত দুৰ্বৃত্ত গুলিত আহত হয়।

### দেশত পাঁচ মাহৰ পাছত সৰ্বাধিক হ’ল দৈনিক সংক্ৰমণৰ হাৰ, মৃতকৰ সংখ্যাও যথেষ্ট বৃদ্ধি পালে

# ৭২ হেজাৰলৈ হঠাৎ সংক্ৰমণ বৃদ্ধি, এদিনতে মৃত ৪৫৯ জন

**নিউজ ব্যুৰ’ নতুন দিল্লী, ১ এপ্ৰিল ঃ** ক’ভিডৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৱে ক্ৰমে দেশক গ্ৰাস কৰিব ধৰিছে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক’ভিডত আক্ৰান্ত ৭২,৩৩০ জন লোক। উল্লেখ্য যে বিগত পাঁচ মাহৰ পাছত দেশত এয়ে সৰ্বাধিক হ’ল ক’ভিডৰ দৈনিক সংক্ৰমণৰ হাৰ। যোৱা বছৰৰ ১১ অক্টোবৰৰ পাছত দেশত প্ৰথমবাৰৰ বাবে কৰ’নাত ৭২ হেজাৰতকৈ অধিক লোক এদিনত এই মাৰাত্মক ভাইৰাছত আক্ৰান্ত হ’ল। ফলত দেশত কৰ’নাত মুঠ আক্ৰান্তৰ সংখ্যা ১,২২,২১,৬৬৫ জনলৈ বৃদ্ধি পালে। কৰ’না আক্ৰান্তৰ সৰহসংখ্যকে হৈছে দেশৰ ৯-১০ খন ৰাজ্যৰ বাসিন্দা। দেশৰ ভিতৰতে মহাৰাষ্ট্ৰত সৰ্বাধিকসংখ্যক ক’ভিড ৰোগীক চিনাক্ত কৰা হৈছে। যোৱা ২৪ ঘণ্টাত এইখন ৰাজ্যত নতুনকৈ কৰ’নাত আক্ৰান্ত হ’ল ৩৯,৫৪৪ জন লোক। কৰ্ণাটক আৰু চত্তিছগড়তো দৈনিক চাৰি হেজাৰকৈ লোক ক’ভিডত সংক্ৰমিত হৈছে। কেৰালা, তামিলনাডু, পঞ্জাৱত দৈনিক আঢ়ৈ হেজাৰ, মধ্য প্ৰদেশ আৰু গুজৰাটত দুহেজাৰ লোক ক’ভিডত সংক্ৰমিত হৈছে। দিল্লীত



যোৱা ২৪ ঘণ্টাত ১,৮১৯ জন লোক কৰ’নাত সংক্ৰমিত হৈছিল। হাৰিয়ানা, উত্তৰ প্ৰদেশ, অন্ধ্ৰ প্ৰদেশত দৈনিক এহেজাৰ, পশ্চিমবংগ আৰু ৰাজস্থানত দৈনিক গড়ে ৯০০ জন লোক ক’ভিডত সংক্ৰমিত হৈ আছিছে। কৰ’নাৰ নতুনকৈ ব্যাপক সংক্ৰমণৰ লগতে যোৱা ২৪ ঘণ্টাত দেশত ক’ভিডত মৃতকৰ সংখ্যাও উদ্বেগজনক হাৰত বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ৪৫৯ জন লোকে কৰ’নাত প্ৰাণ হেৰুৱাইছিল। যোৱা পাঁচ ডিচেম্বৰৰ পাছত দেশত এয়ে প্ৰথমবাৰৰ বাবে সৰ্বাধিকসংখ্যক লোকৰ ক’ভিডত মৃত্যু হ’ল। যোৱা ২৪ ঘণ্টাত মহাৰাষ্ট্ৰত ২২৭ জন লোকৰ ক’ভিডত প্ৰাণহানি ঘটে। দিল্লী, তামিলনাডু, কৰ্ণাটকতো কৰ’নাত মৃতকৰ সংখ্যা উদ্বেগজনক হাৰত বৃদ্ধি পাইছে।

## তামিলনাডুৰ নিৰ্বাচনৰ পূৰ্বে ৰজনীকান্তলৈ দাদাচাহেব ফাল্কে বঁটা প্ৰদানক লৈ বিতৰ্ক

**নিউজ ব্যুৰ’ চেন্নাই, ১ এপ্ৰিল ঃ** দাদাচাহেব ফাল্কে বঁটাৰে সন্মানিত হ’ল দক্ষিণ ভাৰতৰ মহাতাৰকা অভিনেতা ৰজনীকান্ত। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী প্ৰকাশ জাভড়কাৰে আজি এই কথা ঘোষণা কৰি ২০১৯ বৰ্ষৰ দাদাচাহেব ফাল্কে বঁটা দক্ষিণৰ জনপ্ৰিয় অভিনেতাজনলৈ অৰ্পণ কৰে। ১০৫০ত বাংগালুৰুত জন্মলাভ কৰা ৰজনীকান্তে প্ৰথমে বাছ পৰিচালক হিচাপে কাম কৰিছিল আৰু পাছত তেওঁ তামিল ছবিৰ জৰিয়তে ১৯৭৫ত অভিনেতা হিচাপে আত্মপ্ৰকাশ কৰিছিল। দক্ষিণৰ ছবিৰ লগতে বলিউডৰ একাধিক ছবিতো



অভিনয় কৰি ৰজনীকান্তে মহাতাৰকা অভিনেতাৰ স্বীকৃতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ৰজনীকান্তলৈ ভাৰতীয় চলচ্চিত্ৰৰ অন্যতম সন্মানীয় এই বঁটা আগবঢ়োৱাত তেওঁৰ অনুৰাগীসকলে আনন্দ অনুভৱ কৰিছে। অৱশ্যে অহা ছয় এপ্ৰিলত তামিলনাডুৰ বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব আৰু ইয়াৰ পূৰ্বে দক্ষিণৰ অভিনেতাজনলৈ দাদাচাহেব ফাল্কে বঁটা প্ৰদানৰ সিদ্ধান্তৰ স’তে কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ ৰাজনৈতিক অংক জড়িত আছে বুলি একাংশ লোকে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে। নিৰ্বাচনৰ পূৰ্বে বিজেপিয়ে ৰজনীকান্তক এই সন্মান প্ৰদানৰে তামিল ভোটদাতাসকলক আকৃষ্ট কৰাৰ অপচেষ্টা চলোৱা বুলিও তামিলনাডুৰ বিৰোধী ৰাজনৈতিক দলে অভিযোগ কৰিছে।

## সংক্ৰমণ ব্যাপক ঃ তৃতীয়বাৰৰ বাবে তলাবন্ধ ঘোষণা ফ্ৰান্সত



**নিউজ ব্যুৰ’, পেৰিছ, ১ এপ্ৰিল ঃ** কৰ’না ভাইৰাছৰ নতুন প্ৰজাতিৰ ব্যাপক সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত আকৌ এবাৰ তলাবন্ধৰ সিদ্ধান্ত ল’বলৈ বাধ্য হ’ল ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ’ৰে। যোৱা নিশা মেক্ৰ’ৰে দেশত তৃতীয়বাৰৰ বাবে তলাবন্ধৰ কথা ঘোষণা কৰে। ৰাষ্ট্ৰপতিৰ এই ঘোষণাৰ পাছত ফ্ৰান্সত আগন্তুক তিনি সপ্তাহৰ বাবে সকলোবোৰ বিদ্যালয় বন্ধ থাকিব। উল্লেখ্য যে সম্প্ৰতি ফ্ৰান্সত কৰ’না ভাইৰাছৰ সংক্ৰমণৰ তৃতীয়টো ঢৌ বাহাল আছে। দেশখনত কৰ’নাত মৃতকৰ সংখ্যা প্ৰায় এক লাখ হৈছেগৈ। প্ৰকাশিত বাতৰি অনুসৰি প্ৰতিষেধক প্ৰদান প্ৰক্ৰিয়া লেহেমীয়া হোৱা আৰু একে সময়তে কৰ’নাৰ নতুন সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰপতি মেক্ৰ’ৰে দেশজুৰি পুনৰ তলাবন্ধ কৰিবলৈ বাধ্য হ’ল। ৰাষ্ট্ৰক উদ্দেশি দিয়া ভাষণত মেক্ৰ’ৰে কয় যে এতিয়াই যদি পুনৰ তলাবন্ধ কৰা নহয়, তেন্তে ফ্ৰান্সত ক’ভিড পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰলৈ যাব। আগন্তুক তিনি সপ্তাহলৈকে দেশখনৰ তলাবন্ধ বাহাল থাকিব। যোৱা মঙলবাৰে দেশখনত ৫,০৭২ জন লোক কৰ’নাত সংক্ৰমিত হৈছিল।

## নন্দীগ্ৰামত শুভেন্দুৰ গাড়ীত আক্ৰমণ, তৃণমূল কংগ্ৰেছক কৰিলে জগৰীয়া



**নিউজ ব্যুৰ’, নন্দীগ্ৰাম, ১ এপ্ৰিল ঃ** নন্দীগ্ৰামত বিজেপিৰ প্ৰাৰ্থী শুভেন্দু অধিকাৰীৰ কনভয়ত আক্ৰমণৰ অভিযোগ উত্থাপিত হ’ল তৃণমূল কংগ্ৰেছৰ বিৰুদ্ধে। আজি নন্দীগ্ৰামৰ এক নম্বৰ ব্লক লাগোৱা দুই নম্বৰ ব্লকৰ সাতেংগাবাড়ি অঞ্চলত শুভেন্দুৰ কনভয়ৰ গাড়ীলৈ দুষ্কৃতিকাৰীয়ে ইটা নিক্ষেপ কৰিছিল। অৱশ্যে শুভেন্দুৰ নিৰাপত্তাৰক্ষী আৰু চি আৰ পি এফে কম সময়ৰ ভিতৰত পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। নন্দীগ্ৰামৰ বিজেপি প্ৰাৰ্থীজনে ব্যৱহাৰ কৰা গাড়ীখনৰ ইটা নিক্ষেপৰ ফলত কিছু ক্ষতি হয়। প্ৰকাশিত বাতৰি অনুসৰি সাতেংগাবাড়িত তৃণমূল কংগ্ৰেছৰ একাংশ কৰ্মীয়ে শুভেন্দুৰ কনভয়লৈ ইটা নিক্ষেপ কৰিছিল আৰু ‘গ’ বেক’ শ্ল’গান দিছিল। পাছত এই আক্ৰমণৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত শুভেন্দুৱে কয়, ‘সংবাদ মাধ্যমে সকলো দেখি আছে। সদায় আক্ৰমণ কৰে। এতিয়া মোৰ এনেবোৰ ঘটনা অভ্যাসত পৰিণত হৈছে।’ উল্লেখ্য যে নন্দীগ্ৰামত আজি ভোটগ্ৰহণ আছিল আৰু এই সমষ্টিত পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ বিৰুদ্ধে শুভেন্দুৱে প্ৰতিদ্বন্দ্বিতা কৰিছে।

## কৰ’না সংক্ৰমণৰ মাজতো আৰম্ভ হ’ল মহাকুম্ভ মেলা



**নিউজ ব্যুৰ’, হৰিদ্বাৰ, ১ এপ্ৰিল ঃ** কৰ’নাৰ নতুন সংক্ৰমণে দেশৰ ১৮ খনৰো অধিক ৰাজ্যত ত্ৰাস অব্যাহত ৰখাৰ সময়তে আজিৰে পৰা হৰিদ্বাৰত আৰম্ভ হ’ল ঐতিহাসিক কুম্ভমেলা। ক’ভিড পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ মেলা চৌহদ নিৰাপত্তাৰে ঢাকি ৰখা হৈছে। প্ৰশাসনে পুণ্যাৰ্থীসকলক মেলাত অংশ লোৱাৰ ক্ষেত্ৰত সম্পূৰ্ণ ক’ভিড বিধি পালনৰ নিৰ্দেশ দিছিল। চৰকাৰী নিয়ম অনুসৰি পুণ্যাৰ্থীসকলে ৭২ ঘণ্টা পূৰ্বে কৰোৱা কৰ’নাৰ পৰীক্ষাৰ প্ৰতিবেদন প্ৰদৰ্শন কৰিলেহে মেলাত প্ৰৱেশৰ অনুমতি লাভ কৰিব। তদুপৰি কুম্ভমেলাত অংশ লোৱাৰ সময়ত সামাজিক দূৰত্ববিধি পালন, মাস্ক পৰিধান কৰা আৰু ছেনিটাইজাৰ ব্যৱহাৰ কৰাটো বাধ্যতামূলক কৰা হৈছে। ভাৰতত প্ৰতি ১২ বছৰৰ বিৰতিত হৰিদ্বাৰ, প্ৰয়াগৰাজ, উজ্জয়িনী আৰু নাছিকত মহাকুম্ভৰ আয়োজন কৰা হয়। এইবাৰ অমৃতযোগ হেতুকে ১২ৰ পৰিৱৰ্তে ১১ বছৰৰ বিৰতিত হৰিদ্বাৰত এই মেলা অনুষ্ঠিত হৈছে।

## ৰমজানত কৰ’না বিধি পালনৰ আহ্বান ধৰ্মীয় গুৰুৰ



**নিউজ ব্যুৰ’, কলকাতা, ১ এপ্ৰিল ঃ** অহা পহিলা ব’হাগৰ পৰা ইছলাম ধৰ্মাৱলম্বীৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ হ’ব। ৰমজানৰ ৰোজা আৰু নামাজ পাঠৰ ক্ষেত্ৰত ইছলাম ধৰ্মীসকলক কৰ’না বিধি পালন কৰিবলৈ আহ্বান জনালে পশ্চিমবংগৰ ধৰ্মীয় গুৰুৱে। কলকাতাৰ ৰেড ৰোডৰ ইমাম ক্বাৰি ফজলুৰ ৰহমানে এক বিবৃতিৰ জৰিয়তে কয় যে ক’ভিডৰ সংক্ৰমণে দেশজুৰি পুনৰ আতংকৰ সৃষ্টি কৰিছে আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি সকলো ইছলাম ধৰ্মীয়ে ৰমজানত ক’ভিড বিধি পালন কৰা উচিত। বিশেষকৈ প্ৰবীণসকলে ঘৰতে ৰমজানৰ নামাজ পাঠ কৰক। মছজিদত সামাজিক দূৰত্ববিধি, মাস্ক পৰিধানৰ লগতে ছেনিটাইজাৰ ব্যৱহাৰ কৰিবলৈকো ধৰ্মীয় গুৰুজনে আহ্বান জনালে।

## যোধপুৰ আই আই টিত ২৫ ছাত্ৰ-শিক্ষক কৰ’নাত সংক্ৰমিত



**নিউজ ব্যুৰ’, যোধপুৰ, ১ এপ্ৰিল ঃ** ৰাজস্থানত কৰ’নাৰ নতুন সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। ৰাজ্যখনৰ যোধপুৰত শেহতীয়াভাৱে সৰ্বাধিক সংখ্যক কৰ’না আক্ৰান্তক চিনাক্ত কৰা হৈছে। যোধপুৰত থকা ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন’ল’জি (আই আই টি)ৰ কমেও ২৫ জন ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক কৰ’না ভাইৰাছত সংক্ৰমিত হ’ল। ইমান বৃহৎসংখ্যক ছাত্ৰ-শিক্ষক ক’ভিডত সংক্ৰমিত হোৱাৰ তথ্য লাভৰ পাছতে শিক্ষানুষ্ঠানখনৰ জি-৩ ব্লকক কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰা হৈছে। কৰ’নাত সংক্ৰমিত হোৱা ছাত্ৰ আৰু শিক্ষকক সম্প্ৰতি পৃথকভাৱে ৰখা হৈছে।

## ডি এম কে নেতা এ ৰাজাক ধমক আয়োগৰ, তাৰকা প্ৰচাৰকৰ তালিকাৰ পৰা অব্যাহতি



**নিউজ ব্যুৰ’, চেন্নাই, ১ এপ্ৰিল ঃ** তামিলনাডুত অহা ছয় এপ্ৰিলত ২৩৪ বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। এই নিৰ্বাচনৰ পূৰ্বে নিৰ্বাচন আয়োগে আজি ডি এম কেৰ নেতা এ ৰাজাক নিৰ্বাচনী আচৰণবিধি উলংঘনৰ অভিযোগত কঠোৰভাৱে সকীয়নি দিলে। আয়োগে ৰাজাৰ নাম ডি এম কেৰ তাৰকা প্ৰচাৰকৰ তালিকাৰ পৰাও কৰ্তন কৰে। তামিলনাডুৰ মুখ্যমন্ত্ৰী এ পালানীস্বামী আৰু তেওঁৰ মাতৃৰ প্ৰসংগত ৰাজাই কৰা বিতৰ্কিত মন্তব্যৰ সন্দৰ্ভতো ডি এম কেৰ নেতাজনক ৪৮ ঘণ্টাৰ ভিতৰত কাৰণ দৰ্শাবলৈ আয়োগে নিৰ্দেশ দিয়ে। এই সময়ৰ ভিতৰত ৰাজাই উপযুক্ত কাৰণ প্ৰদৰ্শন কৰিব নোৱাৰিলে তেওঁক নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ ক্ষেত্ৰত আয়োগে নিষেধাজ্ঞা আৰোপ কৰিব বুলি ঘোষণা কৰিছে।

## কৰ’নাত আক্ৰান্ত হ’ল সংগীতজ্ঞ বাপ্পি লাহিড়ী



**নিউজ ব্যুৰ’, মুম্বাই, ১ এপ্ৰিল ঃ** বলিউডৰ জনপ্ৰিয় সুৰকাৰ-কণ্ঠশিল্পী আৰু সংগীত পৰিচালক বাপ্পি লাহিড়ী কৰ’নাত সংক্ৰমিত হ’ল। সম্প্ৰতি মুম্বাইৰ ব্ৰিছ কেণ্ডি হাস্পতালত ৬৮ বছৰীয়া শিল্পীজন চিকিৎসাধীন হৈ আছে। লাহিড়ীৰ কন্যা ৰেমা লাহিড়ী বাঞ্চালে এই কথা প্ৰকাশ কৰি জনোৱা মতে, ক’ভিড বিধি আৰু সতৰ্কতা পালন কৰাৰ পাছতো কৰ’নাত আক্ৰান্ত হ’ল প্ৰবীণ সংগীত শিল্পীজন। কৰ’নাৰ লক্ষণ স্পষ্ট হোৱাত বয়সৰ প্ৰতি লক্ষ্য ৰাখি লাহিড়ীক পৰিয়ালৰ লোকে চিকিৎসালয়ত ভৰ্তি কৰায়।

## ৰাষ্ট্ৰীয়কৃত প্ৰতিষ্ঠানৰ বেচৰকাৰীকৰণৰ পাছত সংৰক্ষণ নীতি প্ৰযোজ্য নহ’ব

**নিউজ ব্যুৰ’ নতুন দিল্লী, ১ এপ্ৰিল ঃ** দেশত ৰাষ্ট্ৰীয়কৃত কোনো প্ৰতিষ্ঠানত বেচৰকাৰীকৰণৰ পাছত প্ৰযোজ্য নহ’ব সংৰক্ষণৰ নীতি। বেচৰকাৰী বিনিয়োগকাৰীসকলক এই আশ্বাস দিলে কেন্দ্ৰীয় চৰকাৰে। অৱশ্যে আপাতত কৰ্মৰত কৰ্মচাৰীসকলৰ জীৱিকাৰ নিৰাপত্তা বেচৰকাৰী প্ৰতিষ্ঠানসমূহে সুনিশ্চিত কৰিব লাগিব। জাতিভিত্তিক সংৰক্ষণৰ মাধ্যমৰে কৰ্মৰত কৰ্মীৰ ক্ষেত্ৰত



ভিন্ন নীতি প্ৰতিষ্ঠানসমূহে অৱলম্বন কৰিব নোৱাৰিব। বেচৰকাৰী প্ৰতিষ্ঠানে সংৰক্ষণৰ নিয়ম পালন কৰাটো সম্ভৱ নহ’ব। যিকোনো চৰকাৰী প্ৰতিষ্ঠানৰ ব্যক্তিগতকৰণ কৰা হ’লে এই ক্ষেত্ৰত উক্ত প্ৰতিষ্ঠানে সংৰক্ষণ নীতি মানি চলিবলৈ বাধ্য নহ’ব বুলি কেন্দ্ৰীয় চৰকাৰে স্পষ্ট কৰি দিয়ে। ভাৰত পেট্ৰ’লিয়ামৰ বিনিয়োগমোচনৰ ক্ষেত্ৰত সংৰক্ষণ নীতিৰ প্ৰসংগত আলোচনা অব্যাহত থকাৰ সময়তে সংসদত এই সন্দৰ্ভত নিজৰ অৱস্থান স্পষ্ট কৰিলে কেন্দ্ৰীয় চৰকাৰে।

### ভাৰতৰ পৰা পুনৰ চেনি, তুলা ক্ৰয় কৰিব পাকিস্তানে



**নিউজ ব্যুৰ’, ইছলামাবাদ, ১ এপ্ৰিল ঃ** প্ৰায় এবছৰৰো অধিক ধৰি স্তব্ধ হৈ থকাৰ পাছত ভাৰত-পাকিস্তানৰ বাণিজ্যিক সম্পৰ্কই লাভ কৰিলে নতুন গতি। পাকিস্তানৰ বিত্তমন্ত্ৰী হাম্মাদ আজহাৰে ঘোষণা কৰা মতে, দেশখনে ভাৰতৰ পৰা অচিৰে তুলা আৰু চেনিৰ পুনৰ আমদানি আৰম্ভ কৰিব। পাকিস্তান চৰকাৰৰ এই সিদ্ধান্তক আদৰণি জনালে ভাৰতীয় বাণিজ্য মহলে। উল্লেখ্য যে জম্মু-কাশ্মীৰৰ বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তনৰ পাছত ২০১৯ৰ আগষ্টৰ পৰা ভাৰত-পাকিস্তানৰ মাজত সকলোবোৰ বাণিজ্যিক লেনদেন বন্ধ হৈছিল। দীৰ্ঘদিন ধৰি উভয় দেশৰ আমদানি-ৰপ্তানি বন্ধ থকাৰ পাছত পাকিস্তানে ভাৰতৰ পৰা পুনৰ চেনি আৰু তুলা আমদানি কৰাৰ সিদ্ধান্ত ল’লে। ভাৰতেও পূৰ্বতে পাকিস্তানৰ পৰা চিমেণ্ট, খেজুৰ আৰু নিমখ যথেষ্ট পৰিমাণে আমদানি কৰিছিল।

## চলিত মাহত সকলো ৰাজ্যত প্ৰতিদিনে প্ৰদান কৰিব ক’ভিড প্ৰতিষেধক



**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ এপ্ৰিল ঃ** দেশত কৰ’নাৰ নতুন সংক্ৰমণৰ ব্যাপক বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে চলিত এপ্ৰিলত দৈনিক কৰ’নাৰ প্ৰতিষেধক প্ৰদানৰ নিৰ্দেশ দিলে। কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশলৈ নিৰ্দেশনা প্ৰেৰণ কৰি কয় যে চৰকাৰী বন্ধৰ দিনতো সকলো চৰকাৰী আৰু ব্যক্তিগত কেন্দ্ৰত কৰ’নাৰ প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। কৰ’নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে প্ৰতিষেধক প্ৰদানৰ সংখ্যা বৃদ্ধিৰ লক্ষ্যৰে এই নিৰ্দেশ জাৰি কৰিলে। উল্লেখ্য যে আজিৰে পৰা দেশত ৪৫ বছৰ ঊৰ্দ্ধৰ সকলো নাগৰিকক ক’ভিড প্ৰতিষেধক প্ৰদানো আৰম্ভ কৰা হৈছে।

## নিয়ম সলনি চি বি এছ ইৰ, এবাৰ পৰীক্ষা বেয়া হ’লে দ্বিতীয়বাৰ লাভ কৰিব সুযোগ



**যিকোনো এটা বিষয়ত দ্বিতীয়বাৰ অৱতীৰ্ণ হোৱাৰ সুযোগ পৰীক্ষাৰ্থীক**

**নিউজ ব্যুৰ’, নতুন দিল্লী, ১ এপ্ৰিল ঃ** কেন্দ্ৰীয় মাধ্যমিক শিক্ষা সংসদ (চি বি এছ ই)ৰ ছাত্ৰ-ছাত্ৰীসকলে এতিয়াৰ পৰা এবাৰ পৰীক্ষা বেয়া হ’লে দ্বিতীয়বাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰিব। অহা মে’ত চি বি এছ ইৰ দশম আৰু দ্বাদশৰ চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ’ব। এই পৰীক্ষাৰ পৰাই এই নতুন নিয়ম কাৰ্যকৰী কৰা হ’ব। নতুন নিয়মৰ অধীনত দশম, দ্বাদশৰ পৰীক্ষাৰ্থীয়ে ফলাফল উন্নত কৰাৰ আৰু এটা সুযোগ লাভ কৰিব। যিকোনো এটা বিষয়ত পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰিব। মূল পৰীক্ষাৰ পাছতে প্ৰস্তাৱিত এই কম্পাৰ্টমেণ্ট পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুবিধা ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা হ’ব। এই পৰীক্ষাত অধিক নম্বৰ লাভ কৰিলে ছাত্ৰ-ছাত্ৰীক নতুন নম্বৰপত্ৰ প্ৰদান কৰা হ’ব। অৱশ্যে কোনো ছাত্ৰ-ছাত্ৰীয়ে দুটা বা ততোধিক বিষয়ত পৰীক্ষাত পুনৰ অৱতীৰ্ণ হ’ব বিচাৰিলে এবছৰ অপেক্ষা কৰিব লাগিব।

# বৰভাগৰ স্থবিৰ হৈ থকা শ্লুইচ গেট উন্নত প্ৰযুক্তিৰে নিৰ্মাণৰ আশ্বাস

## অসম জাতীয় পৰিষদৰ প্ৰচাৰত পুলকেশ বৰুৱা

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১ এপ্ৰিল ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ ভোটদানৰ দিন চমু চাপি অহাৰ লগে লগে বৰক্ষেত্ৰী বিধানসভা সমষ্টিটোৰ প্ৰতিটো দলৰ প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। যোৱা ৩১ মাৰ্চত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী পুলকেশ বৰুৱাই সমষ্টিটোৰ বৰভাগ অঞ্চলত পথ সভাৰ এক কাৰ্যসূচী ৰূপায়ণ কৰে। বৰভাগৰ সাতোখন পঞ্চায়তত পথসভা কৰি ৰাইজক অজাপক জাতি ৰক্ষাৰ স্বাৰ্থত ভোট দিবলৈ আহ্বান জনায়। তেওঁ কয় যে ১৯৮৫ৰ পৰা ১৯৯৬লৈ আৰু ১৯৯৬ৰ পৰা ২০০১লৈ দুটা পাঁচ বছৰীয়া অগপ কাৰ্যকালত সমষ্টিটোত তেওঁ যিখিনি উন্নয়ন কৰিলে তাৰ বাবে তেওঁক ৰাইজে ভোট দিব। তেওঁ কয় যে তেওঁৰ প্ৰচেষ্টাত মুকালমুৱাত অগ্নিনিৰ্বাপক কেন্দ্ৰ স্থাপন, দৌলাশালত চতুৰ্দশ অসম আৰক্ষী বেটেলিয়ন স্থাপন, স্বাস্থ্য সেৱাৰ সম্প্ৰসাৰণত বৰ্ণিবাৰী, দৌলাশাল, বৰতলা, নাৰুৱা, মৰোৱা, কৰিয়াত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, কালাগ গাঁৱত ৩০খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়, লাউতোলা আৰু কুৰিহামাৰি চৰত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ স্থাপন, বামুণবড়ীত 'ছহিদ সোঁৰণী মহাবিদ্যালয়, বৰক্ষেত্ৰী মহাবিদ্যালয় স্থাপন, বৰভাগ ৰাজহ চক্ৰ স্থাপন, বৰভাগ আৰু বৰ্ণিবাৰীত হস্ততাঁত আৰু বস্ত্ৰ শিল্পৰ প্ৰশিক্ষণ কেন্দ্ৰ, বৰক্ষেত্ৰী আৰু বৰভাগত সংহত শিশু উন্নয়ন প্ৰকল্প স্থাপনৰ আদিৰ লগতে বৰভাগত বানপানী আংশিক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। তেওঁ এইবাৰ ক্ষমতাত আহিলে বৰভাগত প্ৰথমে বৰভাগৰ বানপানী নিয়ন্ত্ৰণ আৰু তেওঁৰ প্ৰচেষ্টাত নিৰ্মাণ কৰিবলৈ লোৱা বৰ্তমান স্থবিৰ হৈ থকা 'বৰভাগ স্লুইচ ড্ৰেইনেজ ডেভেলপমেণ্ট স্কীম' নামৰ আচঁনিখন উন্নত কাৰিকৰী প্ৰচেষ্টাৰে ৰূপায়ণ কৰিব বুলি ৰাইজক প্ৰতিশ্ৰুতি দিয়ে। তেওঁ আৰু কয় যে অসমক ভৱিষ্যৎ সুৰক্ষা দিব পাৰিব আঞ্চলিক আৰু লুৰীনজ্যোতিহঁতৰ দৰে যুব নেতৃত্বই। কালি বিজেপিয়ে যিবোৰ ৰাস্তা-ঘাটৰ কাম কৰিছে তাত কোনো ফলক নাই। ই এটা লুণ্ঠনৰ কৌশল আৰু এইবোৰ দলে অসমখন লুণ্ঠনহে কৰিব বুলি তেওঁ কয়। বিজেপি চৰকাৰৰ দিনত এটা ৰাস্তাৰ নামত আবণ্টিত পাঁচ লাখ ৪১ হেজাৰ টকাৰ ৪১ হেজাৰ খৰচ কৰি বাকীখিনি আত্মসাৎ কৰে বুলি কয়। তেওঁ সমষ্টিটোত তিনিকোণীয়া প্ৰতিদ্বন্দ্বিতা হ'ব বুলি কয়। তেওঁ আৰু কয় যে অসমত বিজেপিৰ থকা-বকক অৱস্থা হ'ল। কেন্দ্ৰীয় নেতা উবুৰি খাই পৰি দল উদ্ধাৰ কৰিব লগা অৱস্থা হ'ল আৰু অগপৰ সন্দৰ্ভত কয় যে অগপৰ কফিনত এইবাৰ শেষবাৰৰ বাবে গজাল মাৰিলে। বৰভাগৰ সাতোখন পঞ্চায়তৰ ক্ৰমে বৰগাছা, দামোদৰধাম সত্ৰ, বৰবুৰিয়া, ক্ৰমতল, সানেকুছি, ভৈৰাতোলা, কমাৰকুছি, বড়িদতৰা আদিত পথসভা অনুষ্ঠিত কৰে আৰু এই পথসভা নিশাৰ ভাগলৈ চলে। পথসভাত সংগ দিয়ে সমষ্টি সমিতিৰ সম্পাদক চন্দন কলিতা, ভূপেন তালুকদাৰ, আব্দুল হুছেইন আদি কৰি দলৰ অৰ্ধ শতাধিক কৰ্মীয়ে।

# কাৰ্বি পাহাৰত কোটিটকীয়া কেলেংকাৰি ফাদিল

## এগৰাকী মহিলাৰ নামত একেটা পথত দুবাৰকৈ ঠিকাৰ নামত পুঁজি আবণ্টন

**অগ্ৰদূত বাৰ্তা**

**ডংকামোকাম, ১ এপ্ৰিল ঃ** কাৰ্বি আংলঙত সংঘটিত জলসিঞ্চন বিভাগৰ বিয়াগোম দুৰ্নীতি আৰু কেলেংকাৰিৰ পিআইএল গোচৰৰ ফাইল ইতিমধ্যে উচ্চ ন্যায়ালয়ত গোচৰ চলি থকাৰ মাজতে আন এক দুৰ্নীতি আৰু কেলেংকাৰিৰ তথ্য পোহৰলৈ অহাত পুনৰ কাৰ্বিং আংলং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ নাম একপ্ৰকাৰে সাঙোৰ খাই পৰিছে। পশ্চিম কাৰ্বি আংলং জিলা কংগ্ৰেছ কমিটীয়ে মঙলবাৰে ডংকামোকামস্থিত জিলা কংগ্ৰেছ কমিটীৰ কাৰ্যালয় প্ৰাংগণত এখন সংবাদমেল আয়োজন কৰি কেতবোৰ অভিযোগ কৰে। জিলা কংগ্ৰেছৰ মুখপাত্ৰ ৰেণ ছিং বে আৰু জিলা কংগ্ৰেছৰ সম্পাদক তথা আৰটিআই কৰ্মী মহন ৰংপিৰ যুটীয়া সংবাদমেলত এছঅ'পিডিৰ আন এক দুৰ্নীতি আৰু কেলেংকাৰিত ফাদিল হোৱা তথ্য অনুযায়ী ২০১৬-১৭ত ৬২০ কোটি, ২০১৭-১৮ত ৭০৪.৩৮ কোটি, ২০১৮-১৯ত ৭১২ কোটি, ২০১৯-২০ত চাৰিশ কোটি আৰু ২০২০-২১ৰ চাৰিশ কোটিটকীয়া বিয়াগোম কেলেংকাৰি আৰু দুৰ্নীতিয়ে দুই পাৰ্বত্য জিলাত একপ্ৰকাৰৰ জোঁকাৰণিৰ সৃষ্টি হৈছে। লগতে জিলাখনলৈ আবণ্টন দিয়া মুখ্যমন্ত্ৰীৰ বিশেষ পেকেজ আৰু বিত্তীয় মন্ত্ৰীৰ বিশেষ পেকেজকে আদি কৰি কেন্দ্ৰৰ আন আন শিতানত অহা কেন্দ্ৰীয় পুঁজিৰ অপব্যৱহাৰ আৰু দুৰ্নীতিয়ে জিলাবাসী কোঙা কৰি পোলোৱা বুলি অভিযোগ তুলি একেটা ৰাস্তা নিৰ্মাণত এবছৰতে দুটাকৈ আৰণ্টিত পেকেজৰ পুঁজিৰে এগৰাকী মহিলাৰ নামত ডিফু পুলিচ পইণ্টৰ পৰা ডিফু-মাঞ্জা হৈ মাটিপুং পথৰ উন্নয়ন, ডিৰাইডাৰ আৰু ফোটপাট নিৰ্মাণত ১৪কোটি টকা দুৰ্নীতি হোৱা বুলি উল্লেখ কৰে। ইপিনে তুলিৰাম ৰংহাঙৰ ভ্ৰাতৃ ৰবিৰাম ৰংহাঙৰ নামতো একেই কায়দাৰে ৰাস্তা উন্নয়ন আৰু অভাৰ লেপিং দেখুৱাই ডিফু চিভিল হাস্পতালৰ পৰা লুৰুলাংচ' হৈ ডিফু পুলিচ ষ্টেছনলৈ একেটা পথটোতেই একেটা বছৰত ভাগে ভাগে আবণ্টন দিয়া পেকেজৰ পুঁজি অপব্যৱহাৰে ১৬ কোটি ৬৮ লাখ ৬৯ হেজাৰ টকা দুৰ্নীতি সংঘটিত কৰাৰ লগতে ১২ ফেব্ৰুৱাৰী ২০২০ত পুনৰ আন এক পেকেজৰ টকা ভ্ৰাতৃৰ নামতেই ছয়কোটি ১৭ লাখ টকাৰ দুৰ্নীতি আৰু কেলেংকাৰিত জড়িত হৈ পৰা বুলি অভিযোগ কৰে জিলা কংগ্ৰেছৰ সম্পাদক তথা আৰটিআই কৰ্মী মহন ৰংপিয়ে। ইপিনে সংবাদমেলত জিলা কংগ্ৰেছৰ মুখপাত্ৰ ৰেণছিং বে-এ ৰাজ্যিক কংগ্ৰেছৰ নিৰ্বাচনী ইস্তাহাৰ আৰু ৰাজ্যিক বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰক লৈ তুলনামূলকভাৱে ৰাইজৰ আগত দাঙি ধৰে। ৰাজ্যিক বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰত কাৰ্বি আংলং আৰু ডিমা-হাছাও ৰাইজৰ দীৰ্ঘদিনীয়া স্বায়ত্ত ৰাজ্য শাসনৰ দাবী অনুচ্ছেদ ২৪৪ (ক) ধাৰা উল্লেখ নথকা সত্ত্বেও ৰাইজক বিভ্ৰান্তিৰ সৃষ্টি কৰি বিজেপিয়ে নিৰ্বাচনত কাৰ্বি আংলঙত ভোট লাভৰ বাবে অনুচ্ছেদ ২৪৪(ক) ধৰাৰ দাবীৰ ওপৰত ৰাইজক অপ্ৰচাৰ চলোৱা বুলি মুখপাত্ৰজনে স্পষ্টকৈ উল্লেখ কৰাৰ বিপৰীতে কংগ্ৰেছৰ ৰাজ্যিক নিৰ্বাচনী ইস্তাহাৰত জিলাবাসীৰ দীৰ্ঘদিনীয়া যি স্বায়ত্ত ৰাজ্য শাসনক দাবী ভাৰত সংবিধানৰ অনুচ্ছেদ ২৪৪ (ক) ধাৰাক লৈ স্পষ্টকৈ লিখা আছে বুলি সংবাদমেল উল্লেখ কৰে। লগতে পশ্চিম কাৰ্বি আংলঙৰ খেৰণিত নিৰ্বাচনী প্ৰচাৰত অহা ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰি বহুতো চৰকাৰী অভিলাষী ঘোষণাক লৈ তীব্ৰ সমালোচনা কৰি লামডিং-লামছাখাং সীমান্ত বিমানকোঠ স্থাপনেৰে হেজাৰ হেজাৰ পৰিয়ালৰ লোকসকলক গ্ৰেজিং ফিল্ডৰ পৰা উচ্ছেদ কৰাৰ যি বিজেপিৰ চক্ৰান্ত সেয়া কোনো পধ্যেই কংগ্ৰেছে মানি নলয় বুলি স্পষ্ট কৰাৰ লগতে বিজেপিৰ নিৰ্বাচনী প্ৰচাৰত অচল পাঁচ টকাৰ নোট উদ্ধাৰক লৈয়ো আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনায় মুখপাত্ৰজনে। লগতে দুয়োজন জিলা কংগ্ৰেছৰ নেতাদ্বয় ক্ৰমে ৰেণছিং বে আৰু সম্পাদক মহন ৰংপিয়ে কাৰ্বি আংলং জিলাত সংঘটিত পাঁচহেজাৰ কোটি টকাৰ আবণ্টনৰ যি পুঁজি সেই সন্দৰ্ভত বিয়াগোম দুৰ্নীতি সংঘটিত হোৱা বুলি অভিযোগ তুলি নিৰ্বাচনৰ পাছতেই কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ বিৰুদ্ধে পিআইএল গোচৰ ৰুজুৰে জিলা কংগ্ৰেছে পুনৰ গুৱাহাটী উচ্চ ন্যায়ালয়ত দ্বাৰস্থ হ'ব বুলি উল্লেখ কৰে।

# চাওখাত মৌজাত বিলুপ্তি পথত কৃষিভূমি

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১ এপ্ৰিল ঃ** পূব যোৰহাট ৰাজহ চক্ৰৰ চাওখাত মৌজাৰ দ অংশৰ কৃষিভূমি বিলুপ্তিৰ পথলৈ গতি কৰিছে। প্ৰতি বছৰে ব্ৰহ্মপুত্ৰৰ বানপানী আৰু বনৰীয়া হাতীয়ে ধান খেতি নষ্ট কৰাত গড়জান, মেলেং আটি, ভেৰেক, দৌত মৰা, বৰমুকলি পথাৰত একাংশ লোকে ব্যৱসায়িকভাৱে বৃহৎ বৃহৎ ফিছাৰি খান্দি মৎস্য পালন আৰম্ভ কৰে। অসম চৰকাৰে ৰাইজৰ ঘৰে ঘৰে ৰন্ধন গেছ যোগান ধৰিবৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ গেছ পৰিবাহী পাইপ স্থাপনৰ বাবে ভূমি অধিগ্ৰহণ কৰাত কৃষিভূমি বিলুপ্তিৰ পথ লৈ গতি কৰাত কৃষকে বেদনাত ছট্‌ফটাই থকাৰ বিপৰীতে পশুপালকসকলৰ বাবে ভয়ানক সমস্যাই দেখা দিছে গৰু, ম'হৰ চৰণীয়া পথাৰ নোহোৱাত। চাওখাত মৌজাৰ দ অংশৰ কৃষিভূমি বিলুপ্তি কৃষক পশুপালকক বেদনাহত কৰিছে।

# চাৰিঙৰ বিশিষ্টা গান্ধীবাদী নেত্ৰী মুক্তিপ্ৰভা হাজৰিকাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১ এপ্ৰিল ঃ** চাৰিং বাৰুৱতী নিৱাসী প্ৰয়াত মুক্তিযোদ্ধা, ভূ-দান আন্দোলনৰ কৰ্মী সোমেশ্বৰ বাৰুৱতীৰ সহধৰ্মিণী, চাৰিং শশীধৰ ফুকন বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, মুক্তিপ্ৰভা হাজৰিকা (৮৫)ৰ যোৱা ৩০ মাৰ্চত সন্ধিয়া গুৱাহাটীৰ বতাহঘুলিৰ জ্যেষ্ঠ পুত্ৰৰ বাসগৃহত মৃত্যু হয়। চাৰিং শশীধৰ ফুকন বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাটৰ বুনিয়াদী প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ পৰা নৰ্মাল থাৰ্ড ইয়েৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰি উক্ত বিদ্যালয়তে সহকাৰী শিক্ষয়িত্ৰীৰূপে যোগদান কৰি ২০০১ৰ ২৮ ফেব্ৰুৱাৰীত অৱসৰগ্ৰহণ কৰিছিল হাজৰিকাই। সৰুৰে পৰা স্বাধীন মনা বিশিষ্ট মহিলাগৰাকীয়ে শিক্ষকতাৰ সমানে সমানে বৃহত্তৰ চাৰিং অঞ্চলটোত মহিলাৰ সবলীকৰণ আৰু শিশুসকলৰ সৰ্বাংগীন বিকাশৰ বাবে মইনা পাৰিজাত গঠনৰ জৰিয়তে আজীৱন সেৱা আগবঢ়াই থৈ গৈছে। শিশু সেৱক এইগৰাকী নীৰৱ সমাজ সেৱিকাই জিলাখনলৈ আগবঢ়োৱা অপৰিসীম অৱদানৰ কৃতজ্ঞতাৰ চিনস্বৰূপে ২০০২ৰ ২৭ মে'ত শিৱসাগৰ জিলা মইনা পাৰিজাতৰ দ্বি-বাৰ্ষিক অধিবেশনত মইনা সাৰথি উপাধি প্ৰদান কৰে। আনহাতে চাৰিং মহিলা সমিতিৰ প্ৰাক্তন সভানেত্ৰী, সম্পাদিকাৰ দৰে গুৰু দ্বায়িত্ব বহন কৰি চাৰিঙৰ সমাজ জীৱনক প্ৰতিফলিত কৰা, জাতিৰ প্ৰতি থকা গভীৰ আকুলতা, ত্যাগৰ বাবেই এইগৰাকী বিদুষী মহিলাক চাৰিং ছহিদ মণিৰাম দেৱান মহাবিদ্যালয়ে ২০১২ৰ দুই অক্টোবৰত ৰাজহুৱাভাৱে সম্বৰ্ধনা জনাইছিল। আনহাতে জাতিৰ পিতা মহাত্মা গান্ধী আৰু যুগ পুৰুষ বিনোৱা ভাবেৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সত্য, অহিংস আৰু ত্যাগক বুকুত সাৱটি সৰ্বোদয়ৰ প্ৰচাৰ প্ৰসাৰৰ লগতে জীৱনজোৰা সাধনাৰে খাদী আৰু ভূ-দান আদৰ্শ প্ৰচাৰৰ লগতে আধ্যাত্মিক দৃষ্টি, সমত্ব বৃদ্ধি, অনিন্দা ব্ৰতৰ প্ৰচাৰৰ ক্ষেত্ৰত দেখুওৱা অবিৰত সেৱাৰ স্বীকৃতি স্বৰূপে এইগৰাকী বিদূষী মহিলাক মহামানৱ মহাত্মা গান্ধীৰ সপ্ততিতম তিথিৰ উপলক্ষ্যত গুৱাহাটীস্থ অসম সৰ্বোদয় মণ্ডল আৰু সৰ্বোদয় পৰিয়াল ন্যাসে ২০১৭ৰ ১২ ফেব্ৰুৱাৰীত বিশিষ্ট মুক্তিযোদ্ধা, সমাজবিজ্ঞানী, কৰ্মযোগী বি কে ভাণ্ডাৰী-সাবিত্ৰী ভাণ্ডাৰী স্মাৰক সৰ্বোদয় বঁটা প্ৰদান কৰে। বিশিষ্টা মহিলাগৰাকীৰ মৃত্যুত শোক স্তব্ধ হৈছে চাৰিংবাসী। গুৱাহাটীৰ পৰা তেওঁৰ মৃতদেহ পাছদিনা পুৱা চাৰিং বাৰুৱতী গাঁৱৰ বাসগৃহলৈ অনাৰ পাছত বহু লোকৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়। তেওঁৰ মৃত্যুত চাৰিং শশীধৰ ফুকন বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, চাৰিং ছহিদ মণিৰাম দেৱান মহাবিদ্যালয় পৰিয়াল, চাৰিং মহিলা সমিতি, শিৱসাগৰ জিলা মইনা পাৰিজাত আদি বিভিন্ন অনুষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ তিনি পুত্ৰ আৰু দুগৰাকী কন্যাসহ গুণমুগ্ধক ইহসংসাৰত এৰি যায়।



গোলাঘাটত বিহুৰ কৰ্মশালাত অংশগ্ৰহণ কৰা একাংশ প্ৰশিক্ষাৰ্থী, বৃহস্পতিবাৰে।

# বাগ্‌সাৰ ভূতেপোৱাবড়ীত বিদ্যালয়ত শিশুৰ সুৰক্ষা-নিৰাপত্তা শীৰ্ষক জিলা পৰ্যায়ৰ প্ৰশিক্ষণৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ শালবাৰীৰ ভূতেপোৱাবড়ীত সমগ্ৰ শিক্ষা অসম, বাগ্‌সা জিলাৰ অধীনত 'বিদ্যালয়ত শিশুৰ সুৰক্ষা আৰু নিৰাপত্ত' শীৰ্ষক দুদিনীয়াকৈ অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীৰ যোৱা ২৭ মাৰ্চত সামৰণি পৰে। জিলাখনৰ জালাহ প্ৰাথমিক শিক্ষাখণ্ডৰ অধীনত কৰ্মৰত মণ্ডল কেন্দ্ৰ সমন্বয়ক (চিআৰচিচি) আৰু প্ৰতিটো মণ্ডল সমল কেন্দ্ৰৰ পৰা এগৰাকীকৈ শিক্ষকক এই কাৰ্যসূচীৰ জৰিয়তে প্ৰশিক্ষণ দিয়া হয়। ভূতেপোৱাবড়ীস্থিত লক্ষ্মীনাথ বেজবৰুৱা হাইস্কুলত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচী প্ৰথম দিনা তামুলপুৰ শিক্ষাখণ্ডৰ পৰা অহা গঞ্জন নন্দন দাস আৰু দীপাংকৰ ভট্টাচাৰ্যই সমল ব্যক্তিৰূপে প্ৰশিক্ষণ আগবঢ়ায়। জালাহ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ বিআৰপি উমানন্দ বড়োৱে আঁত ধৰা কাৰ্যসূচীত বাগ্‌সা জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰকল্প বিষয়া জিয়াউৰ ৰহমানে দুৰ্যোগ ব্যৱস্থাপনা বিষয়ত তথ্য সমৃদ্ধ ভাষণ আগবঢ়ায়। বাগ্‌সা জিলা অগ্নিনিৰ্বাপক বাহিনীৰ বিষয়া ৰাজকুমাৰ ৰয় আৰু বিভাগটোৰ দুই সহযোগী পৰীক্ষিত পাটগিৰি, ধনজিৎ তালুকতাৰে অগ্নিনিৰ্বাপণৰ ভিন্ন কৌশল সম্পৰ্কে 'মকড্ৰিল' প্ৰদৰ্শন কৰে। প্ৰশিক্ষণ কাৰ্যসূচীত জালাহ খণ্ড প্ৰাথমিক শিক্ষা বিষয়া সৰোজ মহিলাৰী, বিআৰপি স্বপন কুমাৰ ৰয়, লক্ষ্মীনাথ বেজবৰুৱা হাইস্কুলৰ প্ৰধান শিক্ষক অশ্বিনী কুমাৰ দাস আদি উপস্থিত থাকে। প্ৰশিক্ষণ কাৰ্যসূচীৰ ব্যৱস্থাপনা দায়িত্ব পালন কৰে জালাহ খণ্ড প্ৰাথমিক শিক্ষা-বিষয়া কাৰ্যালয়ৰ গাণনিক হেমাংগ ৰয়, কল্যাণ গোস্বামী আৰু ভূদেৱ গোস্বামীয়ে। উল্লেখ্য যে 'বিদ্যালয়ত শিশুৰ সুৰক্ষা আৰু নিৰাপত্তা' শীৰ্ষক দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীত বিভিন্ন দিশ সম্পৰ্কে সজাগতামূলক ভাষণ আগবঢ়োৱা হয়।

# বাসুগাঁৱত ৰঙালী বিহু পালনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১ এপ্ৰিল ঃ** অসমৰ জাতীয় উৎসৱ ৰঙালী বিহুটি অন্যান্য ঠাইৰ লগতে বাসুগাঁৱতো পালনৰ আয়োজন চলোৱা হৈছে। বাসুগাঁও মিলন সংঘৰ উদ্যোগত আঞ্চলিক ৰঙালী বিহুটি পালনৰ উদ্দেশ্যে আজি এক সভা অনুষ্ঠিত হয়। পূৰ্বৰ সভাপতি উপেন্দ্ৰ চন্দ্ৰ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত সভাত পুৰণি সমিতিখন ভংগ কৰি অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, সাহিত্যসেৱী অমৃত নাৰায়ণ পাটগিৰি সভাপতি, প্ৰমোদ চন্দ্ৰ শৰ্মা, পীযুষ বৰ্মনক উপ-সভাপতি, নৱ কুমাৰ বৰ্মনক সম্পাদক, ৰাহুল ৰায়ক সহ সম্পাদক, দিলীপ কুমাৰ ৰায়ক বিত্ত, পৱিত্ৰ কুমাৰ ৰায় আৰু কানু চক্ৰৱৰ্তীক সাংস্কৃতিক সম্পাদকৰূপে লৈ বাসুগাঁও আঞ্চলিক ৰঙালী বিহু উদ্‌যাপন সমিতিখন গঠন কৰা হয়। কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ-আৰক্ষী চকীৰ অন্তৰ্গত জৰেগাঁৱতো অহা ১৪ আৰু ১৫ এপ্ৰিলত কোচৰাজবংশী জনগোষ্ঠীৰ বিষুৱা আৰু অসমৰ জাতীয় উৎসৱ বিহু একেলগে পালন কৰা হ'ব। সেই উদ্দেশ্যে আজি গাঁওখনৰ মিলন সংঘত এক সভা অনুষ্ঠিত হয়। বিহু-বিষুৱা পৰিচালনা সমিতিৰ পূৰ্বৰ সভাপতি কলেন চন্দ্ৰ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত সভাত হিচাপ-নিকাচ দাখিল, গৃহীতকৰণ আৰু আগন্তুক বিহু-বিষুৱা পালনৰ বিষয়ে আলোচিত হয়।

# বিহগুৰিত বিষ্ণুজ্যোতি সংঘৰ 'বিপ্লৱী চেতনা' নাটকৰ মঞ্চায়ন

**অগ্ৰদূত বাৰ্তা**

**তেজপুৰ, ১ এপ্ৰিল ঃ** স্থানীয় জ্যোতি সংঘৰ সৌজন্যত বিহগুৰি বকুলতলত মঞ্চায়ন কৰা হয় এখন বাস্তৱধৰ্মী সামাজিক নাটক 'বিপ্লৱী চেতনা'। দুদিনীয়াকৈ অনুষ্ঠিত কৰাৰ প্ৰস্তুতিৰে আয়োজন কৰা নাট্য প্ৰদৰ্শনৰ প্ৰথম নিশা মঞ্চস্থ হয় ৰাজ্যৰ প্ৰথিতযশা নাট্যকাৰ উগ্ৰ মেনাৰ' 'বিপ্লৱী চেতনা'। গাঁও উন্নয়ন সমিতিৰ সভাপতি ভদ্ৰেশ্বৰ নাথে মঞ্চ মুকলি কৰা অনুষ্ঠানত সাংবাদিক হিমাংশু শইকীয়াই মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি কয় যে নাটকে সমাজৰ বাস্তৱ ছবি এখন দাঙি ধৰে আৰু সঠিক পথে আগুৱাই যাবলৈ সকলোৰে মনত চিন্তা শক্তি জাগ্ৰত কৰে। তেওঁ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নাটৰ জৰিয়তে তাহানিতে সমাজক সঠিক দিশে আগুৱাই নিয়াৰ প্ৰয়াস কৰিছিল আৰু এয়া বিশ্বৰ ভিতৰতে এক বিৰল সাংস্কৃতিক নিদৰ্শন বুলিও তেওঁ কয়। স্থানীয় যুৱচামৰ তৎপৰতাত বিষ্ণুজ্যোতি সংঘই সীমিত সা-সুবিধাৰ মাজৰে স্থানীয়ভাৱে নিৰ্মাণ কৰা দৈত মঞ্চত অভিনয় কৰা নাটকখন প্ৰতিজন কলা-কুশলীয়ে সফল কৰি তোলাৰ বাবে প্ৰয়াস কৰে। নাটকখনত সংগীত ব্যৱস্থাপনাৰ দায়িত্ব পালন কৰা ত্ৰিনয়ন নাথ, ইলা নাথ, ভূপেন নাথৰ লগতে পোহৰত উজ্জ্বলৰ কামে দৰ্শকৰ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হোৱাৰ দৰেই বুবুৰ শব্দ ব্যৱস্থাপনাই নাটকখনলৈ অধিক গতিশীলতা আনি দিয়ে। উল্লেখ্য যে অভিনেতা-পৰিচালক তথা নাট্যকাৰ ননী মাধৱ শৰ্মাৰ লগতে বিশ্বজিৎ নাথ, ইন্দ্ৰকমল নাথ, ৰোমান নাথ, প্ৰশান্ত মহন্ত, নিতুন শৰ্মা, দিপেন নাথ, ভাস্কৰ কৌশিক, দেৱব্ৰত শৰ্মা, গুদ্দু সিং, চন্দন গোস্বামী, ৰাজু নাথ, প্ৰতিমা দেৱী, বৰ্ষা দেৱী, মৃদুলা দেৱী, ববী দেৱী আৰু শিশু চৰিত্ৰত কৌশিক নাথৰ অভিনয়ে দৰ্শক ৰাইজৰ হৃদয় জিনিবলৈ সক্ষম হয়। একেখন মঞ্চতে দ্বিতীয় নিশা মঞ্চস্থ হ'বলগীয়া নাট্যকাৰ-পৰিচালক ননী মাধৱ শৰ্মাৰ হৃদয় নদীৰ বান নাটকখন প্ৰতিকূল বতৰৰ বাবে বাতিল কৰিবলগীয়া হয় আৰু ৰঙালী বিহুত নাটখন মঞ্চস্থ কৰা হ'ব বুলি আয়োজক সমিতিয়ে জানিব দিয়ে।

# প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী হীৰাৱতি বৰুৱাৰ সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১ এপ্ৰিল ঃ** আমগুৰি শিক্ষা খণ্ডৰ অন্তৰ্গত দিখৌমুখৰ শংকৰদেৱ প্ৰাথমিক বিদ্যালয় (সেউজপুৰ)ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষয়িত্ৰী হীৰাৱতি বৰুৱাক যোৱা ৩১ মাৰ্চত বিদায় সম্বৰ্ধনা জনোৱা হয়। ১৯৮৫ৰ প্ৰতিষ্ঠা কালৰ প্ৰধান শিক্ষয়িত্ৰীৰূপে কৰ্মৰত বৰুৱাই সেইদিনাই অৱসৰগ্ৰহণ কৰে। অৱসৰৰ দিনটোতেই স্থানীয় ৰাইজ অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলে জনোৱা বিদায় সভাখনত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ধীৰেণ বৰুৱাই। সভাত যুৱ শিক্ষক সমাজকৰ্মী বুবুল দত্তই কয় যে এই অৱসৰকালীন বিদায় আনুষ্ঠানিকতাহে। ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক পিতৃ আৰু পুত্ৰৰ দৰে। এই আত্মিক সম্পৰ্কক কেতিয়াও বিদায় জনাব নোৱাৰি। এজন ছাত্ৰ সামগ্ৰিক জীৱনটোত পিতৃ-মাতৃৰ পাছতে শিক্ষাগুৰুৰ অৱিহণা অপৰিসীম। ইয়াক কোনো বস্তুৰে জুখিব নোৱাৰি। সভাত সমাজকৰ্মী জিতু দত্তই কয় যে বৰুৱাৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সমাজখনৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা অভিভাৱকসকলে সকলো সময়তে মনত ৰাখিব। এজন শিক্ষকক ছাত্ৰ-ছাত্ৰী বা অভিভাৱকে কেতিয়াও বিদায় জনাব নোৱাৰে। প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ অন্তৰত শিক্ষক বা শিক্ষয়িত্ৰীগৰাকী আমৃত্যু সোমাইয়েই থাকিব। বিদ্যালয় শিক্ষক গোট, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী মঞ্চ, মাতৃ গোট, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, স্থানীয় ব্যক্তি তথা সংগঠনে গামোচা শৰাই, কিতাপৰ টোপোলা, আৰু বিভিন্ন উপহাৰেৰে জনোৱা বিদায় সম্বৰ্ধনা গ্ৰহণ কৰি আৱেগিক হৈ পৰা হীৰাৱন্দ্ৰতি বৰুৱাই চাকৰি কালৰ চিৰসেউজ স্মৃতি সোঁৱৰাৰ লগতে বিগত সময়বোৰত স্থানীয় ৰাইজ, অভিভাৱকসকলে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত প্ৰণৱ দত্ত, পৰাগ সাধনিদাৰ, বিতোপন দুৱৰাকে ধৰি বহুকেইজনে বক্তব্য প্ৰদান কৰি শিক্ষয়িত্ৰীগৰাকীৰ অৱদানৰ বিষয়ে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

# বিহালীৰ বৰঝাৰণিত বৃহৎ পৰিমাণৰ অবৈধ কাঠৰ কুণ্ডা জব্দ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১ এপ্ৰিল ঃ** শোণিতপুৰ বন সংমণ্ডলৰ অসম-অৰুণাচল সীমান্ত বৰঝাৰণিৰ পৰা যোৱা ৩১ মাৰ্চত বৃহৎ পৰিমাণৰ অবৈধ কাঠৰ কুণ্ডা জব্দ কৰে। বিশ্বনাথ চাৰিআলি পূব শোণিতপুৰ বন সংমণ্ডলৰ এ চি এফ নন্দ কুমাৰ আৰু এ চি এফ বিশ্বজিৎ দাসৰ লগতে বৰগাং ভাৰপ্ৰাপ্ত বন বিষয়া সুজিত নৰহৰ নেতৃত্বত যোৱা এটা বনকৰ্মী দলে অসম অৰুণাচল সীমান্ত বৰঝাৰণি পৰা বৃহৎ পৰিমাণৰ অবৈধভাৱে মজুত ৰখা কাঠৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয়। অবৈধ কাঠ ব্যৱসায়ীয়ে উক্ত কাঠৰ কুণ্ডাসমূহ মজুত কৰি ৰাখিছিল। জব্দ কৰা কাঠৰ কুণ্ডাৰ পৰিমাণ প্ৰায় ৫১ ডাল হ'ব। ইফালে জব্দ কৰা কাঠৰ কুণ্ডাসমূহ বিহালীৰ বৰগাং বিভাগৰ কাৰ্যালয়লৈ আনি তদন্ত অব্যাহত ৰাখিছে বন বিভাগে। ইফালে বন বিভাগৰ সূত্ৰত প্ৰকাশ উক্ত কাঠসমূহ নিৰ্বাচনৰ সুযোগ লৈ একাংশ চোৰাং কাঠ-ব্যৱসায়ীয়ে ৰমৰমীয়া ব্যৱসায় কৰিবলৈ চেষ্টা কৰিছিল যদিও সেয়া সফল হ'বলৈ দিয়া নহ'ল বুলি কুমাৰে প্ৰকাশ কৰে। বিভাগৰ পৰা জানিব পৰা মতে উক্ত কাঠৰ কুণ্ডাসমূহৰ মূল্য প্ৰায় এক লাখৰ পৰা দুই লাখ হ'ব।

# মৰাণৰ কচুমাৰিত দ্বিতীয় বাৰ্ষিক মুকলি বিহু আয়োজন

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১ এপ্ৰিল ঃ** চৰাইদেউ জিলাৰ মৰাণ কচুমাৰি যুৱ সমাজৰ উদ্যোগত আৰু কচুমাৰিবাসী ৰাইজৰ সহযোগত অহা পহিলা ব'হাগত এদিনীয়াকৈ দ্বিতীয় বাৰ্ষিক মুকলি বিহু আয়োজন কৰা হৈছে। কচুমাৰি ৰাজহুৱা খেলপথাৰত আয়োজিত এই মুকলি বিহুখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ ইতিমধ্যে ৰঞ্জিত ভূঞাক সভাপতি, বিতুপন চাংমাইক কাৰ্যকৰী সভাপতি আৰু ত্ৰিদীপ দত্তক মুখ্য সম্পাদকৰূপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে। মুকলি বিহুখনত হুঁচৰি, বিহুৱতী, মৌ-কুঁৱৰী, চেমনীয়া হুঁচৰি আৰু জেং বিহু প্ৰদৰ্শন কৰা হ'ব।

# একমাত্ৰ পেৰা চাইক্লিষ্ট-নিৰ্বাচন আয়োগৰ ৰাজ্যিক আইকনৰ চাইকেল সমদল

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১ এপ্ৰিল ঃ** অহা ছয় এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া বঙাইগাঁও বিধানসভা সমষ্টিৰ ভোটৰক সচেতনতা সৃষ্টিৰ লক্ষ্যৰে বঙাইগাঁও নিৰ্বাচনী জিলাৰ সহযোগিতাত নিৰ্বাচন আয়োগ তথা ৰাজ্যিক পদ্ধতিগত ভোটাৰ শিক্ষা আৰু অংশগ্ৰহণ কৰে কোষৰ আইকন উত্তৰ-পূবৰ একমাত্ৰপেৰা চাইক্লিষ্ট ৰাকেশ বণিকে। যোৱা ৩১ মাৰ্চত বঙাইগাঁও জিলা সদৰত উপস্থিত হয়। উপায়ুক্ত কাৰ্যালয়ৰ বাকৰিৰ পৰা 'আমি সজাগ ভোটাৰ, যেতিয়া লক্ষ্য থাকে সঠিক, কোনো বাধাই আপোনাৰ বাট ভেটিব নোৱাৰে। আমি সজাগ ভোটাৰ ভোটদান আমাৰ অধিকাৰ। ভোটাধিকাৰ সঁচা অৰ্থত এক মূল্যবান অধিকাৰ। আপোনাৰ ভোটাধিকাৰক লৈ গৰ্ব কৰক আৰু ভোট দিবলৈ সাজু হওক। বিবেক ভোট প্ৰদান কৰি গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰক।' আদি শ্ল'গানেৰে এক মেগা চাইকেল সমদল উলিয়াই চহৰ পৰিভ্ৰমণ কৰি স্থানীয় গান্ধী ময়দানত সমবেত হয়। কাৰ্যসূচীত বঙাইগাঁও জিলা নিৰ্বাচনী বিষয়া তথা জিলা উপায়ুক্ত ডাঃ এম এছ লক্ষ্মীপ্ৰিয়াই সমদল ফ্লেগ অফ্ কৰাৰ পূৰ্বে কয় যে এইটো এটা গণতন্ত্ৰৰ ভেটি সুদৃঢ় কৰাৰ লগতে ভোটাৰক ভোটদানৰ গুৰুত্ব প্ৰদানৰ বাবে সজাগতা সৃষ্টি কৰাৰ প্ৰয়াসৰে চাইকেল সমদলৰ আয়োজন কৰা বুলি মন্তব্য প্ৰকাশ কৰে। এই কাৰ্যসূচীত ৰাকেশ বণিকে বঙাইগাঁও সমষ্টিৰ ভোটাৰসকলক বিবেক ভোট প্ৰদান কৰিবলৈ আহ্বান জনায়। কাৰ্যসূচীত সহকাৰী আয়ুক্ত শিৰাংশ অৱস্থি, বঙাইগাঁও ৰাজহ চক্ৰ বিষয়া দীপন বৰ্মন, ভাৰপ্ৰাপ্ত জিলা তথ্য আৰু জনসংযোগ বিষয়া কবিতা ডেকা সহ নিৰ্বাচনী কোষৰ বিভিন্ন বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

# তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ তুংগত

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১ এপ্ৰিল ঃ** তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া বঙাইগাঁও জিলাৰ তিনিওটা সমষ্টিৰ অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হকে প্ৰচাৰৰ উদ্দেশ্যে অহা তিনি এপ্ৰিলত বিজেপিৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বহুকেইজন নেতাৰ লগতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত হ'ব। উক্ত দিনা দক্ষিণ অভয়াপুৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত অভয়াপুৰী গান্ধী ময়দানত সমষ্টিটোৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী পূৰ্ণেন্দু বণিক্যৰ ভেটি মজবুত কৰাৰ উদ্দেশ্যে পুৱা জনসভাৰ আয়োজন কৰাৰ লগতে একেদিনাই উত্তৰ অভয়াপুৰী সমষ্টিতো নিৰ্বাচনী সভা অনুষ্ঠিত হ'ব। সমষ্টিটোৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূপেন ৰায়ৰ সাংগঠনিক ভেটি টনকিয়াল কৰাৰ উদ্দেশ্যে দুপৰীয়া সমষ্টিটোৰ কীৰ্তনপাৰাত উক্ত সভা অনুষ্ঠিত কৰিব। দুয়োখন নিৰ্বাচনী সভাতে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জেপি নড্ডা, কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীৰ লগতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, অগপৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, নুৰুল হুছেইনকে ধৰি বহুকেইজন নেতাই অংশ ল'ব।

# কোকৰাঝাৰ পশ্চিম সমষ্টিৰ চৌতাৰা বোৱালকামাৰীত শতাধিক লোক বিজেপিত যোগদান

**অগ্ৰদূত বাৰ্তা**

**ফকিৰাগ্ৰাম, ১ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই তৎপৰতা বাঢ়িছে বিভিন্ন ৰাজনৈতিক দলসমূহৰ। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ মাজত কেইটমান দিন বাকী। ইতিমধ্যে তুংগত উঠিছে সকলো ৰাজনৈতিক দলৰ নিৰ্বাচনী প্ৰচাৰ। পশ্চিম কোকৰাঝাৰ বিধানসভা সমষ্টিৰ অধীন চৌতাৰা বোৱালকামাৰীত যোৱা ৩১ মাৰ্চত বিজেপি-ইউপিপিএলৰ এক নিৰ্বাচনী সভা অনুষ্ঠিত হয় লগতে এই প্ৰচাৰ সভাতে শতাধিক পুৰুষ-মহিলা বিপিএফ, জিএছপি আদি দলৰ পৰা আহি বিজেপিত যোগদান কৰে। সভাত কোকৰাঝাৰ জিলা বিজেপিৰ উপ-সভাপতি শান্তিৰাম বৰ্মন, জিলা সম্পাদক মানস প্ৰতিম ৰায়, বিদ্যাসাগৰ বসুমতাৰী, ৰাজেন্দ্ৰ বসুমতাৰী, ফকিৰাগ্ৰাম মণ্ডল সভাপতি মনোজ ৰায়, কচুগাঁও মণ্ডলৰ সভাপতি সিদ্ধাৰ্থ নাৰ্জাৰী আদিৰ লগতে কোকৰাঝাৰ পশ্চিম জনজাতি সমষ্টিৰ ইউপিপিএল দলৰ প্ৰাৰ্থী মনোৰঞ্জন ব্ৰহ্মৰ উপৰি বিটিচিৰ প্ৰাক্তন ইএম ৰেওৰেওয়া নাৰ্জীহাৰী আদি উপস্থিত থাকে। নতুনকৈ যোগদানত আদৰণি জনায় আৰু দলৰ হৈ কাম কৰি মিত্ৰদলৰ সমৰ্থিত ইউপিপিএলৰ প্ৰাৰ্থী মনোৰঞ্জন ব্ৰহ্মক বিপুল ভোটত জয়ী কৰাৰ বাবে আহ্বান জনায় বিজেপিৰ কোকৰাঝাৰ জিলা উপ-সভাপতি সভাপতি শান্তিৰাম বৰ্মনে।

# তামুলপুৰত ভোটাৰৰ মাজত সজাগতা বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ১ মে' ঃ** অসম বিধানসভাৰ ৫৮ নম্বৰ তামুলপুৰ বিধানসভা সমষ্টিত তৃতীয় পৰ্যায়ৰ নিৰ্বাচন অহা ছয় এপ্ৰিলত অনুষ্ঠিত হ'ব। আগন্তুক নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বাগ্‌সা জিলা নিৰ্বাচনী বিষয়াৰ উদ্যোগত ভোটাৰ ৰাইজৰ মাজত প্ৰণালীবদ্ধ শিক্ষা আৰু অংশগ্ৰহণৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰিবলৈ কালি তামুলপুৰৰ ৰাজপথত এক শোভাযাত্ৰা উলিওৱাৰ লগতে কুইজ প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত কৰা হয়। বাগ্‌সা জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত আয়োজন কৰা এই সজাগতা সমদলৰ আনুষ্ঠানিকভাৱে পতাকা জোকাৰি আৰম্ভ কৰে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকা আৰু সজাগতামূলক কাৰ্যসূচীৰ ব্ৰেণ্ড এম্বেচাদৰ তথা বড়ো চলচ্চিত্ৰ অভিনেত্ৰী হেলেনা দৈমাৰীয়ে। সজাগতা সমদলৰ আৰম্ভ কৰি অধ্যক্ষ বিভূতি ডেকাই কয় যে গণতান্ত্ৰিক ব্যৱস্থাত ভোটাৰৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা অৱলোকন কৰি ৰাইজক ভোটদানৰ হাৰ বৃদ্ধিৰ বাবে আহ্বান জনায়। প্ৰায় আঢ়ৈ কিলোমিটাৰ পথ অতিক্ৰম কৰা এই সজাগতা সমদলত বাগ্‌সা জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ প্ৰতীক পটৰ বাহন সংহত শিশু কল্যাণ প্ৰকল্প বিষয়াৰ কাৰ্যালয়, মহকুমা স্বাস্থ্য বিষয়া, পৰিয়াল কল্যাণ বিষয়াৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী, তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, তামুলপুৰ মহাবিদ্যালয়ৰ অধ্যাপক শিক্ষক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলৰ লগতে সংগ দিয়ে তামুলপুৰৰ ৰাজহ চক্ৰ বিষয়া আৰু জালাহৰ চক্ৰ বিষয়া ক্ৰমে ৰূপ কমল ৰাভা আৰু মনোজ দলে আৰু অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ শৰ্মাই। সমদলৰ পূৰ্বে জিলা তথ্য আৰু জনসংযোগ বিষয়া হেমচন্দ্ৰ পাঠকে জিলাখনত কিদৰে ভোটদানৰ হাৰ বৃদ্ধি কৰিব পাৰি সেই সম্পৰ্কত বক্তব্য আগবঢ়ায়। আনহাতে, সমদলৰ পাছতে তামুলপৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ভোটাৰৰ প্ৰণালীবদ্ধ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ শীৰ্ষক সভা এখন অনুষ্ঠিত হয়। বাগ্‌সা জিলা তথ্য আৰু জনসংযোগ বিষয়া হেমচন্দ্ৰ পাঠকে আঁত ধৰা কুইজ প্ৰতিযোগিতাখনত নিকাচী জ্ঞানপীঠ মহাবিদ্যালয়ৰ ওম প্ৰকাশ পোখৰেল তামুলপুৰ বাণিজ্য মহাবিদ্যালয়ৰ বসন্ত কুমাৰ ৰাভা, হেলেনা দৈমাৰী আৰু অতিৰিক্ত উপায়ুক্ত সঞ্জীৱ শৰ্মাই অনাগত নিৰ্বাচনত ভোটাৰৰ ভূমিকা তথা ভোটাৰে কিদৰে এখন সুস্থ চৰকাৰ তথা উপযুক্ত জনপ্ৰতিনিধি নিৰ্বাচনত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব পাৰে সেই সন্দৰ্ভত বক্তব্য ৰাখে।



# তৃতীয় টি-২০ মেচ জয়ৰে তিনিখনীয়া শৃংখলা ৩-০ ত দখল নিউজিলেণ্ডৰ



**নেপিয়েৰ, ১ এপ্ৰিল ঃ** নিউজিলেণ্ডে বাংলাদেশৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ৰ ব্যৱধানৰে দখল কৰিছে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা তিনিখনীয়া টি-20 শৃংখলাটোৰ অন্তিমখন মেচতো নিউজিলেণ্ডে জয়লাভ কৰিছে। বৰষুণে বাধা দিয়া মেচখনত নিউজিলেণ্ডে 65 ৰাণত পৰাস্ত কৰে বাংলাদেশক। উল্লেখ্য যে বৰষুণৰ বাবে মেচখনৰ অভাৰ 20 ৰ পৰা হ্ৰাস কৰি 10 কৰা হয়। পোনতে বেটিং কৰি নিউজিলেণ্ডে 10 অভাৰত চাৰি উইকেট হেৰুৱাই 141 ৰাণ কৰে। দলৰ হৈ এলানে 71 আৰু গুপটিলে 44 ৰাণ কৰে। প্ৰত্যুত্তৰত বাংলাদেশে 9.3 অভাৰত 76 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। নিউজিলেণ্ডৰ হৈ এছলে চাৰিটা আৰু ছাউথীয়ে তিনিটা উইকেট পায়। উল্লেখ্য যে শৃংখলাৰ পূৰ্বৰ দুখন মেচত জয়ী হৈ নিউজিলেণ্ডে ইতিপূৰ্বে শৃংখলাটোত 2-0 ৰ অগ্ৰগতি লৈ বিজয় নিশ্চিত কৰিছিল। বৰষুণে বাধা দিয়া দ্বিতীয় মেচখনত নিউজিলেণ্ডে 28 ৰাণত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰি নিউজিলেণ্ডে 17.5 অভাৰত পাঁচ উইকেট হেৰুৱাই 173 ৰাণ কৰে। তাৰপাছত আৰম্ভ হয় বৰষুণ। পুনৰ খেল আৰম্ভ হোৱাত বাংলাদেশক 16 অভাৰত উক্ত ৰাণ বিজয়লক্ষ্য দিয়া হয়। কিন্তু দলে সাত উইকেটত 142 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে হেমিল্টনত অনুষ্ঠিত হোৱা প্ৰথমখন টি-20 মেচত নিউজিলেণ্ডে 66 ৰাণত পৰাস্ত কৰিছিল বাংলাদেশক। পোনতে বেটিং কৰি নিউজিলেণ্ডে তিনি উইকেটত 210 ৰাণ কৰে। প্ৰত্যুত্তৰত, বাংলাদেশে আঠ উইকেটত 144 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে।

## কিবিৰ ভূমিত এখন মেচতো জয়ৰ মুখ নেদেখিলে বাংলাদেশে

**নেপিয়েৰ, ১ এপ্ৰিল ঃ** নিউজিলেণ্ড ভ্ৰমণলৈ যোৱা বাংলাদেশ ক্ৰিকেট দলে এখনো মেচত জয়ৰ মুখ নেদেখিলে। তিনিখনীয়া এদিনীয়া শৃংখলাটো 3-0 ৰ ব্যৱধানৰে হেৰুওৱাৰ পাছত আজি তিনিখনীয়া টি-20 শৃংখলাটোও 3-0 ৰ ব্যৱধানৰে পৰাজয়ৰ সন্মুখীন হয়। উল্লেখ্য যে নিউজিলেণ্ডে বাংলাদেশৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ৰ ব্যৱধানৰে দখল কৰিছে। ইয়াৰপূৰ্বে বাংলাদেশৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো নিউজিলেণ্ডে 3-0 ব্যৱধানৰে দখল কৰিছিল। শৃংখলাৰ অন্তিমখন মেচতো নিউজিলেণ্ডে 164 ৰাণত পৰাস্ত কৰে বাংলাদেশক। পোনতে বেটিং কৰি নিউজিলেণ্ডে ছয় উইকেট হেৰুৱাই 318 ৰাণ কৰে। প্ৰত্যুত্তৰত, বাংলাদেশে কঠিন বিজয়লক্ষ্য অনুসৰণ কৰি 42.4 অভাৰত 154 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে দ্বিতীয়খন মেচত নিউজিলেণ্ডে পাঁচ উইকেটত জয়লাভ কৰিছিল। পোনতে বেটিং কৰা বাংলাদেশে ছয় উইকেটত সংগ্ৰহ কৰে 271 ৰাণ। প্ৰত্যুত্তৰত নিউজিলেণ্ডে 48.2 অভাৰত পাঁচ উইকেট হেৰুৱাই 275 ৰাণ কৰি জয়লাভ অৰ্জন কৰে।



ইফালে, নিউজিলেণ্ডে প্ৰথমখন এদিনীয়া মেচত বাংলাদেশৰ বিৰুদ্ধে আঠ উইকেটত জয়লাভ কৰিছিল। পোনতে বেটিং কৰা বাংলাদেশে 41.5 অভাৰতে 131 ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত, নিউজিলেণ্ডে 21.2 অভাৰতে দুই উইকেট হেৰুৱাই 132 ৰাণ কৰি সহজে বিজয়লক্ষ্যত উপনীত হয়।



### নেপালৰ দ্বিতীয় আন্তৰ্জাতিক গেমছত অনন্য সফলতা

## কুংফুত আঠটা সোণসহ ১৩ টা পদক লাভ অসম দলৰ

**গুৱাহাটী, ১ এপ্ৰিল ঃ** অসমৰ কুংফু দলে নেপালত অনুষ্ঠিত দ্বিতীয় আন্তৰ্জাতিক গেমছত 13 টা পদক লাভ কৰি অনন্য সফলতা লাভ কৰিছে। উল্লেখ্য যে যোৱা 29-30 মাৰ্চত নেপালৰ কাঠমাণ্ডুত অনুষ্ঠিত হয় দ্বিতীয় আন্তৰ্জাতিক গেমছ-2021¼ নেপালৰ জামছাৰ ক্লাব আৰু দক্ষিণ এছিয়া ফেডাৰেছন অব অল স্পৰ্টছ সন্থাই আয়োজন কৰে দ্বিতীয় আন্তৰ্জাতিক গেমছ-2021¼ উক্ত প্ৰতিযোগিতাত অসমৰ বাৰ খেলুৱৈসহ 15 জনীয়া দলে অংশ লয় কুংফু প্ৰতিযোগিতাত। দলক নেতৃত্ব দিছিল গ্ৰেণ্ড মাষ্টাৰ গমে থাপাই। অসমৰ কুংফু দলে উক্ত দ্বিতীয় আন্তৰ্জাতিক গেমছত 13 টা পদক লাভ কৰি গৌৰৱময় সফলতা অৰ্জন কৰে। অসমৰ হৈ সোণ লাভ কৰে ৰাজু দাস, ৰহমান আলি, নিজামউদ্দিন আহমেদ, হিমাংশু ডেকা, জ্যোতিময় বৈশ্য, জেডিডিয়া বসুমতাৰী, ভূৱন দিহিঙিয়া আৰু গৌৰী মেধিয়ে। আনহাতে, ৰূপৰ পদক লাভ কৰে হিমংশু ডেকা, সিলাপিনা বেগম, অহিমা বেগম, বাবুল বসুমতাৰী আৰু জিতেন মহন্তই। অসম দলৰ প্ৰশিক্ষক আছিল মুকুত কলিতা। দলৰ লগত ৰেফাৰীৰূপে



চি এছ কেৰ অনুশীলনত জাডেজাই।

## নিশাৰ বৰষুণৰ বাবে ডিব্ৰুগড়ৰ জালান আউটড'ৰ ষ্টেডিয়ামৰ মেচ পৰিত্যক্ত ঘোষণা

**গুৱাহাটী, ১ এপ্ৰিল ঃ** ডিব্ৰুগড়ত আজি অনুষ্ঠিত হ'বলগা গোলাঘাটৰ নামবৰ ক্লাব আৰু ৰঙিয়া ক্ৰিকেট সন্থাৰ মাজৰ তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডৰ মেচখন বৰষুণৰ বাবে পৰিত্যক্ত হয়। ফলত উভয় দলে দুই পইণ্টকৈ ভগাই লয়। উল্লেখ্য যে যোৱানিশা হোৱা ধাৰাসাৰ বৰষুণৰ বাবে ডিব্ৰুগড়ৰ জালান আউটড'ৰ ষ্টেডিয়ামৰ খেলপথাৰ খেলৰ অনুপযোগী হৈ পৰাত আম্পায়াৰে মেচ আয়োজন অসম্ভৱ বুলি কয় আৰু খেলখন পৰিত্যক্ত বুলি ঘোষণা কৰি গোলাঘাটৰ নামবৰ ক্লাব দুই পইণ্ট আৰু ৰঙিয়া ক্ৰিকেট সন্থাক দুই পইণ্টকৈ ভগাই দিয়ে। উল্লেখ্য যে তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডলৈ মুঠ বাৰটা দলে যোগ্যতা অৰ্জন কৰিছে। আন্তঃমাণ্ডলিক ৰাউণ্ডৰ মেচৰ পাছত ছটা মণ্ডলৰ চেম্পিয়ন আৰু ৰানাৰ্ছআপ দলে যোগ্যতা অৰ্জন কৰিছে ফাইনেল ৰাউণ্ডলৈ। এতিয়া ফাইনেল ৰাউণ্ডত বাৰটা দলক দুটা গ্ৰুপত ভাগ কৰা হৈছে। ইয়াৰে ছটা দলে খেলিছে তিনিচুকীয়াত হ'বলগা মেচত। আনহাতে, ছটা দলে খেলিছে ডিব্ৰুগড়ত হ'বলগা মেচত। গোলাঘাটৰ নামবৰ ক্লাব আৰু ৰঙিয়া ক্ৰিকেট সন্থাৰ লগতে ডিব্ৰুগড়ত খেলিব লগা অন্য চাৰিটা দল হ'ল বৰপেটাৰ ত্ৰিৰংগ ক্লাব, শিলচৰৰ ইণ্ডিয়া ক্লাব, তেজপুৰৰ ছুপাৰ টাচ ক্লাব আৰু তিনিচুকীয়াৰ সপ্তৰ্শী।

### পোলেণ্ডত আইবা বিশ্ব যুৱ বক্সিং চেম্পিয়নশ্বিপ

## ভাৰতীয় দলৰ প্ৰশিক্ষকৰ দায়িত্বত অসমৰ প্ৰণামিকা বৰা



**গুৱাহাটী, ১ এপ্ৰিল ঃ** অসমৰ প্ৰাক্তন মহিলা বক্সাৰ তথা বৰ্তমানৰ প্ৰশিক্ষক প্ৰনামিকা বৰাই ভাৰতীয় দলৰ প্ৰশিক্ষকৰ দায়িত্ব লাভ কৰিছে। উল্লেখ্য যে চলিত মাহতে পোলেণ্ডত অনুষ্ঠিত হ'ব আইবা বিশ্ব যুৱ পুৰুষ-মহিলা বক্সিং চেম্পিয়নশ্বিপ। উক্ত প্ৰতিযোগিতাত অংশ ল'ব লগা ভাৰতীয় দলৰ অন্যতম প্ৰশিক্ষক হ'ব অসমৰ প্ৰনামিকা বৰা। আজি এই কথা জনাইছে ভাৰতীয় বক্সিং সন্থাৰ সচিব তথা অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কুমাৰ কলিতাই। উল্লেখ্য যে অহা 10-26 এপ্ৰিললৈ পোলেণ্ডত অনুষ্ঠিত হ'ব আইবা বিশ্ব যুৱ পুৰুষ-মহিলা বক্সিং চেম্পিয়নশ্বিপ। ইতিমধ্যে উক্ত প্ৰতিযোগিতাত অংশ লোৱাৰ বাবে ভাৰতীয় বক্সিং সন্থাই নিৰ্বাচন কৰা দেশৰ পুৰুষ-মহিলা দল ৰাওনা হৈছে পোলেণ্ডলৈ। কৰ'নাৰ বাবে দল প্ৰথমে কোৱাৰেণ্টিনত থাকিব। উল্লেখ্য যে অসমৰ প্ৰনামিকা বৰাই পূৰ্বেও ভাৰতীয় দলৰ প্ৰশিক্ষকৰ দায়িত্ব লাভ কৰিছিল যদিও এইবাৰ প্ৰথমবাৰৰ বাবে আইবা বিশ্ব যুৱ পুৰুষ-মহিলা বক্সিং চেম্পিয়নশ্বিপত জাতীয় দলৰ প্ৰশিক্ষক হোৱাৰ সুযোগ লাভ কৰিছে।



## উত্তৰ নলবাৰী স্পৰ্টছ ক্লাবৰ বিৰুদ্ধে গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাবৰ জয়

**গুৱাহাটী, ১ এপ্ৰিল ঃ** গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাবে তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডৰ প্ৰথম মেচত জয়লাভ কৰিছে। উল্লেখ্য যে আজি তিনিচুকীয়াত অনুষ্ঠিত মেচত গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাব মুখামুখি হয় উত্তৰ নলবাৰী স্পৰ্টছ ক্লাবৰ বিৰুদ্ধে। মেচখনত গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাবে 47 ৰাণত পৰাস্ত কৰে উত্তৰ নলবাৰী স্পৰ্টছ ক্লাবক। উল্লেখ্য যে বৰষুণৰ বাবে মেচখনৰ অভাৰ 50 ৰ পৰা হ্ৰাস কৰি 20 কৰা হয়। টছত হাৰি পোনতে বেটিং কৰা বাড ক্ৰিকেট ক্লাবে 20 অভাৰত সাত উইকেট হেৰুৱাই 158 ৰাণ কৰে। প্ৰত্যুত্তৰত 18.1 অভাৰত 111 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে উত্তৰ নলবাৰী স্পৰ্টছ ক্লাবে। এই জয়ৰে চাৰি পইণ্ট লাভ কৰে গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাবে। উল্লেখ্য যে উত্তৰ নলবাৰী স্পৰ্টছ ক্লাবে আন্তঃমাণ্ডলিক ৰাউণ্ডৰ মেচৰ নামনি অসম মণ্ডলৰ পৰা যোগ্যতা অৰ্জন কৰিছিল ফাইনেল ৰাউণ্ডলৈ। আনহাতে, হেড কোৱাৰ্টাৰ মণ্ডলৰ পৰা ফাইনেল ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাবে।

## শ্ৰীলংকাৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি ৱেষ্টইণ্ডিজৰ

**এণ্টিগুৱা, ১ এপ্ৰিল ঃ** ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচত প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰিছে। উল্লেখ্য যে এণ্টিগুৱাত চলি থকা দুখনীয়া টেষ্ট শৃংখলাৰ দ্বিতীয়খন মেচত পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত 354 ৰাণ কৰিছিল। দলৰ হৈ অপেনাৰ ক্ৰেইগ ব্ৰেথৱেইটে (126] শতক অৰ্জন কৰে। আনহাতে, ক্ৰ'নৱেলে 73 ৰাণৰ গুৰুত্বপূৰ্ণ ইনিংছ খেলে। শ্ৰীলংকাৰ হৈ লকমলে চাৰিটা আৰু চমীৰাই তিনিটা উইকেট লাভ কৰে। ইফালে, শ্ৰীলংকাই আজি 258 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ থিৰিমানে 55 ৰাণ কৰাৰ লগতে নিছাংকে কৰে 51 ৰাণ। ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত 96 ৰাণৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। উল্লেখ্য যে উভয় দলৰ প্ৰথমখন টেষ্ট ড্ৰ ৰূপে সমাপ্ত হৈছিল। এতিয়া দ্বিতীয় টেষ্টৰ ফলাফলে নিৰ্ণয় কৰিব শৃংখলা কোন দলে দখল কৰে। প্ৰথম টেষ্টত শ্ৰীলংকাই ৱেষ্ট ইণ্ডিজৰ সন্মুখত 375 ৰাণৰ বিজয়লক্ষ্য দিছিল। কিন্তু অন্তিমদিনা ৱেষ্ট ইণ্ডিজে চাৰি উইকেটত 236 ৰাণ কৰাৰ সময়তে মেচখন ড্ৰ ৰূপে সমাপ্ত হয়। উল্লেখ্য যে টেষ্টখনত ৱেষ্ট ইণ্ডিজে প্ৰথম ইনিংছত 102 ৰাণৰ অগ্ৰগতি লাভ কৰিছিল। পোনতে বেটিং কৰা সিংহলী বাহিনীয়ে 169 ৰাণতে প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত কেৰিবিয়ান বাহিনীয়ে 271 ৰাণত প্ৰথম ইনিংছ সামৰি অগ্ৰগতি লাভ কৰিবলৈ সক্ষম হয়। কিন্তু দ্বিতীয় ইনিংছত শক্তিশালী প্ৰত্যাৱৰ্তন কৰে শ্ৰীলংকাই। সিংহলী বাহিনীয়ে 476 ৰাণ কৰি পৰাজয় ৰক্ষাৰ লগতে দৃঢ় স্থিতিত উপনীত হয়। উল্লেখ্য যে ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো 3-0 ৰ ব্যৱধানত জয় কৰিছিল। আনহাতে, ইয়াৰপূৰ্বে ৱেষ্ট ইণ্ডিজে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটোও 2-1 ত দখল কৰিছিল।



## আজি নামবৰৰ বিৰুদ্ধে সপ্তৰ্ষি

**গুৱাহাটী, ১ এপ্ৰিল ঃ** চলিত তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ কাইলৈ ডিব্ৰুগড়ৰ জালান আউটড'ৰ ষ্টেডিয়ামৰ খেলপথাৰত হ'বলগা ফাইনেল ৰাউণ্ডৰ মেচত তিনিচুকীয়াৰ সপ্তৰ্শীয়ে খেলিব গোলাঘাটৰ নামবৰ ক্লাবৰ বিৰুদ্ধে। উল্লেখ্য যে এয়া সপ্ৰৰ্শীৰ প্ৰথম মেচ। বিপৰীতে গোলাঘাটৰ নামবৰ ক্লাবে প্ৰথম মেচত ৰঙিয়া ক্ৰিকেট সন্থাৰ মুখামুখি হৈছিল যদিও বৰষুণৰ বাবে মেচখন পৰিত্যক্ত হয়। প্ৰথম মেচৰ পৰা দুই পইণ্ট লাভ কৰে গোলাঘাটৰ নামবৰ ক্লাবে। উল্লেখ্য যে তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডলৈ মুঠ বাৰটা দলে যোগ্যতা অৰ্জন কৰিছে। আন্তঃমাণ্ডলিক ৰাউণ্ডৰ মেচৰ পাছত ছটা মণ্ডলৰ চেম্পিয়ন আৰু ৰানাৰ্ছআপ দলে যোগ্যতা অৰ্জন কৰিছে ফাইনেল ৰাউণ্ডলৈ। এতিয়া ফাইনেল ৰাউণ্ডত বাৰটা দলক দুটা গ্ৰুপত ভাগ কৰা হৈছে। ইয়াৰে ছটা দলে খেলিছে তিনিচুকীয়াত হ'বলগা মেচত। আনহাতে, ছটা দলে খেলিছে ডিব্ৰুগড়ত হ'বলগা মেচত। গোলাঘাটৰ নামবৰ ক্লাব আৰু তিনিচুকীয়াৰ সপ্তৰ্শীৰ লগতে ডিব্ৰুগড়ত খেলিব লগা অন্য চাৰিটা দল হ'ল ৰঙিয়া ক্ৰিকেট সন্থা, বৰপেটাৰ ত্ৰিৰংগ ক্লাব, শিলচৰৰ ইণ্ডিয়া ক্লাব আৰু তেজপুৰৰ ছুপাৰ টাচ ক্লাব। অহা দহ এপ্ৰিলত হ'ব তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল মেচ। উল্লেখ্য যে তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ চেম্পিয়ন দলে খেলিব ফাইনেল। মুঠ 88.50 লাখ প্ৰাইজমানি থকা তৃতীয় অসম প্ৰীমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ তিনিটা পৰ্যায়ত আয়োজন কৰিছে অসম ক্ৰিকেট সন্থাই। প্ৰথমে অনুষ্ঠিত হৈছে জিলা, বিশ্ববিদ্যালয় আৰু ছাব জুনিয়ৰ পৰ্যায়ৰ মেচ। তাৰপাছত দ্বিতীয় স্তৰত মণ্ডলিক পৰ্যায়ত অনুষ্ঠিত হয় খেল। ছটা মণ্ডলৰ পৰা 12 টা দলে এতিয়া খেলিছে ফাইনেল ৰাউণ্ডৰ মেচ।

## আজি তিনিচুকীয়াত অভিযান আৰম্ভ কৰিব উত্তৰ লখিমপুৰৰ ৰংমন ক্লাবে

**গুৱাহাটী, ১ এপ্ৰিল ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডৰ মেচ আজিৰ পৰা আৰম্ভ হৈছে। উল্লেখ্য যে দুটা স্থানত অনুষ্ঠিত হৈছে অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ ফাইনেল ৰাউণ্ডৰ মেচ। তিনিচুকীয়াৰ লগতে ডিব্ৰুগড়তো হৈছে খেল। কাইলৈ তিনিচুকীয়াত অনুষ্ঠিত হ'বলগা মেচত গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাব মুখামুখি হ'ব উত্তৰ লখিমপুৰৰ ৰংমন ক্লাবৰ। ইতিমধ্যে প্ৰথম মেচত গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাবে 47 ৰাণত উত্তৰ নলবাৰী স্পৰ্টছ ক্লাবক পৰাস্ত কৰি চাৰি পইণ্ট লাভ কৰিছে। বিপৰীতে উত্তৰ লখিমপুৰৰ ৰংমন ক্লাবে কাইলৈ প্ৰথম মেচত অংশ ল'ব। উল্লেখ্য যে মুঠ 88.50 লাখ প্ৰাইজমানি থকা তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ তিনিটা পৰ্যায়ত আয়োজন কৰিছে অসম ক্ৰিকেট সন্থাই। প্ৰথমে অনুষ্ঠিত হৈছে জিলা, বিশ্ববিদ্যালয় আৰু ছাব জুনিয়ৰ পৰ্যায়ৰ মেচ। তাৰপাছত দ্বিতীয় স্তৰত মণ্ডলিক পৰ্যায়ত অনুষ্ঠিত হয় খেল। ছটা মণ্ডলৰ পৰা 12 টা দলে এতিয়া খেলিছে ফাইনেল ৰাউণ্ডৰ মেচ। উল্লেখ্য যে তৃতীয় অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 15 লাখ টকা। ৰানাৰ্ছ আপ দলে পাব 7.5 লাখ টকা। মণ্ডলৰ চেম্পিয়ন দলে 1.5 লাখ টকা লাভ কৰাৰ বিপৰীতে মণ্ডলৰ ৰানাৰ্ছ আপ আৰু জিলাৰ চেম্পিয়নে এক লাখ টকা লাভ কৰিব। গুৱাহাটীৰ বাড ক্ৰিকেট ক্লাব আৰু উত্তৰ নলবাৰী স্পৰ্টছ ক্লাবৰ লগতে তিনিচুকীয়াত খেলিছে উত্তৰ লখিমপুৰৰ ৰংমন ক্লাব, ক্ৰিকেট ক্লাব ডিব্ৰুগড়, কৰিমগঞ্জৰ মাইজধি ক্লাব আৰু নগাঁৱৰ ৰেডিয়েল ক্লাবে।



ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত জাৰ্মানীৰ বিৰুদ্ধে ঐতিহাসিক জয় উত্তৰ মেচিডোনিয়াৰ।

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/018-20

গুৱাহাটী, ২ এপ্ৰিল, ২০২১ শুকুৰবাৰ পৃষ্ঠা ১২



আৰক্ষী জোৱান আহত

# ভোটাৰৰ লাইনত শিশুক থিয় কৰাই ঠাই ৰখাক কেন্দ্ৰ কৰি ভূৰাগাঁৱত উত্তপ্ত পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ১ এপ্ৰিল ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ভূৰাগাঁও বালিকা মধ্য ইংৰাজী বিদ্যালয়ৰ ভোটকেন্দ্ৰত আজি এটি সৰু কথাক কেন্দ্ৰ কৰি দুই পক্ষৰ মাজত সংঘটিত হয় হতাহতিৰ ঘটনা। হতাহতিৰ মাজত সোমাই পৰা এজন আৰক্ষী জোৱান আহত হৈ চিকিৎসাধীন হ'ব লগা হয়। ঘটনাৰ বিৱৰণী মতে, পুৱা সাত বজাৰ পৰা ভোটকেন্দ্ৰটোত ভোটগ্ৰহণ কৰা হয়। শাৰী পাতি থকা ভোটাৰসকলৰ মাজত এজন ভোটাৰে নিজৰ ১২-১৩ বছৰীয়া পুত্ৰক থিয় কৰাই ঠাই সংৰক্ষণ কৰিছিল। শিশুটি শাৰীত থিয় দি থকাত পাছত থকা আন ভোটাৰজনে শিশুটিক আঁতৰি যাবলৈ দিয়ে। ইয়াকে লৈ শিশুটিৰ অভিভাৱক আহি উপস্থিত হোৱাত দুয়োজন ভোটাৰৰ মাজত প্ৰথমে বাদানুবাদ আৰু তাৰ পাছত সংঘৰ্ষ হয়। পৰিস্থিতি এনে অৱস্থা পায়গৈ যে পুৰুষ-মহিলা সকলোৱে এই সংঘৰ্ষত লিপ্ত হৈ পৰে। এনে অৱস্থাত কৰ্তব্যৰত এজন আৰক্ষী জোৱানে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আগবাঢ়ি যোৱাত অতৰ্কিতে সংঘৰ্ষৰ মাজত সোমাই পৰে আৰু জনৈক আলী উপাধিৰ জোৱানজনে নাকত আঘাতপ্ৰাপ্ত হৈ আহত হয়। ঘটনাৰ আৰু অধিক অৱনতি হোৱাৰ আগতে ভোটকেন্দ্ৰটোত ভূৰাগাঁও আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ঘটনাৰ সন্দৰ্ভত ভূৰাগাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকাই কয় যে ঘটনাটো কোনো লোকে দুটা ৰাজনৈতিক দলৰ কৰ্মীৰ মাজত সংঘাত বুলি অপপ্ৰচাৰ কৰিছে যদিও প্ৰকৃতাৰ্থত ভোটাৰৰ লাইনত থকা এটি শিশুক কেন্দ্ৰ কৰিহে দুই পক্ষৰ মাজত হতাহতি হৈছিল। দুই পক্ষক আঁতৰাই দিবলৈ গৈ আৰক্ষী জোৱানজন ঠেলা-গতাত মাজত সোমাই পৰি আঘাতপ্ৰাপ্ত হয়।

প্ৰমীলাৰাণী ব্ৰহ্মৰ হৈ নিৰ্বাচনী প্ৰচাৰ মহিলাৰীৰ ঃ বিজেপি মূৰ্খৰ দল ঃ শিক্ষিত লোকক গুৰুত্ব নিদিয়ে বিজেপিয়ে

# হিমন্ত বিশ্বৰ কথাত ভয় খোৱা মানুহ মই নহয়



## ছিদলীত চন্দন ব্ৰহ্মৰ হৈ নিৰ্বাচনী প্ৰচাৰ হাগ্ৰামা মহিলাৰীৰ

**অগ্ৰদূত বাৰ্তা**
**কোকৰাঝাৰ/কাজলগাঁও, ১ এপ্ৰিল ঃ** 'এইবাৰ নিৰ্বাচনত মহাজোঁটৰ চৰকাৰ আহি থকাটো নিশ্চিত।' এই মন্তব্য বিপিএফৰ সভাপতি তথা বিটিএডিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীৰ। আজি ছিদলী সমষ্টিৰ দলীয় প্ৰাৰ্থী তথা অসম চৰকাৰৰ মন্ত্ৰী চন্দন ব্ৰহ্মৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই মহিলাৰীয়ে এইদৰে কয়। সমষ্টিটোৰ ভাৰত-ভূটান সীমান্তৰ আমটেকাত অনুষ্ঠিত নিৰ্বাচনী সভাত মহিলাৰীয়ে কয়, 'বিজেপি মূৰ্খৰ দল। শিক্ষিত লোকক গুৰুত্ব নিদিয়ে বিজেপিয়ে। তাৰ বাবে দেশত ইমান অশান্তিৰ সৃষ্টি কৰিছে বিজেপিয়ে। আমাৰ মহাজোঁটত সকলো শিক্ষিত মানুহ।' কে'বা সহস্ৰাধিক ৰাইজক উদ্দেশ্যে তেওঁ কয়, 'মোদী ডাঙৰীয়াৰ আৰু কাম নাই অসমৰ লগতে বিটিচিত। বিজেপিয়ে অসমত অশান্তিৰ সৃষ্টি কৰিছে। সকলো জাতি-জনগোষ্ঠীক বিভাজন কৰিলে। ধৰ্মীয় ৰাজনীতি কৰিলে। এহেজাৰ কোটি টকা দিব বিচাৰিও নিদিলে বিটিচিত। অহা দুই মে'ত বিজেপিৰ শ্ৰাদ্ধ পতা হ'ব। দিছপুৰৰ পৰা বিজেপিক আউট কৰা হ'ব। বিজেপি মিছলীয়াৰ দল।' আনহাতে, তামুলপুৰ বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীজনৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তেওঁ কয়, 'আমি জানো সকলো, কিন্তু আমি নাঙলৰ ছবিতে নিৰ্বাচন খেলিম। কাৰো লগত বুজাবুজি নকৰো। পাছত দেখা যাব কি হ'ল। প্ৰাৰ্থীজনে কিয় দল এৰিব বিচাৰিছে আমি এতিয়াও বুজিব পৰা নাই।' সভাত বিপিএফৰ প্ৰাৰ্থী চন্দন ব্ৰহ্ম, কংগ্ৰেছ নেতা ভাস্কৰ দাহাল, প্ৰাক্তন সাংসদ ছানছুমা খুংগুৰ বিছমুতিয়াৰী প্ৰমুখ্য নেতাসকল উপস্থিত থাকে। ইফালে, আজি নিশা পূব কোকৰাঝাৰ বিধানসভা সমষ্টিৰ দলীয় প্ৰাৰ্থী প্ৰমীলাৰাণী ব্ৰহ্মৰ হৈ প্ৰচাৰ চলাই মহিলাৰীয়ে কয়, 'মোক জেলত পঠাম বুলি ভাবুকি দি হিমন্ত বিশ্বই মোৰ মুখ বন্ধ কৰিব বিচাৰিছে। মই হিমন্ত বিশ্বৰ কথাত ভয় খোৱা মানুহ নহয়। তেওঁ মোৰ বিৰুদ্ধে বিভিন্ন কথা কৈ মোক জেলত ভৰোৱাৰ ধমকি দিছে। তাৰমানে মোক ভয় দেখুৱাইছে। মই মনে মনে থাকিব লাগে। মই অন্যায় কৰিলেহে ভয় খাম। মোক যিমানে ক'লেও মোৰ মুখ বন্ধ নহয়। কাৰণ মই ৰাইজৰ হৈ কৈয়ে যাম। প্ৰথম পৰ্যায়ত বিজেপিৰ ফলাফল বেয়া হৈছিল। আজি দ্বিতীয় পৰ্যায়ত আৰু বেয়া হৈছে। তৃতীয় পৰ্যায়ত ক্ষুণ্ণ হ'ব। এতিয়া হিমন্ত বিশ্বৰ মুখে কাম নকৰা হৈছে। সেয়ে এতিয়া দৃষ্টি বিটিচিৰ ওপৰত।' ইয়াৰ বাবে তামুলপুৰৰ প্ৰাৰ্থী ৰঞ্জা খুংগুৰ বসুমতাৰীক যোৱা ৩০ মাৰ্চত অপহৰণ কৰি নি বিজেপিত যোগদান কৰিবলৈ দিছে বুলি তেওঁ অভিযোগ কৰি কয় যে হিমন্তই য'ত থাকে তাত হাগ্ৰামাই নাথাকে। তেওঁৰ বিৰুদ্ধে মিছাকৈয়ে বিজেপিত যাব বুলি প্ৰচাৰ চলাইছে।





*দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ভোটদানৰ পাছত চিহ্ন প্ৰদৰ্শন বিজেপি প্ৰাৰ্থী ভৱেশ কলিতা, জয়ন্ত মল্ল বৰুৱা আৰু কংগ্ৰেছৰ প্ৰদ্যুৎ ভূঞাৰ।*

# তিনিদিন উকলাতো সন্ধান নাই মা মহামায়া মন্দিৰত লুটপাট চলোৱা দুৰ্বৃত্তৰ

**অগ্ৰদূত বাৰ্তা**
**বগৰীবাৰী, ১ এপ্ৰিল ঃ** ঐতিহাসিক শক্তিপীঠ মা মহামায়া দেৱালয়ত আৰক্ষীৰ পহৰাৰ মাজতে সংঘটিত চুৰিকাণ্ডত জড়িতৰ শুংসূত্ৰ তিনিদিন পাছতো নোলোৱাক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্নিফাৰ ডগৰ জৰিয়তেও দুৰ্বৃত্তৰ সন্ধান অব্যাহত ৰখা হৈছে যদিও বগৰীবাৰী আৰক্ষী এইক্ষেত্ৰত সফল হোৱা নাই। ইপিনে, ঘটনাটো ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে গৰিহণা দিয়াৰ উপৰি দোষীক শীঘ্ৰে কৰায়ত্ত কৰাৰ দাবী জনাইছে। আৰক্ষীয়ে ঘটনাটোক লৈ ৰহস্যজনক ভূমিকা লোৱাৰো অভিযোগ উঠিছে। আৰক্ষীৰ তেনে ভূমিকাক সমালোচনা কৰে মহামায়া আঞ্চলিক আক্ৰাছুৰ প্ৰাক্তন নেতা চন্দন বৰ্মনে। পৰ্বতঝোৰা আমছু, কোকৰাঝাৰ জিলা গৰিয়া-মৰীয়া দেশ সংগঠন, বগৰীবাৰী প্ৰেছ ক্লাব আৰু বাঙালী সচেতন যুৱ মঞ্চৰ বগৰীবাৰী শাখাও আৰক্ষীৰ ব্যৰ্থতাত ক্ষোভ প্ৰকাশ কৰিছে। উল্লেখ্য যে যোৱা ৩০ মাৰ্চৰ নিশা দেৱালয়খনৰ মন্দিৰ খিৰিকীৰ গ্ৰিল ভাঙি চোৰে কমেও ৫০ লক্ষাধিক টকা মূল্যৰ সোণৰ আ-অলংকাৰ লুটি নিয়ে। তাৰ ভিতৰত আছে মা মহামায়াৰ বিগ্ৰহত থকা এক কিলোগ্ৰাম ওজনৰ এটি সোণৰ মুকুট, আঠ ভৰি ওজনৰ তিনিটা চকু, ১০ ভৰি ওজনৰ সোণৰ নাক, ছয় ভৰি ওজনৰ সোণৰ ভ্ৰূ, দুই ভৰি ওজনৰ সোণৰ মুখ, চাৰি ভৰি ওজনৰ এশটা সোণৰ টিপ, দুটা ছাতি আৰু মালা। ৰাইজে অভিযোগ কৰে যে আৰক্ষীয়ে জীৱন আৰু সা-সম্পত্তিৰ নিৰাপত্তা দিয়াৰ পৰিৱৰ্তে নিশা খোৱাঘাত আৰু মাক্ৰিঝৰা অঞ্চলত ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেদি চলাচল কৰা ট্ৰাকৰ পৰা গুণ্ডাকৰ সংগ্ৰহতে ব্যস্ত থাকে।

**আৰক্ষীৰ ভূমিকাক লৈ ৰাইজৰ ক্ষোভ**

# চৰকাৰী বিদ্যালয়ৰ শিক্ষাবৰ্ষ আৰম্ভ ঃ ক'ভিড প্ৰট'কলৰ নিৰ্দেশনাৰ অভাৱ

## শ্ৰেণীকোঠাত পাঠদান ল'ব ৫০ ছাত্ৰ-ছাত্ৰীয়ে

**বিশেষ সংবাদদাতা**
**শিৱসাগৰ, ১ এপ্ৰিল ঃ** আজিৰে পৰা আৰম্ভ হৈছে চৰকাৰী বিদ্যালয়সমূহৰ নতুন শিক্ষাবৰ্ষ। পোন প্ৰথমবাৰৰ বাবে এপ্ৰিলৰ পৰা আৰম্ভ হোৱা শিক্ষাবৰ্ষ 'উৎসৱ বিদ্যাৰম্ভ'ভাৱে পালন কৰাৰ নিৰ্দেশ দিছে শিক্ষা বিভাগে। সেয়েহে আজি চৰকাৰী বিদ্যালয়সমূহত দেখা গৈছে এক উৎসৱমুখৰ পৰিৱেশ। প্ৰৱেশদ্বাৰত কলপুলি ৰুই, বেলুন লগাই ছাত্ৰ-ছাত্ৰীসকলক আদৰণি জনাই নতুন শিক্ষাবৰ্ষৰ বাবে স্বাগতম জনোৱা হয়। অনুষ্ঠিত হয় ছাত্ৰ-ছাত্ৰী, শিক্ষক, অভিভাৱকৰ মাজত বিদ্যাৰম্ভৰ উৎসৱ। শিক্ষাবৰ্ষৰ আৰম্ভণিতে নতুন পাঠ্যপুথি বিতৰণ কৰি ছাত্ৰ-ছাত্ৰীসকলক নতুন শিক্ষাবৰ্ষৰ বাবে সাজু হ'বলৈ আহ্বান জনায়। নতুন শিক্ষাবৰ্ষৰ নামত চৰকাৰে উৎসৱ পালন কৰিছে যদিও ক'ভিড-১৯ৰ প্ৰতি কোনো ভ্ৰূক্ষেপ নাই। যি সময়ত দেশত এদিনতে ক'ভিডত আক্ৰান্ত হৈছে ৬০ হেজাৰ লোক, যি সময়ত কেন্দ্ৰীয় চৰকাৰে দেশত ক'ভিড স্থিতি সংকটজনক বুলি তথ্য দাঙি ধৰিছে, সেই সময়ত চৰকাৰী বিদ্যালয়ৰ শিক্ষাবৰ্ষ আৰম্ভ কৰাৰ সময়ত কোনো নিৰ্দেশনা নাই চৰকাৰৰ। ৰাজ্যত ক'ভিড-১৯ ৰোগৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে সাধাৰণ সাৱধানতা অৱলম্বনৰ অধিসূচনা জাৰি কৰিছে। ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে তাৎক্ষণিক আদেশ জাৰি কৰি সকলো স্বাস্থ্যকৰ্মী, চিকিৎসক, নাৰ্ছ আদিৰ সকলো ছুটী বাতিল কৰিছে, তেনে সময়ত কণ কণ ছাত্ৰ-ছাত্ৰীক লৈ আৰম্ভ হোৱা শিক্ষাবৰ্ষত নাই ক'ভিড প্ৰতিৰোধৰ কোনো নিৰ্দেশনা। মাস্ক পৰিধান কোনোৱে কৰিছে, কোনোৱে নাই কৰা। হাত ধোৱাৰ কোনো নিৰ্দিষ্ট ব্যৱস্থা নাই। সকলোতকৈ ডাঙৰ কথা প্ৰথমৰ পৰা পঞ্চম শ্ৰেণীলৈ পাঠদান অনুষ্ঠিত হোৱাৰ মৌখিক নিৰ্দেশ দিয়াৰ পৰা এতিয়া কোনো শ্ৰেণীকোঠাত সামাজিক ব্যৱধান মানি চলা নহ'ব। এনে পৰিস্থিতিত আজিৰে পৰা আৰম্ভ হৈছে অসম চৰকাৰৰ শিক্ষা বিভাগৰ মানৱ সম্পদ গঢ়াৰ শিক্ষাবৰ্ষ কাৰ্যসূচী।

# ৰঙিয়াত পাকিস্তানৰ পতাকা উত্তোলনক লৈ প্ৰতিক্ৰিয়া

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১ এপ্ৰিল ঃ** দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ চলি থকাৰ সময়তে আজি পুৱা ৰঙিয়া চহৰৰ সমীপৰ গুৰুকুছি অঞ্চলৰ এখন দলঙত পাকিস্তানৰ পতাকা সদৃশ এখন পতাকা উৰি থকাক কেন্দ্ৰ কৰি অঞ্চলটোত উত্তেজনাৰ সৃষ্টি হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ৰঙিয়া আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। অৱশ্যে আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বে একাংশ যুৱকে পতাকাখনত অগ্নিসংযোগ কৰে। যুৱকৰ দলটোৱে 'পাকিস্তান মুৰ্দাবাদ' ধ্বনিৰে উত্তাল কৰি তোলে পৰিস্থিতি। সাতামপুৰুষীয়া শান্তি-সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধ অটুত থকা ৰঙিয়াত একাংশ দুষ্কৃতিকাৰীয়ে এই ধৰণৰ অসামাজিক কাৰ্যত লিপ্ত হোৱাত ৰঙিয়াৰ শান্তিপ্ৰিয়া ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এই কাৰ্যক একেমুখে গৰিহণা দিয়ে। তদুপৰি ভৱিষ্যতে এই ধৰণৰ কামৰ পৰা বিৰত থাকিবলৈ দুষ্কৃতিকাৰীক সকীয়াই দিয়ে। ধৰ্মীয় মেৰুকৰণ কৰি দ্বিতীয় পৰ্যায়ৰ ভোটদানৰ পূৰ্বে ভোটাৰ ৰাইজক বিভ্ৰান্ত কৰাৰ অপচেষ্টাৰে কোনো দুষ্ট চক্ৰই এই কাৰ্য সংঘটিত কৰিছিল বুলি অভিযোগ উঠিছে।

# অসমৰ স্বাভিমান গামোচাক অপমান, আজমলৰ বিৰুদ্ধে তেজপুৰত এজাহাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**যোৰহাট/তেজপুৰ, ১ এপ্ৰিল ঃ** নতুন বিতৰ্কত সোমাই পৰা বদৰুদ্দিন আজমলৰ বিৰুদ্ধে যোৰহাট আৰু তেজপুৰ সদৰ আৰক্ষী থানাত আজি এখন এজাহাৰ দাখিল হয়। অসমীয়াৰ স্বাভিমান গামোচাক অপমান কৰাৰ অভিযোগতে এআইইউডিএফৰ সভাপতিজনৰ বিৰুদ্ধে তেজপুৰ আৰক্ষীৰ দ্বাৰস্থ হৈছে শোণিতপুৰৰ ঐতিহ্য সুৰক্ষা সমিতিয়ে। শেহতীয়াকৈ এখন ৰাজনৈতিক প্ৰচাৰ মঞ্চত আজমলে গামোচা এখন দলিয়াই দিয়া ঘটনাক কেন্দ্ৰ কৰি সম্প্ৰতি তুমুল বিতৰ্কৰ সূত্ৰপাত হৈছে। এজাহাৰত উল্লেখ কৰা হৈছে যে বিতৰ্কপ্ৰৱণ ৰাজনৈতিক নেতাজনে অসমীয়াৰ স্বাভিমান গামোচাখন মঞ্চৰ পৰা দলিয়াই অপমান কৰাই নহয়, বিভিন্ন সময়ত অসমীয়াসকলক অপমানজনক মন্তব্যৰে সমালোচনা কৰি আহিছে। অনুষ্ঠানটোৰ সম্পাদক নয়নজ্যোতি কলিতাই স্বাক্ষৰ কৰা এজাহাৰখনত অভিযুক্ত আজমলে অসমীয়াৰ স্বাভিমানত আঘাত কৰা বুলি অভিযোগ কৰি আজমলৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থাৰ দাবী জনায়। সেইদৰে যোৰহাটতো এই ঘটনাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈচে। এজন জ্যেষ্ঠ ৰাজনীতিবিদে কৰা এনে নিকৃষ্ট কাণ্ডৰ উপযুক্ত তদন্তৰ দাবী জনাই যোৰহাট সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে যোৰহাটৰ অধিবক্তা তথা বিজেপিৰ অ'বিচি মৰ্চাৰ গ্ৰাম্য মণ্ডলৰ সভাপতি বিনয় কুমাৰ লিখকে।

# মহাজোঁটৰ চৰকাৰ গঠন হ'ব ঃ গেহলট

## বঙাইগাঁৱত কংগ্ৰেছৰ প্ৰাৰ্থী শংকৰ প্ৰসাদ ৰায়ৰ সমৰ্থনত প্ৰচাৰ



**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ১ এপ্ৰিল ঃ** অহা ছয় এপ্ৰিলত তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভাৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে নিজ নিজ দলৰ প্ৰাৰ্থীসকলক জয়ী কৰাৰ ক্ষেত্ৰত প্ৰচাৰ অভিযান তুংগত তুলিছে। আজি বিয়লি বঙাইগাঁও চহৰত উপস্থিত হয় ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলট। কংগ্ৰেছৰ প্ৰাৰ্থী শংকৰ প্ৰসাদ ৰায়ৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে বঙাইগাঁৱত উপস্থিত হয় গেহলট। বঙাইগাঁও বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত নিৰ্মাণ কৰা অস্থায়ী হেলিপেডত অৱতৰণ কৰি গেহলটে পাছত বঙাইগাঁও চহৰৰ তেৰাপন্থ ভৱনত বঙাইগাঁৱৰ ৰাজস্থানী ব্যৱসায়ী মহলৰ স'তে বৈঠকত মিলিত হয়। উক্ত সভাত গেহলটে দেশৰ উন্নয়নমূলক আঁচনিসমূহ কংগ্ৰেছে কৰিছে বুলি উল্লেখ কৰাৰ লগতে বিজেপিয়ে ইয়াৰ বাবে নিজৰ দলৰ জয়গান গাই আছে বুলি কয়। অসমৰ জাতীয় জীৱনৰ সুখ্যাত ৰাজনীতিবিদ, প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ স্মৃতিত দলে সোঁৱৰণী হিচাপে কাম কৰি যাব আৰু তাৰ বাবে বঙাইগাঁওবাসী ৰাইজক তেওঁ এইবাৰ কংগ্ৰেছৰ হাত শক্তিশালী কৰাৰ বাবে মহাজোঁটৰ সমৰ্থিত আৰু কংগ্ৰেছ প্ৰাৰ্থী, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি ৰায়ক বিপুল ভোটত জয়ী কৰিবলৈ আহ্বান জনায়। গেহলটৰ স'তে মাৰোৱাৰী ব্যৱসায়ী সমাজৰ হোৱা বৈঠকত কংগ্ৰেছৰ প্ৰাৰ্থী শ্যামল নাৰায়ণ দেৱ গোস্বামী, জ্যোতিৰ্ময় বৈশ্য উপস্থিত থাকে। অসমত এইবাৰ মহাজোঁটৰ চৰকাৰ গঠন হ'ব বুলি উল্লেখ কৰে আৰু ৰাইজে কংগ্ৰেছৰ প্ৰতি অকৃষ্ট হৈ চৰকাৰ গঠনত আগুৱাই আহিব বুলি আশা ব্যক্ত কৰে।

বিভিন্নজনৰ শোক প্ৰকাশ

# লুৰীণজ্যোতি গগৈৰ মাতৃৰ শেষকৃত্য সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**তিনিচুকীয়া, ১ এপ্ৰিল ঃ** যোৱা নিশা মৃত্যু হোৱা অসম জাতীয় পৰিষদৰ সভাপতি তথা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক লুৰীণজ্যোতি গগৈৰ মাতৃ দুলু গগৈৰ আজি অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হয়। কালি ডিব্ৰুগড়ৰ সঞ্জীৱনী নাৰ্ছিংহোমত নিশা ১০-৪৫ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল। উল্লেখ্য যে যোৱা ২৯ মাৰ্চৰ পুৱা গাখীৰ খীৰাবলৈ যোৱাৰ সময়ত প্ৰয়াত দুলু গগৈয়ে উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ মাটিত বাগৰি পৰিছিল। তেতিয়াই হেৰুৱাই পেলোৱা সংজ্ঞা আৰু উভতি নাহিল। প্ৰথমতে তেওঁৰ তিনিচুকীয়াৰ লাইফলাইন নামৰ ব্যক্তিগত চিকিৎসালয়খনলৈ নিয়া হৈছিল যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ স্থানান্তৰ কৰা হয়। দুটা দিন মাতৃৰ কাষত থাকি কালি তেওঁ পাটাছাৰকুছি আৰু হাজোত নিৰ্বাচনী কামত ব্যস্ত হয়। কিন্তু নিশা মাতৃ বিয়োগৰ খবৰ লাভ কৰি গগৈয়ে ততাতৈয়াকৈ তিনিচুকীয়া লাইপুলিস্থিত বাসভৱনলৈ আহে। আজি পুৱা ৬-৪০ বজাত গগৈ ঘৰত উপস্থিত হয়। তাৰ পূৰ্বেই মাতৃৰ মৃতদেহ ঘৰলৈ অনা হৈছিল। উল্লেখ্য যে প্ৰায়ে নিশা ন বজাত দুলু গগৈয়ে একমাত্ৰ পুত্ৰ লুৰীণজ্যোতিক 'বাবা ভাত' খালিনে, ক'ত আছ, মিটিঙত কথাবোৰ অলপ লাহে লাহে কবি, ৰাতি বেছি দেৰিলৈকে ঘূৰি নুফুৰিবি, লগত আৰু কোন কোন আছে আদি প্ৰশ্নৰে খা-খবৰ লৈছিল। সেইবোৰ সুঁৱৰি আজি লুৰীণজ্যোতি গগৈ শোকত ভাগি পৰে।

দুলু গগৈ আছুৰ নেতা-কৰ্মীসকলৰো মাতৃস্বৰূপা আছিল। তেওঁৰ মৃত্যুৰ বাতৰি লাভ কৰি লাইপুলিৰ বাসগৃহত উপস্থিত হয় আছুৰ সভাপতি দীপাংক কুমাৰ নাথ, সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা, মৰাণ ছাত্ৰ সন্থাৰ সভাপতি নৱ মৰাণ, অসম জাতীয় পৰিষদৰ উপ-সভাপতি দুলু আহমেদ, শিল্পী মহেন্দ্ৰ হাজৰিকা আদিকে ধৰি বহু লোক। দুলু গগৈৰ মৃত্যুত আছু, অসম জাতীয় পৰিষদ, মৰাণ ছাত্ৰ সন্থা, তাই আহোম ছাত্ৰ সন্থা, মটক যুৱ ছাত্ৰ সন্মিলন আদি বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। সংযুক্ত মুক্তিবাহিনী অসম (স্বাধীন)-এ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জনাইছে।

নলবাৰীক উদ্যোগ নগৰীৰূপে গঢ়ি তুলিম ঃ ভূঞা ■ এইবাৰ জাতীয়তাবাদৰ চৰকাৰ হ'ব ঃ নগেন ডেকা ■ এক লাখ ২০ হেজাৰ ভোট পাম ঃ জয়ন্ত মল্ল

# নলবাৰী সমষ্টিত ৮২.৫৩ শতাংশ ভোটদান

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ১ এপ্ৰিল ঃ** বহু জল্পনা-কল্পনাৰ অন্তত আজি মধ্য অসমত অনুষ্ঠিত দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হয়। ই ভি এম বিজুতি অথবা দুই-এক সাধাৰণ ঘটনাৰ বাহিৰে ভোটগ্ৰহণৰ সময়ছোৱাত ৫৯ নম্বৰ নলবাৰী বিধানসভা সমষ্টিত বিশেষ কোনো ধৰণৰ বিক্ষিপ্ত ঘটনা সংঘটিত হোৱা নাই। সমষ্টিটোৰ ২৯৫টা ভোটগ্ৰহণ কেন্দ্ৰত সন্ধিয়া পৰ্যন্ত ভোটদানৰ হাৰ ৮২.৫৩ শতাংশ বুলি জনা গৈছে। ইফালে, আজি পুৱাৰ ভাগতে নলবাৰীৰ চান্দকুছি পাব্লিক হাইস্কুলৰ ভোটকেন্দ্ৰত ভোটদান কৰে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱাই। সপত্নীক ভোটদান কৰি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীজনে কয় যে যুৱপ্ৰজন্মৰ ভোটদানৰ উৎসাহলৈ চাই নলবাৰী সমষ্টিত ৮৫ৰ পৰা ৯০ শতাংশ ভোটদান হ'লে তেওঁৰ ভোটৰ ব্যৱধান যথেষ্ট বৃদ্ধি হ'ব। কৰ্মসূত্ৰে গুৱাহাটীত থকা লোকসকলেও ভোটদান কৰিবলৈ অহাটো শুভ লক্ষণ বুলি উল্লেখ কৰি প্ৰাৰ্থী বৰুৱাই কয়, 'পূৰ্বৰ তুলনাত বিজেপিয়ে এইবেলি নলবাৰী সমষ্টিত আৰু অধিক ভোট লাভ কৰিব।' তেওঁৰ স'তে কাৰোৰেই প্ৰতিদ্বন্দ্বিতা নহয় বুলি মত ব্যক্ত কৰে। তেওঁ এক লাখ ২০ হেজাৰৰো অধিক ভোট লাভ কৰিব বুলিও কয়। ইফালে, মহাজোঁটৰ কংগ্ৰেছ প্ৰাৰ্থী বিদ্যুৎ কুমাৰ ভূঞাই আজি পুৱা সপত্নীক ভোটদান কৰে জ্ঞানপীঠ উচ্চ মাধ্যমিক বিদ্যালয় ভোটকেন্দ্ৰত। উক্ত ভোটকেন্দ্ৰটো জিলা প্ৰশাসনে আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে ইতিমধ্যে গঢ়ি তুলিছিল। লক্ষ্যণীয়ভাৱে গ্ৰামাঞ্চলকে ধৰি চহৰখনৰ বিভিন্ন ভোটকেন্দ্ৰত বৃদ্ধ-পুৰুষ-মহিলাকে ধৰি যুৱপ্ৰজন্মৰ ভোটদানৰ হাৰ বৃদ্ধি হয়। উক্ত ভোটকেন্দ্ৰটোত ভোটদান কৰি কংগ্ৰেছ প্ৰাৰ্থী ভূঞাই কয়, '২০১৬ত বিজেপিয়ে দিয়া প্ৰতিশ্ৰুতিসমূহ পালন কৰিব নোৱাৰিলে।' সেয়েহে ৰাইজে কংগ্ৰেছ মহাজোঁটৰ পক্ষত থিয় দিছে আৰু কংগ্ৰেছ মহাজোঁটৰ প্ৰাৰ্থী হিচাপে তেওঁৰ বিজয় নিশ্চিত বুলি দাবী কৰে। নলবাৰীৰ নিবনুৱা সমস্যা ঊৰ্ধ্বগামীলৈ চাই ভূঞাই নিৰ্বাচনত জয়ী হ'লে নলবাৰীক উদ্যোগ নগৰী হিচাপে গঢ়ি তোলাৰো আশ্বাস প্ৰদান কৰে। ইয়াৰ বিপৰীতে অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী নগেন ডেকাই ভোটদান কৰে দীগেলীস্থিত পূব নলবাৰী বিদ্যামন্দিৰ হাইস্কুল ভোটকেন্দ্ৰত। ভোটদান কৰি এজেপিৰ প্ৰাৰ্থীজনে গণতন্ত্ৰ ৰক্ষাৰ স্বাৰ্থত সকলোকে ওলাই আহি ভোটদান কৰিবলৈ আহ্বান জনাই কয়, 'এইবাৰ অসমত আঞ্চলিকতাবাদৰ চৰকাৰ নিশ্চিত। কংগ্ৰেছ-বিজেপিৰ প্ৰলোভনৰ ৰাজনীতিক ৰাইজে আৰু গুৰুত্ব নিদিয়ে। ধন দি ভোট কিনিব বিচৰাসকলক এইবাৰ সাধাৰণ জনতাই উচিত প্ৰত্যুত্তৰ দিব।' আজিৰ এই ভোটগ্ৰহণৰ সময়ছোৱাত মাধাপুৰৰ এম চি মিলন হাইস্কুল প্ৰাংগণত এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। বিজেপি কৰ্মীয়ে কোনো লোকক চাহ খাবলৈ ধন দিয়াক লৈ ব্যাপক হৈ-চৈৰ সৃষ্টি হোৱাৰ সময়ত পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাৰ বাবে উক্ত স্থানত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মল্ল বৰুৱা উপস্থিত হোৱাত কংগ্ৰেছৰ একাংশ সমৰ্থকে প্ৰাৰ্থীজনক দুৰ্ব্যৱহাৰ কৰাৰ অভিযোগ উঠিছে। পাছত উক্ত কেন্দ্ৰটোত অধিক পৰিমাণে আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনীৰ লোক নিয়োগ কৰে প্ৰশাসনে। ৫৯ নম্বৰ নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত গোপালথান পলিটেকনিক ইনষ্টিটিউটত আজি বিয়লিৰ ভাগত ই ভি এম বিকল হোৱাক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ই ভি এম এঘণ্টা ধৰি বিকল হৈ থকাত অঞ্চলটোৰ ভোটাৰসকলে ৰৈ থাকিবলগীয়া হয়। এই সন্দৰ্ভত নিৰ্বাচনী বিষয়াক জনোৱাৰ এঘণ্টা পাছতো ই ভি এম গৈ নাপালে। অৱশ্যে বহু সময় পলমকৈ ই ভি এম ঠিক হোৱাৰ পাছত পুনৰ আৰম্ভ হয় ভোটগ্ৰহণ কাৰ্যসূচী। ইফালে, অপব্যয় হোৱা সময়খিনি ভোটাৰক অতিৰিক্ত সময় দিয়াৰো আশ্বাস প্ৰদান কৰিছে দায়িত্বত থকা বিষয়াই। আনহাতে, উক্ত কেন্দ্ৰটোত দিনৰ ভাগত প'লিং বিষয়া জিন্না আলী কৰ্তব্যৰত অৱস্থাতে ঢলি পৰে। লগে লগে বিষয়াজনৰ প্ৰাথমিক চিকিৎসা কৰোৱাৰ অন্তত তেওঁক গৃহত থৈ অহাৰ ব্যৱস্থা কৰে নিৰ্বাচনৰ দায়িত্বত থকা বিষয়াসকলে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com